Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

SATURDAY, FEBRUARY 08, 2025 ■ শনিবাৰ, ২৫ মাঘ, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৪৩ Guwahati, Assam ।। মূল্যঃ এটকা

## প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যজুৰি প্ৰতিবাদ



বিতং বাতৰি ৮ নং পৃষ্ঠাত

## নিলম্বিত ২১ ৰাজপত্ৰিত বিষয়াই ঘূৰাই পালে চাকৰি

# অশ্বডিম্বত পৰিণত হ'ল এপিএছচি কেলেংকাৰীৰ তদন্ত

■ দুৰ্নীতিৰ বিৰুদ্ধে জেহাদৰ কথা কোৱা হিমন্ত চৰকাৰৰ ওলাল স্বৰূপ, ন্যায়ালয়ক দিব নোৱাৰিলে তথ্য প্ৰমাণ!



ই-সংবাদ, ৭ ফেব্ৰুৱাৰীঃ কংগ্ৰেছৰ দিনত অসম লোকসেৱা আয়োগত সংঘটিত ভয়াৱহ চাকৰি কেলেংকাৰী তদন্তৰ প্ৰসংগ উল্লেখ কৰি বাঃ বাঃ লয় বিজেপিৰ নেতাসকলে। সভাই সমিতিয়ে, টিভিৰ ষ্টুডিঅ'ত ডিঙিৰ ৩ পৃষ্ঠাত

## লাভলীনা, অংকুশিতাৰ স্বৰ্ণ পদক



ডেৰাডুন, ৭ ফেব্ৰুৱাৰীঃ ৩৮ সংখ্যক নেশ্যনেল গেমছত ইটোৰ ৩ পৃষ্ঠাত চাওক

## ৰেপ' ৰেট হ্ৰাসৰ সিদ্ধান্ত আৰবিআইৰ

নতুন দিল্লী, ৭ ফেব্ৰুৱাৰীঃ বাজেট অধিবেশনৰ পিছতে নতুন ৰেপ' ৰেট ঘোষণা কৰিছে শেষাংশ ৩ পৃষ্ঠাত

## দীপৰ বিল পুতিব নোৱাৰিব

ই-সংবাদ, ৭ ফেব্ৰুৱাৰীঃ ৰাজধানী গুৱাহাটীৰ প্ৰাকৃতিক ভাৰসাম্য ২ পৃষ্ঠাত চাওক

## বাংলাদেশী বিতাড়নক লৈ পুনৰ সৰৱ ছুপ্ৰিম কৰ্ট


### ট্ৰাম্পে যদি পাৰে ভাৰতে নোৱাৰে কিয়?

নতুন দিল্লী, ৭ ফেব্ৰুৱাৰীঃ অবৈধ অনুপ্ৰৱেশকাৰীৰ প্ৰত্যাৰ্পণক লৈ আকৌ এবাৰ ন্যায়ালয়ৰ ভৰ্ৎসনাৰ সন্মুখীন হ'ল ভাৰত আৰু অসম চৰকাৰ। যদি ৪ পৃষ্ঠাত চাওক

দুসপ্তাহৰ ভিতৰত স্বদেশলৈ প্ৰত্যাৰ্পণৰ ব্যৱস্থা কৰিবলৈ দিলে কঠোৰ নিৰ্দেশ

মুখ্য সচিবক হাজিৰ হোৱাৰ নিৰ্দেশ

## কয়লা খননক লৈ খৰ্গহস্ত উচ্চ ন্যায়ালয়, চৰকাৰক ভৰ্ৎসনা



ই-সংবাদ, ৭ ফেব্ৰুৱাৰীঃ দিহিং পাটকাইৰ প্ৰস্তাৱিত চালেকি সংৰক্ষিত বনাঞ্চলত অবৈধ কয়লা খনন কৰি বনাঞ্চল ধ্বংস কৰিবলৈ ২ পৃষ্ঠাত চাওক

আপ প্ৰাৰ্থীক প্ৰলোভন দিয়া বুলি দাবী কেজৰিৰ

## কেজৰিৱালৰ ঘৰত দুৰ্নীতি নিবাৰকৰ অভিযান




নতুন দিল্লী, ৭ ফেব্ৰুৱাৰীঃ নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পূৰ্বেই দিল্লীত চৰম পৰ্যায়ত উপনীত হৈছে ৰাজনৈতিক উত্তেজনা। ৪ পৃষ্ঠাত চাওক




## দলং নিৰ্মাণৰ দাবীত মাজুলীত উত্তাল প্ৰতিবাদ

ই-সংবাদ, মাজুলী, ৭ ফেব্ৰুৱাৰীঃ মাজুলীবাসীৰ সপোনৰ যোৰহাট-মাজুলী সংযোগী শেষাংশ ৭ পৃষ্ঠাত

## খাম্পাই আজি যোগদান কৰিব ইউপিপিএলত

ই-সংবাদ, কোকৰাঝাৰ, ৭ ফেব্ৰুৱাৰীঃ বিপিএফ দল ত্যাগ কৰা বিপিএফৰ উপ-সভাপতি, শেষাংশ ৮ পৃষ্ঠাত

মল্লযুঁজ-বক্সিঙতো মানুহ মৰে বুলি যুক্তি

## ম'হ যুঁজ! ন্যায়ালয়ৰ বিৰুদ্ধে খং উঠিল দিছপুৰৰ বিধায়ক অতুল বৰাৰ





ই-সংবাদ, ৭ ফেব্ৰুৱাৰীঃ মানুহ হৈছে জীৱ শ্ৰেষ্ঠ। জীৱ শ্ৰেষ্ঠ মানুহে অবুজ চৰাই, বন্যপ্ৰাণীক বন্দী কৰি ৫ পৃষ্ঠাত চাওক

## আজিও উদুলি-মুদুলি এৰালতলি পথাৰ

পশ্চিম যোৰহাট ম'হবন্ধা এৰালতলি পথাৰৰ পৰা ৰমেন শইকীয়া, ৭ ফেব্ৰুৱাৰীঃ জনতা জনাৰ্দ্দন। কৰ্ম এৰি ধৰ্মত



ব্যস্ত হাজাৰ হাজাৰ লোক। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশন চলি থকা পশ্চিম ৬ পৃষ্ঠাত চাওক

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দীপৰ বিল পুতিব নোৱাৰিব

ৰক্ষাত বিৰল অৰিহণা যোগাই অহা দীপৰ বিল অস্তিত্বৰ সংকটত পৰাতো নতুন কথা নহয়। প্ৰতিখনে চৰকাৰ পুঁজিপতি বণিয়াক দীপৰ বিলৰ বৃহৎ বৃহৎ অংশ গতাই দিয়াত নিৰ্মাণ কাৰ্য গঢ়ি তুলিছে। যাৰ বাবে ক্ৰমে সংকুচিত হৈ আহিছে দীপৰ বিল। এইবাৰ আকৌ চৰকাৰী সংস্থাই পুতি পেলাইছে দীপৰ বিলৰ বৃহৎ অংশ। ৰাজ্য চৰকাৰৰ লোক নিৰ্মাণ বিভাগে এলিভেটেড কৰিডৰৰ প্ৰকল্পৰ বাবে দীপৰ বিলৰ বৃহৎ অংশ পুতি পেলোৱাত নাৰাজ হৈছে গুৱাহাটী উচ্চ ন্যায়ালয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে পুতি পেলোৱা অংশ মুক্ত কৰিবলৈ কঠোৰ নিৰ্দেশ দিছে। বিলৰ যিমানখিনি অংশ পোতা হৈছে সেইখিনি এলেকা মুক্ত কৰিবলৈ সময় নিৰ্ধাৰণ কৰি দিছে। যিমানখিনি এলেকা মাটিৰে পুতি পেলাইছিল সেইখিনি ঠাইৰ পৰা মাটি আতৰাই পেলাব লাগিব। বিলখনত খোদ চৰকাৰী বিভাগে অবৈধ নিৰ্মাণকাৰ্যৰ বাবে পুতি পেলোৱাত কঠোৰ স্থিতি গ্ৰহণ কৰিছে গুৱাহাটী উচ্চ ন্যায়ালয়ে। মাটি পোতা কাৰ্য আৰু অন্যান্য নিৰ্মাণ কাৰ্য শীঘ্ৰে বন্ধ কৰাৰ বাবে ৬-৮ সপ্তাহৰ প্ৰয়োজন হ'ব বুলি লোক নিৰ্মাণ বিভাগৰ অধিবক্তাই ন্যায়ালয়ক অৱগত কৰিছে। ন্যায়ালয়ে পৰৱৰ্তী শুনানিত ন্যায়ালয়ৰ নিৰ্দেশ কাৰ্যকৰী সন্দৰ্ভত সবিশেষ তথ্য দি শপতনামা দাখিল কৰিবলৈ লোকনিৰ্মাণ বিভাগক নিৰ্দেশ দিছে। লোকনিৰ্মাণ বিভাগৰ হৈ অধিবক্তাই ন্যায়ালয়ক অৱগত কৰে যে ধাৰাপুৰ তিনিআলিত এলিভেটেড কৰিডৰৰ প্ৰকল্পৰ বাবে মাটি পেলোৱা আৰু বা আন নিৰ্মাণকাৰ্য চলি আছিল। কিন্তু সকলো নিৰ্মাণকাৰ্য বাতিল কৰা হৈছে। ৰাজহুৱা স্বাৰ্থজড়িত আৱেদনৰ শুনানি গ্ৰহণ কৰি গুৱাহাটী উচ্চ ন্যায়ালয়ে লোক নিৰ্মাণ বিভাগক গুৰুত্বপূৰ্ণ নিৰ্দেশ দিয়ে। দীপৰ বিলৰ জীৱিত ৰখা আৰু সংৰক্ষণক লৈ সৰৱ হৈ সমাজকৰ্মী সোনেশ টেৰণ, দীপক টেৰণ আৰু প্ৰমোদ কলিতাই উচ্চ ন্যায়ালয়ত ৰাজহুৱা স্বাৰ্থজড়িত আৱেদন দাখিল কৰিছিল। ৰাজহুৱা স্বাৰ্থজড়িত আবেদনৰ শুনানি গ্ৰহণ কৰি উচ্চ ন্যায়ালয়ে ইতিমধ্যে পুতি পেলোৱা দীপৰ বিলত মুক্ত কৰাৰ নিৰ্দেশ দিছে। যিমান মাটি পেলোৱা হৈছে সেই মাটি আঁতৰাবলৈ নিৰ্দেশ দিয়া সন্দৰ্ভত শপতনামা দাখিল কৰিবলৈ নিৰ্দেশ দিছে। সোনেশ টেৰণ, দীপক টেৰণ আৰু প্ৰমোদ কলিতাই কয় যে লোক নিৰ্মাণ বিভাগে বিলখনৰ ধাৰাপুৰ দিশত পথ নিৰ্মাণ কৰি বিলখন সংকুচিত কৰিছে। বিলখন ৰক্ষা কৰিবলৈ আমি ন্যায়ালয়ৰ কাষ চাপিছিলো। ন্যায়ালয়ে ৰাইজৰ পক্ষত নিৰ্দেশ দি পুতি পেলোৱা অংশ মুক্ত কৰি সেই ঠাইত বাহিৰৰ পৰা গাড়ীৰে আনি পেলোৱা মাটি আতৰাবলৈ কঠোৰ নিৰ্দেশ দিছে। দীপৰ বিল এলেকাত থকা একাংশ বাসিন্দাই কয় যে এইখন চৰকাৰে দীপৰ বিলৰ সীমা নিৰ্ধাৰণ নকৰিলে। বিলখনৰ সীমা নিৰ্ধাৰণৰ প্ৰক্ৰিয়া আৰম্ভ হৈছিল যদিও আজিলৈ সম্পূৰ্ণ নহ'ল। ফলত বিভিন্ন প্ৰভাৱশালী পক্ষই বিলখন দখল কৰি অহাত বিলৰ পৰিমাণ হ্ৰাস পাইছে। পূৰ্বে লক্ষ লক্ষ চৰাইৰ আগমন ঘটিছিল। এতিয়া চৰাইৰ সংখ্যা অতি কম। ২০২৩ চনত ২৮ হাজাৰ পক্ষীৰ আগমন ঘটিছে। পূৰ্বে এই বিলখনত লাখৰ ঘৰত পৰিভ্ৰমী চৰাইৰ আগমন ঘটিছিল। দীপৰ বিলৰ বৰ্তমানৰ পৰিস্থিতিক লৈ উদ্বেগ প্ৰকাশ কৰি আহিছে প্ৰকৃতিপ্ৰেমীসকলে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কয়লা খননক লৈ খৰ্গহস্ত উচ্চ

অনুমতি দিয়া হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ বিৰুদ্ধে খৰ্গহস্ত হৈছে গুৱাহাটী উচ্চ ন্যায়ালয়। শপতনামা দাখিলত ৰাজ্য চৰকাৰে অত্যাধিক বিলম্ব কৰাত কঠোৰ হৈ ন্যায়ালয়ে চমন জাৰি কৰিছে অসম চৰকাৰক। ন্যায়ালৰ চমনৰ ভিত্তিত গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানে সোঁশৰীৰে আদালতত হাজিৰ থাকিব লাগিব। গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানে সোঁশৰীৰে হাজিৰ থাকি কিয় কাৰণত শপতনাম দাখিল কৰা নাই তাৰ উত্তৰ দিব লাগিব। ২০২৩ চনত উচ্চ ন্যায়ালয়ে গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক শপতনামা দাখিলৰ নিৰ্দেশ দিছিল। ২০২৪ চনৰ ২৯ অক্টোবৰ আৰু ২০ নৱেম্বৰত শুনানি অনুষ্ঠিত হৈ যায় যদিও গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানে শপতনামা দাখিল নকৰিলে। দুবছৰে শপতনামা দাখিল নকৰাত এইবাৰৰ শুনানিত খৰ্গহস্ত হয় ন্যায়ালয়। ন্যায়ালয়ে চৰকাৰক ৰঙা চকু দেখুৱাই পৰৱৰ্তী শুনানিত গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক সোঁশৰীৰে উপস্থিত থাকিবলৈ নিৰ্দেশ দিয়ে। শপতনামা দাখিলত বিলম্বৰ বাবে ১৪ ফেব্ৰুৱাৰীত প্ৰধান সচিব আৰু ডিজিপিক হাজিৰ হ'বলৈ নিৰ্দেশ দিছে। ১৩ ফেব্ৰুৱাৰীৰ ভিতৰত প্ৰয়োজনীয় শপতনামা দাখিল কৰে তেন্তে প্ৰধান সচিব আৰু ডিজিপিক আদালতত হাজিৰ হোৱাৰ পৰা ৰেহাই দিব হ'ব পাৰে। দিহিং পাটকাইৰ প্ৰস্তাৱিত চালেকি সংৰক্ষিত বনাঞ্চলৰ সংৰক্ষিত ৯৮.৫ হেক্টৰ বনভূমি ধ্বংস কৰি কয়লাৰ খননৰ অনুমতি দিয়াৰ অভিযোগ উত্থাপন কৰি অধিবক্তা মৃণ্ময় খাটনিয়াৰ আৰু পৰ্বতাৰোহী অমৰজ্যোতি ডেকা ২৯/২০২০ৰ নম্বৰৰ আৱেদন দাখিল কৰিছিল গুৱাহাটী উচ্চ ন্যায়ালয়ত। পিআইএল যোগে দিহিং পাটকাইৰ হাতী সংৰক্ষণৰ বাবে থকা এলেকা আৰু বনাঞ্চল ধ্বংস কৰি বুলি অভিযোগ আনি ন্যায়ালয়ৰ হস্তক্ষেপ কৰাৰ আহ্বান জনাইছিল। কোল ইণ্ডিয়া লিমিটেড আৰু বন বিভাগৰ ভূমিকাৰ তদন্তৰ দাবী জনায়। কিন্তু বিষয়টোক গুৰুত্বসহকাৰে লৈ চমন জাৰি কৰিছিল যদিও ২২ মাহে গৃহ বিভাগ আৰু আৰক্ষীয়ে শপতনামা দাখিল কৰিব নোৱাৰিলে। আদালতে পুনৰ দোহাৰে যে অবৈধ খনন প্ৰতিৰোধ ভাৰতৰ পৰিৱেশ বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয় আৰু অসম চৰকাৰৰ সামূহিক দায়িত্ব আছিল। পূৰ্বৰ শুনানিৰ সময়ত কোল ইণ্ডিয়া লিমিটেডে সংৰক্ষিত বনাঞ্চলত খননৰ কাম কৰা বন্ধ কৰিছিল বুলি উল্লেখ কৰিছিল। কিন্তু আন সংস্থাই কোনো বাধা অবিহনে অবৈধ খনন অব্যাহত ৰাখিছিল। ৰাজ্যিক কৰ্তৃপক্ষৰ আদালতে তথ্য লাভ নকৰাত শপতনামা দাখিলৰ লগতে খোদ বিষয়াক উপস্থিত থাকিবলৈ নিৰ্দেশ দিছে। এইবাৰৰ শুনানিত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ খণ্ড বিচাৰপীঠ ক্ষুণ্ণ হৈ ১৩ ফেব্ৰুৱাৰীৰ ভিতৰত শপতনামা দাখিলত ব্যৰ্থ হ'লে ১৪ ফেব্ৰুৱাৰীৰ পুৱা ১০:৩০ বজাত অসম চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগৰ প্ৰধান সচিব আৰু আৰক্ষী সঞ্চালক প্ৰধানক আদালতৰ মজিয়াত সোঁশৰীৰে হাজিৰ হ'বলৈ নিৰ্দেশ জাৰি কৰে।

# কয়লা চিণ্ডিকেট-খননৰ বিৰুদ্ধে সৰৱ ভাস্কো ডি শইকীয়া

**ই-সংবাদ, ডুমডুমা, ৭ ফেব্ৰুৱাৰীঃ** চুবুৰীয়া ৰাজ্য অৰুণাচল প্ৰদেশৰ চাংলাং জিলাৰ খাৰচাঙত অবৈধ কয়লা চিণ্ডিকেট আৰু উজনিৰ তিনিচুকীয়া জিলাৰ মাৰ্ঘেৰিটাত অবাধ কয়লা খননৰ বিৰুদ্ধে সৰৱ হৈ পৰিল ৰাইজৰ দল। এই সন্দৰ্ভত দলৰ কাৰ্যকৰী সভাপতি ভাস্কো ডি শইকীয়াই আজি বাণিজ্যিক চহৰ তিনিচুকীয়াৰ বিষ্ণুজ্যোতি সাংস্কৃতিক সমাজৰ প্ৰেক্ষাগৃহত আয়োজিত এক সংবাদমেলৰ জৰিয়তে মাৰ্ঘেৰিটাত কয়লাৰ অবাধ খননৰ সৈতে স্থানীয় বিধায়ক ভাস্কৰ শৰ্মা প্ৰত্যক্ষভাৱে জড়িত থকাৰ লগতে ডিগবৈৰ বিধায়ক সুৰেন ফুকন আৰু শদিয়াৰ বিধায়ক বলিন চেতিয়াও জড়িত থকাৰ অভিযোগ উত্থাপন কৰে। প্ৰত্যক্ষভাৱে দিছপুৰৰ পৃষ্ঠপোষকতাতে কয়লাৰ এই মুক্ত খনন চলি থকা বুলিও অভিযোগ কৰে ৰাইজৰ দলৰ কাৰ্যকৰী সভাপতিগৰাকীয়ে। ন্যায়ালয়ৰ ওপৰত আশাবাদী বুলি মন্তব্য কৰি সংবাদমেলত ভাস্কো দি শইকীয়াই মাৰ্ঘেৰিটাত এতিয়া " অপেন কাষ্ট মাইনিং" অৰ্থাৎ মুক্ত খনন চলি থকা বুলিও গুৰুতৰ অভিযোগ উত্থাপন কৰে। অবৈধ কয়লা খননৰ সন্দৰ্ভত গুৱাহাটী উচ্চ ন্যায়ালয়ে ৰাজ্যৰ মুখ্য সচিব আৰু আৰক্ষী সঞ্চালকপ্ৰধানক সোঁ-শৰীৰে আদালতত হাজিৰ হ'বলৈ দিয়া নিৰ্দেশৰ পিছতে কয়লা খননৰ বিৰুদ্ধে সৰৱমুখৰ হৈ পৰিছে ৰাইজৰ দল। ২০১৯ চনতেই ভূ-তত্ত্ব আৰু খনিজ বিভাগে প্ৰশাসনলৈ এক পত্ৰ প্ৰেৰণ কৰিছিল য'ত সৰ্বমুঠ ১৯ গৰাকীৰ নাম উল্লেখ আছিল। তাৰপিছতো চৰকাৰে ব্যৱস্থা গ্ৰহণ নকৰিলে বুলি অভিযোগ তোলে নেতাগৰাকীয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰেপ’ ৰেট হ্ৰাসৰ সিদ্ধান্ত আৰবিআইৰ

ৰিজাৰ্ভ বেংকে। শক্তিকান্ত দাসৰ অৱসৰৰ পিছত দায়িত্ব লোৱা আৰবিআইৰ নতুন গভৰ্ণৰ সঞ্জয় মালহোত্ৰাই কয় যে ২৫ বেচিছ পইণ্ট কৰ্তন কৰা হৈছে। ফলত ৰেপ’ ৰেট ৬.৫ শতাংশৰ পৰা ৬.২৫ শতাংশলৈ হ্ৰাস পাইছে। উল্লেখ্য যে, অন্তিমবাৰৰ বাবে ২০২০ চনত সুদৰ হাৰ কৰ্তনৰ পিছত যোৱা দুবছৰ ধৰি ৰেপ’ ৰেট অপৰিৱৰ্তিত ৰাখিছিল ৰিজাৰ্ভ বেংকে। লক্ষ্যণীয় যে, যোৱা বুধবাৰৰ পৰা তিনিদিনীয়াকৈ অনুষ্ঠিত হৈছিল ৰিজাৰ্ভ বেংকৰ মুদ্ৰানীতি সমিতিৰ বৈঠক। এই বৈঠকত অধিকাংশ সদস্যই ৰেপ’ ৰেট হ্ৰাস কৰাৰ সপক্ষে ভোটদান কৰে। তাৰ পিছত এই গুৰুত্বপূৰ্ণ সিদ্ধান্ত লোৱা হয়। কিন্তু অৰ্থনৈতিক মহলে এই পদক্ষেপ অনিবাৰ্য আছিল বুলি মন্তব্য কৰিছে। দেশৰ জিডিপি বৃদ্ধিৰ হাৰ ত্বৰান্বিত কৰিবলৈ সুদৰ হাৰ হ্ৰাস কৰাৰ বাহিৰে আন কোনো উপায় নাই বুলি মন্তব্য কৰে বিশ্লেষকসকলে। ফলত এপেক্স বেংকে মুদ্ৰাস্ফীতিৰ চাপ কমোৱাৰ বাবে সুদৰ হাৰ কমাবলৈ সিদ্ধান্ত লয়। উল্লেখ্য যে, সমগ্ৰ বিশ্বতে ক্ৰমাৎ বৃদ্ধি পোৱা আৰ্থিক অস্থিৰতাৰ বাবে বিগত কেইবছৰমানৰ পৰা ৰিজাৰ্ভ বেংকে কেইবাবাৰো ৰেপ’ ৰেট বৃদ্ধি কৰিবলগীয়া হৈছে। ২০২৩ চনৰ ফেব্ৰুৱাৰী মাহৰ পৰা ৰেপ’ৰ হাৰ অপৰিৱৰ্তিত আছিল আৰু দুটা দীঘলীয়া বছৰৰ পিছত এতিয়া এই ৰেপ’ ৰেট হ্ৰাস কৰা হৈছে। এই সিদ্ধান্তই নতুন গাড়ী বা ঘৰৰ ঋণ বা আনকি ব্যক্তিগত ঋণ লোৱা লোকসকলক উপকৃত কৰিব। বিশেষজ্ঞসকলৰ মতে যদি কোনোবাই ৫০ লাখ টকাৰ হোম লোন লয়, তেন্তে ২০ বছৰৰ বাবে ৮.৫ শতাংশ সুদৰ হাৰত মাহিলী ইএমআই হ’ব ৪৩,০৫৯ টকা। কিন্তু ৰেপ’ ৰেটৰ হ্ৰাসৰ পিছত ইএমআই ৪২,৪৫২ টকালৈ হ্ৰাস কৰা হ’ব। অৰ্থাৎ প্ৰতিমাহে ৬০৭ টকা আৰু বছৰি ৭,২৮৪ টকা ৰাহি সম্ভৱ হ’ব। বিত্ত মন্ত্ৰালয়ে বাজেটত আয়কৰ বৃহৎ কৰ্তনৰ কথা ঘোষণা কৰাৰ পিছতে ৰেপ’ ৰেট কৰ্তনৰ সিদ্ধান্ত লোৱা হৈছে। ইয়াৰ ফলত শ্বেয়াৰ বজাৰতো ইতিবাচক প্ৰভাৱ পৰিব বুলি আশা কৰা হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অশ্বডিম্বত পৰিণত হ’ল এপিএছচি

শিৰ ফুলাই অসম লোকসেৱা আয়োগৰ চাকৰি কেলেংকাৰীৰ তদন্ত প্ৰসংগ উল্লেখ কৰে বিজেপি নেতাই। কিন্তু অসমৰ বিজেপিৰ চৰকাৰৰ চৰম অনীহাৰ বাবেই বক্ৰ পথেৰে চাকৰি লাভ কৰি নিলম্বিত এচিএছ-এপিএছে পুনৰ চাকৰিত যোগদানৰ বাট মুকলি হৈছে। আজি ২১ নিলম্বিত এচিএছ আৰু এপিএছৰ নিলম্বন বাতিল আৰু বিভাগীয় তদন্ত স্থগিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে উচ্চ ন্যায়ালয়ে। সঠিক সময়ত উত্তৰ নোপোৱাত নিলম্বনত স্থগিতাদেশ দিয়াৰ লগতে চৰকাৰৰ পৰা গা এৰা মনোভাৱৰ বাবেই চাকৰি উভতাই পাবলৈ সক্ষম হ’ব। বক্ৰ পথেৰে চাকৰি লোৱাৰ প্ৰমাণিত হৈ নিলম্বিত ২১গৰাকী এচিএছ-এপিএছে চাকৰিত পুনৰ মকৰলৰ বাট প্ৰশস্ত হ’ল। নিলম্বিত এচিএছ আৰু এপিএছসকলে উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। উচ্চ ন্যায়ালয়ত আজি শুনানি অনুষ্ঠিত হয়। শুনানিত নিলম্বন প্ৰত্যাহাৰ কৰাৰ লগতে তদন্ত স্থগিত কৰিবলৈ নিৰ্দেশ দিছে ন্যায়ালয়ে। ন্যায়ালয়ে বিচাৰিৰ দৰে সময়ত মতে, অসম চৰকাৰে নিলম্বনৰ কাৰণ দৰ্শাই উত্তৰ দিব নোৱাৰাত ৰাজপত্ৰিত বিষয়াসকলৰ নিলম্বন বাতিল কৰে। ইমানে নহয় চৰকাৰৰ অহমিকাৰ বাবে ৰাজপত্ৰিত বিষয়াসকলৰ বিৰুদ্ধে বিভাগে কৰি থকা তদন্তত স্থগিতাদেশ জাৰি কৰিছে। চৰকাৰৰ অৱহেলাৰ বাবেই এতিয়া বক্ৰ পথেৰে চাকৰি লাভ কৰাসকল চৰকাৰত উঠি-ৰজা, বহি ৰজা হোৱাৰ পথ প্ৰশস্ত হ’ল। হিমন্ত বিশ্ব শৰ্মা চৰকাৰে দুৰ্নীতিৰ তদন্ত নিকা হোৱাৰ কথা আওৰাই চৰকাৰ যে শূন্যসহনশীল নীতিৰে চলে সেই কথা প্ৰমাণিত কৰিবলৈ প্ৰয়াসৰ সময়তে এয়া এক বৃহৎ মুখথেকেচা। চৰকাৰে জানি বুজি উত্তৰ দিয়াত বিলম্ব কৰা বুলি প্ৰশ্ন উত্থাপন হৈছে। এইসকল বিষয়াৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ কৰিবলৈ চৰকাৰৰ ইচ্ছাক লৈও প্ৰশ্ন উদয় হৈছে। যোগ্যজনক বঞ্চিত কৰি বক্ৰপথেৰে ধন দি চাকৰি লোৱা এঅইসকল বিষয়াৰ বিৰুদ্ধে চৰকাৰে ন্যায়ালয়ত যিধৰণে তৎপৰ হ’ব লাগিছিল তেনেধৰণে তৎপৰ নোহোৱাৰ ফলতেই পুনৰ চাকৰি লাভ কৰিব বুলি অভিযোগ উঠিছে। দুৰ্নীতি, ভ্ৰষ্টাচাৰৰ বিৰুদ্ধে শূন্যসহনশীল হোৱাৰ দাবী কৰা হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ অনীহাৰ বাবে বক্ৰ পথেৰে চাকৰি লৈ চাকৰিৰ পৰা নিলম্বিত হোৱা ৰাজপত্ৰিত বিষয়াই চাকৰিত যোগদানৰ সুবিধা লাভ কৰাৰ পিছতে অসম লোকসেৱা আয়োগৰ নিযুক্তি কেলেংকাৰীৰ তদন্তৰ নামত প্ৰহসন হোৱাৰো অভিযোগ উঠিছে। নিযুক্তি কেলেংকাৰীৰ তদন্ত যে ৰাজ্য চৰকাৰৰ সদিচ্ছাৰ অভাৱ সেয়া স্পষ্ট হৈছে। অসম লোক সেৱা আয়োগত বক্ৰ পথেৰে চাকৰিত লোৱা ২১ বিষয়াক ২০২৩ চনৰ ডিচেম্বৰত নিলম্বন কৰিছিল চৰকাৰে। ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগে প্ৰতিবেদন দাখিলৰ প্ৰায় ডেৰ বছৰৰ পাছত চৰকাৰে ৩ বিষয়াক গ্ৰেপ্তাৰৰ লগতে ২১ বিষয়াক চাকৰিৰ পৰা নিলম্বন কৰিছিল। ৪ এচিএছ, ১১ এপিএছ আৰু ৬ সংলগ্ন সেৱাৰ বিষয়াক চাকৰিৰ পৰা নিলম্বন কৰা হৈছিল। দীপাংকৰ দত্ত লহকৰ, নৱনীতা শৰ্মা, কল্যাণ কুমাৰ দাস, ফাৰুক আহমেদ, কুলপ্ৰদীপ ভট্টাচাৰ্য, নীলাঞ্জল গগৈ, নিতুমণি দাস, পুস্কল গগৈ, সুকন্যা দাস, ৰুমী তিমুংপি, অমিতৰাজ চৌধুৰী, অসীমা কলিতা, ৰাকেশ দাস, অনলজ্যোতি দাস, ঋতুৰাজ দলে, জগদীশ ব্ৰহ্ম, হিতেশ মজুমদাৰ, সৌৰভ কুমাৰ ভট্টাচাৰ্য, নন্দিনী কাকতি, নন্দিতা হাজৰিকা, সৌৰভপ্ৰাণ শৰ্মা (আবকাৰী পৰিদৰ্শক), বৰকিৰি তেৰাং (কৰ পৰিদৰ্শক), জয়ন্ত দলে (কৰ পৰিদৰ্শক), প্ৰিয়ংকা ডেকা (কৰ পৰিদৰ্শক), বিকাশ শৰ্মা (সহকাৰী সমবায় পঞ্জীয়ক), চক্ৰধৰ ডেকা (সহকাৰী সমবায় পঞ্জীয়ক), গীতাৰ্থ বৰুৱাৰ (সহঃ নিয়োগ বিষয়া) বিৰুদ্ধে এছআইটিয়ে তদন্ত কৰিছিল।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# লাভলীনা, অংকুশিতাৰ স্বৰ্ণ পদক

পিছত সিটো সাফল্য লাভ কৰিছে অসমে। অসমৰ চাৰিগৰাকী বক্সাৰে পদক লাভ কৰাৰ লগতে দুটা স্বৰ্ণ পদক আৰু দুটা ৰূপৰ পদক লাভ কৰে। এই প্ৰতিযোগিতাত অলিম্পিক ব্ৰঞ্জৰ পদক বিজয়ী লাভলীনা বৰগোঁহাই আৰু জুনিয়ৰ বিশ্ব চেম্পিয়ন অংকুশিতা বড়োৱে স্বৰ্ণ পদক লাভ কৰাৰ বিপৰীতে শিৱ থাপা আৰু অভিনৱ শইকীয়াই ৰূপৰ পদক লাভ কৰে। লাভলীনা বৰগোঁহাইয়ে ৭৫ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰে। ফাইনেলত তেওঁ হিমাচল প্ৰদেশৰ প্ৰতিদ্বন্দ্বীক পৰাস্ত কৰি স্বৰ্ণ নিশ্চিত কৰে। ইয়াৰ পূৰ্বে ছেমি ফাইনেলত নাগালেণ্ডৰ প্ৰতিযোগীক পৰাস্ত কৰি চূড়ান্ত পৰ্যায়ত প্ৰৱেশ কৰিছিল লাভলীনাই। উল্লেখ্য যে, ২০২২ চনৰ গুজৰাট নেশ্যনেল গেমছতো একেটা শাখাতে স্বৰ্ণ পদক লাভ কৰিছিল অসম কন্যাগৰাকীয়ে। ইফালে, অংকুশিতা বড়োৱে ৬৬ কেজি শাখাত স্বৰ্ণ পদক লাভ কৰিছে। একেৰাহে তৃতীয়বাৰৰ বাবে নেশ্যনেল গেমছত স্বৰ্ণ পদক লাভ কৰিছে অংকুশিতাই। অন্যহাতে অৰ্জুন বঁটা বিজয়ী শিৱ থাপাই ৬৩.৫ কেজি শাখাত ফাইনেলত পৰাস্ত হৈ ৰূপৰ পদক লাভ কৰে। তেওঁ চাৰ্ভিছেছ দলৰ বক্সাৰৰ বিৰুদ্ধে প্ৰতিযোগিতাত অংশগ্ৰহণ কৰিছিল। ইয়াৰ পূৰ্বে গুজৰাটত অনুষ্ঠিত হোৱা নেশ্যনেল গেমছতো ব্ৰঞ্জৰ পদক লাভ কৰিছিল শিৱই। তদুপৰি চলিত নেশ্যনেল গেমছত অভিনৱ শইকীয়াই ফাইনেলত প্ৰৱেশ কৰি ৰূপৰ পদক লাভ কৰিছে। ৩৮ সংখ্যক নেশ্যনেল গেমছত অসমীয়া বক্সাৰৰ এই সাফল্য ৰাজ্যৰ ক্ৰীড়া খণ্ডৰ বাবে এক উল্লেখযোগ্য কৃতিত্ব হিচাপে বিবেচিত হৈছে। উত্তৰাখণ্ডত অনুষ্ঠিত নেশ্যনেল গেমছত অসমৰ খেলুৱৈৰ সাফল্যই সমগ্ৰ ৰাজ্যবাসীক গৌৰৱান্বিত কৰিছে।

Nucleomed-পেটিচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কেজৰিৱালৰ ঘৰত দুৰ্নীতি নিবাৰকৰ

ভোটগণনালৈ মাত্ৰ আৰু কেইটামান ঘণ্টা বাকী। কিন্তু তাৰ পূৰ্বে দেশৰ ৰাজধানীত আৰম্ভ হৈছে ৰাজনৈতিক নাটকৰ এক নতুন অধ্যায়। বিধায়ক কিনা-বেচাৰ অভিযোগৰ মাজতে শুকুৰবাৰে বিয়লি দুৰ্নীতি নিবাৰক ব্যুৰ'ৰ এটা দলে আম আদমী পাৰ্টিৰ মুৰব্বী তথা প্ৰাক্তন মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ বাসগৃহত উপস্থিত হৈ তেওঁক সোধা-পোছা কৰে। অৱশ্যে তেওঁলোকক ঘৰত প্ৰৱেশ কৰিবলৈ দিয়া হোৱা নাছিল। কেইবা ঘণ্টা ধৰি উত্তেজনাৰ অন্তত অৱশেষত কোনো ধৰণৰ জেৰা নকৰাকৈয়ে তদন্তকাৰী দলটো উভতি আহিবলগীয়া হয়। পিছত এচিবিয়ে কেজৰিৱাললৈ আইনী জাননী প্ৰেৰণ কৰে। এচিবিৰ দল কেজৰিৱালৰ বাসগৃহত উপস্থিত হোৱাক লৈ তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে কেজৰিৱালৰ অধিবক্তাই। তেওঁ কয় যে এচিবিৰ হাতত কোনো বৈধ নথি নাই যিয়ে প্ৰমাণ কৰিব পাৰে যে তেওঁলোকে অৰবিন্দ কেজৰিৱালক প্ৰশ্ন কৰিব পাৰে। তেওঁ দাবী কৰে, "এই তদন্তকাৰীসকল কোনো নথি-পত্ৰ নোহোৱাকৈয়ে ইয়ালৈ আহিছে। আমি মাত্ৰ জানিব বিচাৰো যে তেওঁলোকে কাৰ নিৰ্দেশনাত ইয়ালৈ আহিছে আৰু কি ভিত্তিত তেওঁলোকে কেজৰিৱালৰ তদন্ত কৰিব বিচাৰে।" তেওঁ লগতে কয় যে কোনো নথি-পত্ৰ অবিহনে কাৰোবাৰ ব্যক্তিগত সম্পত্তিত প্ৰৱেশ কৰাটো বেআইনী। আনহাতে, আম আদমী পাৰ্টিৰ সাংসদ সঞ্জয় সিঙে অভিযোগ কৰে যে আপৰ ১৬ জনতকৈ অধিক বিধায়কক দলত্যাগ কৰাবলৈ চেষ্টা চলোৱা হৈছে। সিঙে কয়, "আমি এটা ফোন নম্বৰ প্ৰকাশ কৰিছো, যিটো এই ষড়যন্ত্ৰৰ লগত জড়িত। আমি এচিবিৰ কাৰ্যালয়লৈ গৈ আনুষ্ঠানিক অভিযোগ দাখিল কৰিম।" তেওঁ দাবী কৰে যে এচিবিয়ে তদন্তৰ পৰিৱৰ্তে ৰাজনৈতিক নাটক খেলিছে। তদন্ত অব্যাহত থাকিলে সকলো স্পষ্ট হৈ পৰিব। সঞ্জয় সিঙে কয়, "বিজেপিৰ এজেণ্টৰ যদি সাহস আছে তেন্তে আমি প্ৰকাশ কৰা নম্বৰটোৰ বিৰুদ্ধে ব্যৱস্থা লওক।' একে সময়তে অৰবিন্দ কেজৰিৱালৰ অধিবক্তা হৃষিকেশ কুমাৰেও দাবী কৰে যে এচিবিৰ ভূমিকা অবৈধ। তেওঁ কয়, "যদি কোনো তদন্তকাৰী সংস্থা, সেয়া আৰক্ষী হওক বা এচিবি, কাৰোবাৰ ঘৰত প্ৰৱেশ কৰিব বিচাৰে, তেন্তে তেওঁলোকৰ বাবে লিখিত অনুমতি থকাটো বাধ্যতামূলক। অন্যথা ইয়াক আইনৰ অধীনত অপৰাধ বুলি গণ্য কৰা হ'ব।" লগতে তেওঁ কয় যে যদি কোনোবাই লিখিত অনুমতি অবিহনে আন কাৰোবাৰ ব্যক্তিগত সম্পত্তিত প্ৰৱেশ কৰে তেন্তে সেয়া ট্ৰেছপাছিঙৰ অভিযোগত পৰিব। ইফালে, কোনো ধৰণৰ জেৰা নকৰাকৈয়ে তদন্তকাৰী দলটো উভতি অহাৰ পিছতে এচিবিয়ে কেজৰিৱাললৈ আইনী জাননী প্ৰেৰণ কৰে। এই জাননীত তদন্তত সহযোগিতা কৰাৰ নিৰ্দেশ দিয়া হৈছে। আপৰ আইনী কোষে এই জাননীক ভিত্তিহীন বুলি অভিহিত কৰিছে। তেওঁলোকে কয়, "জাননীখনত কোনো চৰকাৰী ডাকটিকট নাই, ইয়াত খচৰা ৰূপত প্ৰস্তুত কৰা হৈছে।" আপৰ দাবী, "জাননীখনত কেজৰিৱালৰ টুইটৰ কথা উল্লেখ আছে, যিটো তদন্তৰ মূল ভিত্তি হ'ব নোৱাৰে।" দলটোৰ আইনী কোষৰ মুৰব্বী সঞ্জীৱ নাছিৰে কয় যে আমি তদন্তত সকলো প্ৰকাৰে সহযোগ কৰিম। অন্যহাতে, নিৰ্বাচনৰ ফলাফলৰ পূৰ্বে অৰবিন্দ কেজৰিৱালে বিজেপিৰ বিৰুদ্ধে অভিযোগ উত্থাপনৰ পিছত প্ৰত্যুত্তৰ দিছে বিজেপিয়েও। এই সন্দৰ্ভত বিজেপিয়ে দিল্লীৰ উপ-ৰাজ্যপালৰ ওচৰত অভিযোগ দাখিল কৰিছিল আৰু সেই অভিযোগৰ ভিত্তিতে এচিবিৰ হাতত তদন্তৰ দায়িত্ব অৰ্পণ কৰিছিল উপ-ৰাজ্যপালে। সেই তদন্তৰ অংশ হিচাপে এচিবিৰ দলটো কেজৰিৱালৰ বাসগৃহত উপস্থিত হয় যদিও কেজৰিৱালৰ জেৰা অবিহনেই উভতি আহিবলগীয়া হয়। ইফালে, প্ৰাৰ্থী কিনা বেচাৰ অভিযোগক লৈ উত্তাল হৈ পৰিছে দিল্লীৰ ৰাজনীতি। বিধানসভা নিৰ্বাচনৰ ফলাফল ঘোষণাৰ পূৰ্বে বিজেপিৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে আম আদমী পাৰ্টিৰ মুৰব্বী অৰবিন্দ কেজৰিৱালে। তেওঁ দাবী কৰে যে বিজেপিয়ে আপৰ 'সম্ভাব্য বিজয়ী'ক ১৫ কোটি টকাৰ লালসা প্ৰদান কৰিছে আৰু দল সলনি কৰিলে মন্ত্ৰিত্ব প্ৰদানৰো প্ৰলোভন দিছে। আপৰ মুৰব্বীৰ এই অভিযোগৰ পিছতে উত্তপ্ত হৈ পৰিছে ৰাজনৈতিক পৰিস্থিতি। আপৰ এই অভিযোগ খাৰিজ কৰি বিজেপিয়ে দাবী কৰে যে পৰাজয়ৰ ভয়ত এনে ভিত্তিহীন অভিযোগ উত্থাপন কৰিছে আম আদমী পাৰ্টিয়ে। ইফালে, বিজেপিৰ অভিযোগৰ ভিত্তিত ইতিমধ্যে কেজৰিৱালৰ বিৰুদ্ধে তদন্তৰ অনুমোদন জনাইছে দিল্লীৰ উপ ৰাজ্যপাল ভি কে ছাক্সেনাই। উল্লেখ্য যে, বৃহস্পতিবাৰে এখন সংবাদমেলত কেজৰিৱালে অভিযোগ কৰে যে বিজেপিয়ে তেওঁৰ দলৰ ১৬জন প্ৰাৰ্থীৰ সৈতে যোগাযোগ কৰি ১৫ কোটি টকা আৰু মন্ত্ৰী পদ প্ৰদানৰ প্ৰস্তাৱ দিছিল। তেওঁ কয়, "বিজেপিয়ে ভোটগণনাৰ পূৰ্বে আমাৰ দলৰ মাজত বিভাজন আনিবলৈ চেষ্টা কৰিছে। এয়া গণতন্ত্ৰৰ ওপৰত প্ৰত্যক্ষ আক্ৰমণ।" কেৱল কেজৰিৱালেই নহয়, আপৰ আন আন নেতাসকলেও বিজেপিৰ বিৰুদ্ধে ছ'চিয়েল মিডিয়াত একে অভিযোগ উত্থাপন কৰিছে।অৱশ্যে এই অভিযোগ সম্পূৰ্ণৰূপে অস্বীকাৰ কৰিছে বিজেপিয়ে। দিল্লী বিজেপিৰ সভাপতি বীৰেন্দ্ৰ সচদেৱে কয়, "আমি নিৰপেক্ষ সংখ্যাগৰিষ্ঠতা পাবলৈ গৈ আছোঁ, আন কাৰো সহায়ৰ প্ৰয়োজন নাই।" এনে পৰিস্থিতিত দিল্লীৰ উপ ৰাজ্যপালে তদন্তত অনুমোদন জনাই কয়, "নিৰ্বাচনৰ ফলাফল ঘোষণা হোৱাৰ পূৰ্বে এনে অভিযোগৰ তদন্ত হোৱা উচিত। সংশ্লিষ্ট কৰ্তৃপক্ষই বিষয়টো চাব লাগে।" বুধবাৰে দিল্লীৰ ৭০টা সমষ্টিত অনুষ্ঠিত হোৱা বিধানসভা নিৰ্বাচনত ভোটদানৰ হাৰ আছিল ৬০.৪২ শতাংশ। শনিবাৰে দিল্লী কাৰ সেয়া স্পষ্ট হ'ব। কিন্তু তাৰ পূৰ্বে প্ৰকাশ পোৱা অধিকাংশ এগজিট পলে দিল্লীত এইবাৰ ক্ষমতা পৰিৱৰ্তনৰ ইংগিত প্ৰদান কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বাংলাদেশী বিতাড়নক লৈ পুনৰ সৰৱ

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে অবৈধ ভাৰতীয় অনুপ্ৰৱেশকাৰীক ক্ষীপ্ৰতাৰে নিজৰ দেশলৈ ঘূৰাই পঠিয়াব পাৰে, তেন্তে বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ প্ৰত্যাৰ্পণত ভাৰত চৰকাৰৰ অসুবিধা ক'ত? অসমৰ ট্ৰেনজিট কেম্পত বন্দী হৈ থকা ৬৩জন বাংলাদেশী নাগৰিকক প্ৰত্যাৰ্পণ সন্দৰ্ভত শুকুৰবাৰে এই প্ৰশ্ন উত্থাপন কৰে উচ্চতম ন্যায়ালয়ে। ন্যায়াধীশ এ এছ ওকা আৰু উজ্জল ভূঞাৰ বিচাৰপীঠে কেন্দ্ৰ আৰু অসম চৰকাৰক আটকাধীন বাংলাদেশীসকলক দুসপ্তাহৰ ভিতৰত স্বদেশলৈ প্ৰত্যাৰ্পণৰ বাবে প্ৰয়োজনীয় পদক্ষেপ ল'বলৈ নিৰ্দেশ দিয়ে। আদালতে কয়, "যদি ট্ৰাম্প প্ৰশাসনে অবৈধ অনুপ্ৰৱেশকাৰীৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা ল'ব পাৰে, তেন্তে মোদী চৰকাৰৰ সমস্যা কি? ২০০৯ চনত কেন্দ্ৰীয় চৰকাৰে জাৰি কৰা এক অধিসূচনা অনুসৰি ৩০ দিনৰ ভিতৰত পৰিচয় পৰীক্ষণ আৰু প্ৰত্যাৰ্পণ প্ৰক্ৰিয়া সম্পূৰ্ণ হোৱাৰ কথা আছিল। কিন্তু সেয়া নহ'ল, বৰঞ্চ তেওঁলোকক বছৰ বছৰ ধৰি বন্দী কৰি ৰখা হ'ল।" উল্লেখ্য যে, অসমৰ ট্ৰেনজিট কেম্পত বন্দী হৈ থকা ৬৩ জন অবৈধ নাগৰিকক চৰকাৰে বাংলাদেশী বুলি চিনাক্ত কৰিছে যদিও তেওঁলোক প্ৰকৃততে কোনখন দেশৰ নাগৰিক সেই সম্পৰ্কে কোনো তথ্য প্ৰদান কৰিবলৈ সক্ষম হোৱা নাই। ইফালে ঢাকাইও অস্বীকাৰ কৰিছে আটকাধীন সকলৰ নাগৰিকত্ব। কেন্দ্ৰীয় চৰকাৰে আদালতত কয় যে বন্দীসকলৰ সঠিক ঠিকনা জানিব পৰা হোৱা নাই। কিন্তু উচ্চতম ন্যায়ালয়ে কয়, "যদি কোনো লোকক বিদেশী বুলি চিনাক্ত কৰা হয়, তেন্তে তৎক্ষণাত তেওঁলোকক নিজৰ দেশলৈ ঘূৰাই পঠোৱাটো চৰকাৰৰ দায়িত্ব। ঠিকনা নজনাটো কোনো অজুহাত হ'ব নোৱাৰে। সংশ্লিষ্ট দেশৰ ৰাজধানীলৈ ঘূৰাই পঠোৱাৰ ব্যৱস্থা কৰিব লাগিব।" ইফালে শেহতীয়াকৈ আমেৰিকাই অবৈধ ভাৰতীয় অনুপ্ৰৱেশকাৰীক বিতাড়িত কৰিছে। বুধবাৰে অমৃতসৰৰ শ্ৰীগুৰু ৰামদাসজী বিমানবন্দৰত আমেৰিকাৰ সামৰিক চি-১৭ বিমান অৱতৰণ কৰে, য'ত ২৫ গৰাকী মহিলা আৰু ১২ জন শিশুকে ধৰি ১০৪ জন ভাৰতীয় লোক আছিল। অভিযোগ অনুসৰি, তেওঁলোকক হেণ্ডকাফ আৰু শিকলি পিন্ধাই বিমানত ভৰাই অনা হৈছিল। শুকুৰবাৰে বাংলাদেশী অনুপ্ৰৱেশকাৰীৰ গোচৰৰ শুনানিটো উচ্চতম ন্যায়ালয়ে এই বিষয়টো উত্থাপন কৰে।

Nucleomed- পেটচিটি স্কেন / PETCT Scan- 970701223

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ম'হ যুঁজ! ন্যায়ালয়ৰ বিৰুদ্ধে খং উঠিল

যুঁজিবলৈ বাধ্য কৰোৱাৰ পৰম্পৰাসমূহ বিশ্বৰ বিভিন্ন দেশে নিষিদ্ধ কৰিছে। ভাৰতৰ বহু ৰাজ্যৰ লগতে অসমতো বন্যপ্ৰাণীক হিংস্ৰ কৰাই যুঁজুৱাৰ পৰম্পৰা আছে। কিন্তু একাংশ প্ৰকৃতি প্ৰেমিয়ে চৰাইৰ যুঁজ আৰু জন্তুৰ যুঁজৰ বিৰোধ কৰি আহিছে। বিভিন্ন সংস্থা আৰু ব্যক্তি বিশেষ আদালতৰ কাষ চাপি যুক্তি দৰ্শাই যোৱা অবুজ চৰাই আৰু জন্তুক বিশেষ দ্ৰব্য সেৱন কৰি হিংস্ৰ কৰা হয়। তাৰ পিছতে একেই জন্তুৰ সৈতে যুঁজিবলৈ দিয়াৰ ফলত বিভিন্ন সময়ত চৰাই আৰু জন্তুৰ প্ৰাণহানি হৈ আহিছে। যাৰ বাবে এনে চৰাইৰ যুঁজ আৰু জন্তুৰ প্ৰাণঘাটি যুঁজ সমূহ সম্পূৰ্ণ ৰূপে বন্ধ কৰি দিব লাগে। ন্যায়ালয়ে দীৰ্ঘ শুনানিৰ অন্তত দেশৰ প্ৰায়ে সংখ্যক এনে যুঁজ বন্ধ কৰি দিছে। অসমতো বিগত কেইবাটাও বছৰ ধৰি ম'হ যুঁজ, বুলবুলি যুঁজ ন্যায়ালয়ৰ নিৰ্দেশত বন্ধ কৰি দিয়া হয়। গুৱাহাটী উচ্চ ন্যায়ালয়ে কঠোৰ নিৰ্দেশ দি এনে যুঁজ নিষিদ্ধ কৰিছে যদিও ম'হ যুঁজ আৰু বুলবুলি যুঁজ পুনৰ আৰম্ভ কৰাৰ দাবী উত্থাপন কৰিবলৈ আৰম্ভ কৰিছে বিজেপিৰ নেতাই। বিজেপিৰ নেতা তথা দিছপুৰৰ বহু বিতৰ্কিত বিধায়ক অতুল বৰাই ন্যায়ালয়ৰ নিৰ্দেশত নাৰাজ হৈ অসমীয়াৰ পৰম্পৰা বৰ্তাই ৰাখিবলৈ মতামত প্ৰকাশ কৰিছে। ন্যায়ালয়ৰ ৰায়ৰ বিৰুদ্ধে নাৰাজ দিছপুৰীয়া বিধায়ক অতুল বৰা বুলবুলি যুঁজ আৰু ম'হ যুঁজ পুনৰ আৰম্ভ কৰাৰ দাবী জনাইছে।। ন্যায়ালয়ে বুলবুলি যুঁজ আৰু ম'হ যুঁজত নিষেধাজ্ঞা আৰোপ কৰাত নাৰাজ বিধায়ক অতুল বৰাই ন্যায়ালয়ৰ ৰায়ক লৈ কেইবাটাও প্ৰশ্ন উত্থাপন কৰে। বুলবুলি যুঁজ আৰু মহযুঁজক মল্লযুঁজাৰুৰ সৈতে তুলনা কৰে বিধয়গৰাকীয়ে। বিধায়কগৰাকীৰ যুক্তি মতে, মল্লযুঁজত মানুহ মৰে। কিন্তু মল্লযুঁজ ন্যায়ালয়ে বন্ধ কৰা নাই। বক্সিঙত মানুহ মৰে, ন্যায়ালয়ে বক্সিং বন্ধ কৰা নাই। অসমীয়াৰ স্বাভিমান বুলবুলি যুঁজ আৰু মহযুঁজ পুনৰ আৰম্ভ কৰিব লাগে বুলি কয় দিছপুৰীয়া বিধায়কগৰাকীয়ে। বিদায়কগৰাকীয়ে বাৰে বাৰে কৈছে অসমৰ পৰম্পৰাৰ সৈতে জড়িত খেল দুবিধ চৰকাৰে বন্ধ কৰা নাই। ন্যায়ালয়েহে বন্ধ কৰিছে। উল্লেখ্য যে, পহিলা মাঘত অসমত প্ৰান্তে প্ৰান্তে অনুষ্ঠিত হয় ম'হ যুঁজ, বুলবুলি যুঁজ। ২০১৭ চনত গুৱাহাটী উচ্চ ন্যায়ালয়ে বুলবুলি আৰু ম'হ যুঁজ নিষিদ্ধ কৰিছিল। ৮ বছৰে মাঘত অসমত অনুষ্ঠিত হোৱা নাছিল ম'হ যুঁজ আৰু বুলবুলি যুঁজ। কিন্তু ২০২৩ চনৰ ২৭ ডিচেম্বৰত অসম চৰকাৰে এছঅ'পি জাৰি কৰি বুলবুলি, ম'হ যুঁজ অনুষ্ঠিত কৰাৰ অনুমতি দিছিল। ২০২৩ চনৰ জানুৱাৰী মাহত মৰিগাঁৱৰ আহতগুৰিত খোদ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ গোনামহৰ যুঁজ প্ৰত্যক্ষ কৰিছিল। আইনগতভাৱে নিষিদ্ধ ম'হ যুঁজ আৰু বুলবুলি যুঁজ অনুষ্ঠিত কৰাৰ বাবে বিশেষ এছঅ'পি উলিয়াই নিৰ্দেশনা জাৰি কৰাত ৮ বছৰৰ মূৰত হাজোৰ হয়গ্ৰীৱ মাধৱ মন্দিৰত অনুষ্ঠিত হৈছিল বুলবুলিৰ যুঁজ। বিগত ১৭ ডিচেম্বৰত পিপল ফৰ দা এথিকেল ট্ৰিটমেণ্ট অফ এনিমেলচ চমুকৈ পেটাই পুনৰ গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কাষ চপাত চৰকাৰৰ সিদ্ধান্তৰ বিৰুদ্ধে কঠোৰ সিদ্ধান্ত লয় আদালতে। 'পেটা'ই দাখিল কৰা আবেদনৰ শুনানি গ্ৰহণ কৰি বিগত বছৰত অসম চৰকাৰে জাৰি কৰা ম'হ যুঁজ আৰু বুলবুলি যুঁজৰ বাবে আজি এছঅ'পি বাতিল কৰে। ২০২৩ চনৰ ২৭ ডিচেম্বৰত অসম চৰকাৰে জাৰি কৰা এছঅ'পি বাতিল কৰে গুৱাহাটী উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ দেৱাশীষ বৰুৱাৰ আদালতে। পেটাই ম'হ আৰু বুলবুলি যুঁজে পশুৰ প্ৰতি নিষ্ঠুৰতা ৰোধ কৰিবলৈ থকা প্ৰতিৰোধ আইন-১৯৬০ উলংঘা আৰু বুলবুলি যুঁজে বন্যপ্ৰাণী সুৰক্ষা আইন-১৯৭২ উলংঘা কৰা বুলি আদালতত যুক্তি দিছিল। পেটা ইণ্ডিয়াই আদালতত দিয়া আবেদনত উল্লেখ কৰিছিল যে আতংকিত আৰু গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ম'হক প্ৰহাৰ কৰি যুঁজিবলৈ বাধ্য কৰোৱা হয়। ভোকত আৰু নিচাগ্ৰস্ত বুলবুলিক খাদ্যৰ বাবে যুঁজিবলৈ বাধ্য কৰা হয়। প্ৰচুৰ জন্তুৰ উৎপীড়ন হয়। কোনো নিমাখিত জন্তুৱে আঘাতৰ যন্ত্ৰণা আৰু সন্ত্ৰাস অনুভৱ কৰি জনসমাগমৰ সন্মুখত ৰক্তক্ষয়ী সংঘৰ্ষত লিপ্ত হ'বলৈ নিবিচাৰে। এছঅ'পিত কেন্দ্ৰীয় আইন আৰু উচ্চতম ন্যায়ালয়ৰ আদেশৰ স্পষ্ট উলংঘন হৈছে। ২০২৩ চনৰ ১৬ জানুৱাৰীত মৰিগাঁও জিলাৰ আঁহতগুৰিত ম'হৰ যুঁজক লৈ কৰা সংগ্ৰহ কৰা তথ্যত প্ৰকাশ পাইছিল যে ম'হক যুঁজিবলৈ প্ৰৰোচিত কৰিবলৈ, মালিকসকলে লাঠিৰে প্ৰহাৰ কৰিছিল। যুঁজত নামিবলৈ প্ৰহাৰ কৰি লাঠিৰে আঘাত কৰিছিল। ইটো ম'হক সিটো ম'হৰ ওচৰলৈ গৈ যুঁজত লিপ্ত হ'বৰ বাবে নাকত পঘাৰ নাকী লগাই টনা হৈছিল। ইমানে নহয়, ম'হৰ মালিকে যুঁজ চলি থকাৰ সময়তে ম'হক লাঠিৰে প্ৰহাৰ কৰি নিয়ন্ত্ৰণ কৰিছিল। ম'হৰ শিঙত ধৰি যুঁজত লিপ্ত কৰোৱা হৈছিল। গলপাতা, কাণ, মুখ আৰু মূৰত ৰক্তক্ষয়ী আঘাত কৰা হৈছিল। যুঁজৰ সময়ত ম'হৰ শিঙ ভাঙি যোৱাৰ কথাও আদালতত উত্থাপন কৰা হৈছিল। ১৫ জানুৱাৰীত অসমৰ হাজোত অনুষ্ঠিত বুলবুলি চৰাইৰ যুঁজৰ সময়ত সংগ্ৰহ কৰা তথ্য মতে বন্যপ্ৰাণী সুৰক্ষা আইন-১৯৭২ৰ অনুসূচী ২ৰ অধীনত সুৰক্ষিত বুলবুলিক প্ৰাকৃতিক প্ৰবৃত্তিৰ বিৰুদ্ধে খাদ্যক লৈ অবৈধভাৱে বন্দী কৰি যুঁজিবলৈ বাধ্য কৰোৱাৰ তথ্য প্ৰকাশ পায়। যুঁজ অনুষ্ঠিত হোৱাৰ দিনটোৰ পূৰ্বে বুলবুলি বন্দী কৰা হয় আৰু এই বন্দীত্ব এক চিকাৰ। বুলবুলিক যুঁজিবলৈ বনৌষধি, কল, জালুক, লং আৰু ডালচেনি ভক্ষণ কৰিবলৈ দিয়া হয়। বুলবুলিক প্ৰায় ৪০ ঘণ্টাৰ পূৰ্বেৰ পৰা ভোকত ৰখা হয়। যুঁজৰ সময়ত ভোকাতুৰ বুলবুলিৰ সন্মুখত কলৰ টুকুৰা ৰাখি পৰম্পৰে পৰম্পৰক আক্ৰমণ কৰিবলৈ বাধ্য কৰোৱা হয়। প্ৰায় ৫ৰ পৰা ৩০ মিনিট ধৰি চলা যুঁজত বুলবুলি ভাগৰুৱা হৈ পৰে আৰু মৃত্যু পৰ্যন্ত হয় বুলি পেটা নামৰ সংস্থাই তথ্য দাখিল কৰিছিল। তাৰ পিছতে আদালতে নিষিদ্ধ কৰিছিল।

# তামুলপুৰত নাৰ্ছিং ইনষ্টিটিউটৰ শিলান্যাস প্ৰমোদ বড়োৰ

**ই-সংবাদ, তামুলপুৰ, ৭ ফেব্ৰুৱাৰীঃ** নিৰ্মীয়মান তামুলপুৰ মেডিকেল কলেজ চৌহদত তামুলপুৰত পেৰা মেডিকেল আৰু নাৰ্ছিং ইনষ্টিটিউটৰ আজি আনুষ্ঠানিকভাৱে শিলান্যাস কৰে বিটিআৰ প্ৰধান প্ৰমোদ বড়োৱে। শিলান্যাস অনুষ্ঠানৰ পিছতেই উপস্থিত ৰাইজক সম্বোধি বিটিআৰ প্ৰধান গৰাকীয়ে কয় তামুলপুৰ জিলা গঠন হোৱাৰ পিছৰে পৰাই জিলাখনৰ ক্ষিপ্ৰ উন্নয়ন হৈছে। জিলা হিচাপে অসম চৰকাৰৰ বহু আঁচনি লাভ কৰা হৈছে। ইউপিপিএল নেতা গণেশ নাথ আৰু অজয় বড়োৱে আঁত ধৰা অনুষ্ঠানত তেওঁ পুনৰ কয় বিটিআৰত পুণৰ ৩ হাজাৰ তৃতীয় আৰু চতুৰ্থ বৰ্গৰ পদত নিযুক্তি হ'ব। মেধাৰ ভিত্তিত নিযুক্তি দিয়া হ'ব তৃতীয় আৰু চতুৰ্থ বৰ্গৰ এই সমূহ পদ । এই ক্ষেত্ৰত কোনেও যাতে এটাও ঘোচ নিদিয়ে তাৰ বাবেও তেওঁ সকলোকে আহ্বান জনায়। তেওঁ কয় ঘোচ দিয়াৰ পৰিৱৰ্তে যুৱক-যুৱতীক পঢ়াৰ বাবে কিতাপ কিনি দিয়ক। নিযুক্তিৰ নামত ঘোচ ললে আটক হ'ব ঘোচ লোৱাজন। উল্লেখযোগ্য যে তামুলপুৰৰ কচুবাৰীত প্ৰায় ৭০ বিঘা ভূমিত নিৰ্মীয়মান তামুলপুৰ চিকিৎসা মহাবিদ্যালয়ৰ চৌহদত আজি ১৮,৭৭,০৪,১৪৭.০০ টকা ব্যয় সাপেক্ষে পেৰামেডিকেল আৰু নাৰ্ছিং প্ৰতিষ্ঠানৰ আধাৰশিলা স্থাপন অনুষ্ঠানৰ শেষত সংবাদ মাধ্যমৰ সতে হোৱা আছুতীয়া সাক্ষাৎকাৰত সাংবাদিকৰ এক প্ৰশ্নৰ উত্তৰত তেওঁ কয় হাগ্ৰামাই টিকটৰ আবেদনৰ নামত ২ লাখ টকা টেঙ্গাৰ বিচাৰিছে। কিন্তু নিৰ্বাচন অহালৈকে তেওঁ প্ৰাৰ্থী বিচাৰি নাপাব। মাতি আনি টিকট প্ৰদান কৰিব লাগিব। কেন্দ্ৰ আৰু ৰাজ্যত ইউপিপিএলে এনডিএ হিচাবে কাম কৰি আছে। কাউন্সিলত বিজেপিৰ লগত মিলি চৰকাৰ চলি আছে। পৰৱৰ্তী নিৰ্বাচনতো এনডিএ হিচাবে কাম কৰিব। গতিকে মিত্ৰতা সম্পৰ্কে ইউপিপিএলে চিন্তা কৰিব লগা নাই। তেওঁ আকৌ কয় হাগ্ৰামা মহিলাৰীৰ মানসিকতাৰে কোনেও চলিব নোৱাৰে। যিসকলে সমাজত থাকি গণতান্ত্ৰিক মূল্যবোধ ৰক্ষা কৰি ৰাজনীতি কৰিব বিচাৰে তেওঁলোকে বিপিএফত থাকিব নোৱাৰে। হাগ্ৰামা মহিলাৰী কেৱল ওৱান মেন আৰ্মী। বিপিএফৰ কেইবাগৰাকী শীৰ্ষ নেতাৰ পদত্যাগ সম্পৰ্কে তেওঁ কয় যে বিটিআৰ অঞ্চলৰ উন্নয়নৰ হকে যিসকলে কাম কৰিব বিচাৰে তেওঁলোকে ইউপিপিএল দলত আহি নীতি-নিয়মেৰে কাম কৰিলে অঞ্চলৰো ভাল হ'ব, ৰাইজৰো ভাল হ'ব। আজিৰ অনুষ্ঠানত বিধায়ক জলেন দৈমাৰী, ইএম ৰনেন্দ্ৰ নাৰ্জাৰী, এমচিএলএ বিজিত গৌৰা নাৰ্জাৰী, পবিত্ৰ কুমাৰ বড়ো, হেমন্ত কুমাৰ ৰাভা আদিকে ধৰি কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# আজিও উদুলি-মুদুলি এৰালতলি পথাৰ

যোৰহাটৰ ম'হবন্ধা এৰালতলি পথাৰলৈ জনস্ৰোত। বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত কালিৰে পৰা অনুষ্ঠিত ৯৪ সংখ্যক অধিৱেশনৰ আজি পুৱা পৰিৱেশ নিকাকৰণৰ পাছতে অস্থায়ী নামঘৰত সমবেত হোৱা ভকত, আইসকলে প্ৰাতঃ প্ৰসংগ আৰু নাম প্ৰসংগ কৰে। প্ৰতিনিধিৰ সভাকক্ষত সংঘৰ ৫৪ খন জিলাৰ সভাপতি, সম্পাদকৰ সন্মিলনৰ পাছতে ১২-৩০ বজাৰ পৰা পদাধিকাৰ তীৰ্থনাথ গোস্বামী সোঁৱৰণী মূল সভাকক্ষত সাহিত্য শাখাৰ সভাপতি জগত চন্দ্ৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভাত অংশগ্ৰহণ কৰি শিক্ষামন্ত্ৰী ডাক্তৰ ৰণোজ পেগুৱে কয়, শ্ৰীমন্ত শংকৰদেৱে মধ্য যুগতে ধৰ্মৰ আন্দোলন কৰিছিল। মানৱৰ পূৰ্ণতা তথা সমাজক শৃংখলিত কৰাৰ উদ্দেশ্যে প্ৰয়োজনীয় সম্পদো দি থৈ গৈছে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। সাহিত্য সৃষ্টিৰে আপুৰুগীয়া সম্পদ দিলে মানৱ সমাজক। অসমীয়া ভাষাই ধ্ৰুপদী ভাষাৰ স্বীকৃতি পোৱাত সকলোৱেই গৌৰৱবোধ কৰিছে। কিন্তু, ভাষাটোৰ স্বীকৃতিৰ বাবে যিমানখিনি তথ্য ভাৰত চৰকাৰক দিবলগীয়া হৈছিল তাৰ অধিক সংখ্যক সমলেই আছিল মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে লেখি থৈ যোৱা ৰচনাসমূহ। সেয়ে শংকৰদেৱৰ প্ৰতি অসমীয়া ৰাইজৰ লগতে অসম চৰকাৰো চিৰদিন কৃতজ্ঞ হৈ থাকিব। শ্ৰীমন্ত শংকৰদেৱক কেৱল অসমতে সীমাবদ্ধ নাৰাখি দেশত তথা বিশ্বত চিনাকি কৰোঁৱাৰ উদ্দেশ্যেই অসম চৰকাৰে দিল্লী বিশ্ববিদ্যালয়, জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয় আৰু পাঞ্জাৱ বিশ্ববিদ্যালয়ত একোখনকৈ আসন শংকৰদেৱৰ নামত প্ৰতিষ্ঠা কৰা হৈছে। তদুপৰি, পশ্চিমবংগৰ শান্তি নিকেতনতো এখন আসন প্ৰতিষ্ঠাৰ বাবে ব্যৱস্থা কৰা হ'ব। অসম চৰকাৰে প্ৰতিখন আসনতে দহ কোটিকৈ টকা ব্যয় কৰিবলৈ পৰিকল্পনা কৰিছে। এই আসনসমূহৰ জৰিয়তে শ্ৰীমন্ত শংকৰদেৱৰ ৰচনাৰাজি গৱেষণা কৰি সমগ্ৰ বিশ্বতে প্ৰচাৰ-প্ৰসাৰ কৰাৰ পৰিকল্পনা কৰিছে অসম চৰকাৰে। তদুপৰি শ্ৰীমন্ত শংকৰদেৱ সংঘ প্ৰশংসাৰ যোগ্য এইবাবেই যে, সংঘই নিজস্বভাৱে গুৰুজনাৰ নামত বিশ্ববিদ্যালয় প্ৰতিষ্ঠা কৰি সংঘই ১৩ টা বিভাগ পৰিচালনা কৰি আছে। চৰকাৰেও এই বিশ্ববিদ্যালয়খন পৰিচালনাৰ বাবে সংঘৰ লগত থাকিব। শংকৰদেৱে লেখা ৰচনাসমূহৰ অনুদিত ৰচনাৱলী বৰ্তমানলৈকে প্ৰকাশ পোৱা নাই। তেনে কাম কৰিলে শিক্ষামন্ত্ৰী হিচাপে সহায়-সহযোগ কৰা হ'ব। কিয়নো অসম চৰকাৰে চলিত বৰ্ষটো গ্ৰন্থ বৰ্ষৰূপে পালনৰ পৰিকল্পনা কৰিছে। গ্ৰন্থৰ পৃথিৱীখনত বিচৰণ নকৰিলে বৌদ্ধিকভাৱে অসমীয়া জাতিটোৰ মৃত্যু হ'ব। বৌদ্ধিক, আধ্যাত্মিক আন্দোলনত সকলোৱেই অংশ লোৱাৰ লগতে শ্ৰীমন্ত শংকৰদেৱ সংঘইও গ্ৰন্থৰ বৰ্ষ আন্দোলনটোত উদ্যোগ লোৱা উচিত বুলি শিক্ষামন্ত্ৰীগৰাকীয়ে বক্তব্যত উল্লেখ কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক ডক্টৰ অশোক কুমাৰ বৰাই উদ্বোধন কৰা সভাখনত নিৰ্দিষ্ট বক্তাৰূপে ভাষণ আগবঢ়ায় ছয়দুৱাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ডক্টৰ অঞ্জন কুমাৰ ওজাই। সংঘৰ যোৰহাট জিলা সংস্কৃতি শাখাৰ শিল্পীসকলে সমূহীয়াকৈ পৰিৱেশন কৰা বৰগীত পৰিৱেশনৰে আৰম্ভ হোৱা সভাখনত বিশিষ্ট অতিথিৰূপে বীৰাংগনা সতী সাধনী বিশ্ববিদ্যালয়ৰ সহযোগী অধ্যাপক ডক্টৰ দেৱভূষণ বৰা, মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদপঞ্জীয়ক ডক্টৰ শৰৎ হাজৰিকাই বক্তব্য আগবঢ়োৱাৰ লগতে সংঘৰ পদাধিকাৰ ডক্টৰ ভবেন্দ্ৰনাথ ডেকা, প্ৰধান সম্পাদক কুশল ঠাকুৰীয়াসহ বিষয়ববীয়াসকল উপস্থিত থাকে। সাহিত্য শাখাৰ সভাপতি জগত চন্দ্ৰ কলিতাই ছপা অভিভাষণ উপস্থিত থকাসকলক প্ৰদান কৰে। তাৰপাছতে বৰগীত পৰিৱেশনৰে আৰম্ভ হোৱা সংস্কৃতি শাখাৰ মুকলি সভাত সভাপতিত্ব কৰে পবিত্ৰপ্ৰাণ বৰাই। তেৰোঁ ছপা অভিভাষণ উপস্থিত থকাসকলক প্ৰদান কৰা সভাখন উদ্বোধন কৰে সংগীত নাটক অকাডেমীৰ বঁটাপ্ৰাপক ৰামকৃষ্ণ তালুকদাৰে। নিৰ্দিষ্ট বক্তাৰূপে তেজপুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন অধ্যাপক ডক্টৰ প্ৰদীপজ্যোতি মহন্তই আৰু বিশিষ্ট অতিথিৰূপে শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন পঞ্জীয়ক ডক্টৰ ৰাতুল চন্দ্ৰ বৰাই ভাষণ আগবঢ়ায়। দুয়োখন সভালৈ ভালেকেইগৰাকী মন্ত্ৰী, বিধায়কক আমন্ত্ৰণ জনাইছিল যদিও উপস্থিত নথকাৰ বিপৰীতে অসম জাতীয় পৰিষদৰ সভাপতি লুৰীণজ্যোতি গগৈ, ঠেঙাল কছাৰী স্বায়ত্ত পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া কুমুদ কছাৰীয়ে অংশগ্ৰহণ কৰে। সন্ধিয়া সমূহীয়া প্ৰাৰ্থনা, নাম-প্ৰসংগৰ পাছতে সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰে গোলাঘাটৰ শংকৰী সংস্কৃতিৰ সাধক অজিত কুমাৰ বৰাই। নাটঘৰত অংকীয়া নাট প্ৰদৰ্শনৰ লগতে প্ৰতিনিধিৰ সভাকক্ষত পদাধিকাৰ ভবেন্দ্ৰনাথ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত প্ৰতিনিধি সভাখন উদ্বোধন কৰে সংঘৰ কেন্দ্ৰীয় পুথিভঁৰাল সমিতিৰ সভাপতি বীৰেন বৰাই। আদৰণী ভাষণ আগবঢ়ায় অসম চৰকাৰৰ বিত্ত, শিশু-মহিলা উন্নয়ন দপ্তৰৰ মন্ত্ৰী, শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংঘৰ ম'হবন্ধা এৰালতলি অধিৱেশনৰ আদৰণী সমিতিৰ কাৰ্যকৰী সভাপতি অজন্তা নেওগে। **আপ্যায়নঃ** আদৰণী সমিতিয়ে অধিৱেশনস্থলীৰ পাঁচ স্থানত ভকত, আই, দৰ্শনাৰ্থীসকলক পিঠা, পকা মিঠৈৰ লগতে চাহ যোগান ধৰিছে। যোৰহাট জিলা ক্ষুদ্ৰ চাহ খেতিয়ক সন্থাৰ বিষয়ববীয়াসকলে প্ৰথমটো বিতৰণ কেন্দ্ৰত চাহ বিতৰণ কৰি আদৰণী সমিতিৰ সৈতে সহযোগিতা আগবঢ়াইছে। অন্যান্য বিতৰণ কেন্দ্ৰসমূহত জিলাখনৰ আঞ্চলিক সমিতিসমূহে দায়িত্ব ৰূপায়ণ কৰিছে। **ভোজনঃ** কালি দিনৰ সাঁজ বোকাখাত জিলাই, নিশাৰ সাঁজ তিতাবৰ জিলাই দিয়াৰ উপৰি আজি দিনৰ সাঁজ গোলাঘাট জিলাই আৰু নিশাৰ সাঁজ মন্ত্ৰী অজন্তা নেওগে প্ৰদান কৰে। কাইলৈ দিনৰ সাঁজ বাহুবলীয়ে আৰু নিশাৰ সাঁজ ডক্টৰ হিমন্ত বিশ্ব শৰ্মাই প্ৰদান কৰিব বুলি আদৰণী সমিতিৰ সূত্ৰত প্ৰকাশ। **ভকত, আই, দৰ্শনাৰ্থী অসুস্থঃ** অধিৱেশনত অংশগ্ৰহণ কৰা ভকত, আইৰ লগতে দৰ্শনাৰ্থীৰূপে উপস্থিত হোৱা বহুগৰাকী লোক আজি অসুস্থ হৈ পৰিছে। পানী কমকৈ খোৱা, ৰ'দত অধিক সময় থিয় হৈ থকা, ধূলিময় পৰিৱেশ, পানীৰ পৰিৱৰ্তন আদিৰ বাবেই এনে হোৱা বুলি চিকিৎসকৰ সূত্ৰত প্ৰকাশ। অধিৱেশনস্থলীতে ১৫ জনীয়াকৈ দুজন চিকিৎসকসহ থকা দলৰ পৰা জানিব পৰা মতে, ইয়াৰ অধিকসংখ্যকেই বয়সস্থ লোক আৰু শিশু। অসুস্থ হোৱা সকলক চিকিৎসা প্ৰদান কৰি কিছু সময় জিৰণি লোৱাৰ পাছতে সুস্থ হৈ পৰিছে। চিকিৎসা সেৱা কেন্দ্ৰত ৮ ঘণ্টাকৈ তিনিটা দলে অধিৱেশনস্থলীত সেৱা আগবঢ়াইছে। ১০৮ যোগে প্ৰতিগৰাকী অসুস্থ হোৱা ব্যক্তিকে চিকিৎসা সেৱা কেন্দ্ৰটোলৈ আনি থকাত এক চিন্তনীয় বিষয় হৈ পৰিছে। **বহিঃ বাণিজ্য, গ্ৰন্থমেলা প্ৰদৰ্শনীত অসংখ্য লোকৰ সমাগমঃ** অধিৱেশনস্থলীৰ বাৰশ বিঘা ভূমিৰ উপৰিও অধিক স্থানত বহিঃ বাণিজ্যই আৱৰি ধৰিছে। তদুপৰি, আদৰণী সমিতিয়ে নিৰ্দিষ্ট কৰা স্থানত আঠশৰো অধিক ষ্টলত গ্ৰন্থ আৰু অন্যান্য ব্যৱসায়-প্ৰতিষ্ঠান, চৰকাৰী-বেচৰকাৰী অনুষ্ঠানে সামগ্ৰী প্ৰদৰ্শন কৰিছে। সভাগৃহৰ বিপৰীতে এই স্থানতে অত্যধিক লোকে পদাৰ্পণ কৰি মনপছন্দৰ সামগ্ৰী ক্ৰয় কৰিছে। গ্ৰন্থৰ বিপণি অন্যান্য মূল্যৱান সা-সামগ্ৰী ক্ৰয় কৰা লোকৰ সংখ্যা আশানুৰূপ নোহোৱা বুলি ব্যৱসায়ীসকলে মন্তব্য কৰিছে। **শ্ৰীমদ্ভাগৱত, কীৰ্তন-ঘোষা, গুণমালাৰ বিক্ৰী সৰ্বাধিকঃ** আদৰণী সমিতিৰ লগতে ৩৮ খন উপ-সমিতিৰ অস্থায়ী কাৰ্যালয় থকা স্থানতে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেন্দ্ৰীয় সমিতিয়ে প্ৰকাশ কৰা গ্ৰন্থসমূহৰ লগতে আদৰণী সমিতিয়ে অসমীয়া, ইংৰাজী, হিন্দী, বড়ো ভাষাত প্ৰকাশ কৰি উলিওৱা ৬০০ৰো অধিক পৃষ্ঠাৰ স্মৃতিগ্ৰন্থ 'বৈকুণ্ঠ কুসুম'খন বিক্ৰী কৰি থকা হৈছে। এই গ্ৰন্থ বিপণিত অত্যধিক বিক্ৰী হোৱা গ্ৰন্থই হ'ল শ্ৰীমদ্ভাগৱত, কীৰ্তন-ঘোষা, গুণমালা। **ঈশ্বৰৰ সৃষ্টি, ধনৰ অভাৱঃ** বহুজন অৰ্থৱান লোক অধিৱেশনস্থলীত উপস্থিত হৈ মন পছন্দৰ সামগ্ৰী ক্ৰয় কৰাৰ লগতে আদৰণী সমিতিয়ে মুক্তভাৱে বিতৰণ কৰা চাহ, পিঠা, মিঠৈ, অন্ন গ্ৰহণ কৰি থকাৰ লগতে আন একাংশই হাতত পাত্ৰ লৈ ভিক্ষা কৰি থকা দৃশ্যই বহুজনক কন্দুৱাইছে। বহুজন দৰিদ্ৰ শিল্পীয়ে বাদ্যযন্ত্ৰ বজাই গীত আদি গাই পেটৰ ভাত মুঠি মুকলোৱাৰ চেষ্টা অব্যাহত ৰাখিছে। ইয়াৰ ভিতৰত অন্ধ আৰু দিব্যাংগ শিল্পীও আছে। এই ক্ষেত্ৰত অধিৱেশনত উপস্থিত অধিক সংখ্যকেই নিৰৱ দৰ্শক। **মনোৰঞ্জনঃ** দিল্লীৰ সংসদ ভৱনৰ আৰ্হিত সজা প্ৰতিনিধিৰ সভাকক্ষ, সমিপতে থকা পুখুৰীটোত সজাই ৰখা বগলী, মাছ, চৌদিয়া নাও, সেৱা বাহিনীৰ শিবিৰ 'বঢ়াৰ পো' সন্মুখত সজাই তোলা দৃশ্যাংশ অসমীয়া লোকৰ গাঁৱৰ পৰিৱেশ, যুৰীয়া জতায়ু পক্ষী আকাৰৰ তোৰণ, শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টি নাটসমূহ প্ৰদৰ্শন, গ্ৰন্থমেলা প্ৰদৰ্শনীস্থলীত সাজি উলিওৱা আইফেল টাৱাৰ, মহাভাৰতৰ যুদ্ধৰ চক্ৰবেহুৰ সৈতে অধিকসংখ্যক লোকেই আলোকচিত্ৰ গ্ৰহণ আৰু চেলফি লোৱাত ব্যস্ত হৈ পৰিছে। চক্ৰবেহুত বহুজন সোমাই আবদ্ধও হৈ পৰিছে। ইফালে, মূল মঞ্চৰ হাজাৰৰো অধিক আসন উকা হৈয়ে আছে যদিও এৰালতলি পথাৰলৈ চাৰিওফালৰ পৰা জনস্ৰোত হৈছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# দলং নিৰ্মাণৰ দাবীত মাজুলীত উত্তাল

দলঙৰ নিৰ্মাণৰ কাম আজি ছটা মাহে বন্ধ হৈ আছে। যাৰ পৰিপ্ৰেক্ষিতত তীব্ৰ প্ৰতিক্ৰিয়া সৃষ্টি হৈছে মাজুলীত। মাজুলী-যোৰহাট সংযোগী দলঙৰ নিৰ্মাণ কাৰ্য বন্ধ হৈ থকাত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ বিৰুদ্ধে ক্ষোভৰ বহিঃপ্ৰকাশ ঘটিছে মাজুলীত। মাজুলীবাসীৰ শিক্ষা, স্বাস্থ্য আৰু আৰ্থ সামাজিক উন্নয়নৰ লগতে দুইলক্ষাধিক মাজুলীবাসীৰ স্বাৰ্থত নিৰ্মাণ হৈ থকা মাজুলী-যোৰহাট সংযোগী দলং খনৰ ২০২৪ বৰ্ষৰ ছেপ্তেম্বৰ মাহৰ ৫ তাৰিখৰ পৰা বন্ধ হৈ আছে। দলংখনৰ নিৰ্মাণৰ কাম তাৎক্ষণিকভাৱে আৰম্ভ কৰাৰ দাবীত সদৌ মাজুলী জিলা ছাত্ৰ সন্থাৰ উদ্যোগত স্থানীয় ৰাইজ আৰু মাজুলীবাসীৰ সহযোগত আজি দক্ষিণপাট, দলং নিৰ্মান স্থলীত পুৱা ১১বজাৰৰ পৰা মানৱ শৃংখল কাৰ্যসূচী ৰূপায়ন কৰি শীঘ্ৰে দলং নিৰ্মাণৰ কাম আৰম্ভ কৰাৰ দাবী জনায় প্ৰতিবাদ সাব্যস্ত কৰে। আছু কৰ্মী আৰু ৰাইজে হাতে হাতে বিভিন্ন প্লে-কাৰ্ড লৈ অসম চৰকাৰ হায় হায়, কেন্দ্ৰীয় চৰকাৰ হায় হায়, মাজুলীক লৈ হেতালি খেলা বন্ধ কৰক, শীঘ্ৰে দলং নিৰ্মাণ কৰক, দলং সম্পৰ্কত মিছা প্ৰতিশ্ৰুতি দিয়া বন্ধ কৰক আদি শ্ল'গান দি প্ৰতিবাদস্থলী উত্তাল কৰি তোলে। প্ৰতিবাদস্থলীত সদৌ অসম ছাত্ৰ সন্থাৰ সাংস্কৃতিক সম্পাদক বিতোপন শৰ্মা উপস্থিত থাকি কয়, মাজুলীবাসীৰ শিক্ষা, স্বাস্থ্য আৰু আৰ্থ সামাজিক উন্নয়নৰ স্বাৰ্থত আছুৰ ধাৰাবাহিক আন্দোলনৰ ফলশ্ৰুতিত যোৰহাট-মাজুলী সংযোগী দলংখনৰ কাম কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে আৰম্ভ কৰিলে, কিন্তু পৰিতাপৰ বিষয় যে যোৱা চাৰি ছেপ্টেম্বৰৰ পৰা এই দলংখনৰ কাম বন্ধ হৈ আছে। লগতে কয়, নিৰ্মাণকাৰী প্ৰতিষ্ঠান লক্ষ্ণৌৰ ইউ পি ষ্টেট ব্ৰিজ কৰ্প'ৰেচনে বি আৰ চি নামৰ অসমৰ অন্য এটা কোম্পানীক ছাব কণ্ট্ৰেক্ট হিচাপে কাম কৰিবলৈ দিছিল। নিৰ্মাণকাৰী সংস্থাৰ বাদ-বিবাদৰ বাবেই এই দলংখনৰ নিৰ্মাণকাৰ্য বন্ধ হৈ আছে নে চৰকাৰৰ ৰাজনৈতিক ষড়যন্ত্ৰৰ বাবেই দলংখনৰ নিৰ্মাণৰ কাম বন্ধ হৈ আছে এইটো এতিয়াও স্পষ্ট হোৱা নাই। তেওঁ আৰু কয়, অসমৰ মুখ্যমন্ত্ৰীগৰাকীয়ে বাৰে বাৰে কৈ আছে যোৰহাট-মাজুলী সংযোগী দলংৰ কথা আলোচনা কৰি আছো। আমি আশ্বাস আৰু প্ৰতিশ্ৰুতিত আশ্বস্ত নহওঁ, আমাক দিনবাৰ আৰু তাৰিখ লাগে অসমৰ মুখ্যমন্ত্ৰীয়ে আজি বুকুত হাত থৈ ক'ব পাৰিব লাগে মাজুলী-যোৰহাট সংযোগী দলঙৰ পুনৰ নিৰ্মাণৰ কাম কি তাৰিখৰ পৰা আৰম্ভ হ'ব। লগতে কয়, মুখ্যমন্ত্ৰীৰ কথাত আমি ভোল নাযাওঁ, মাজুলীবাসীক ললিপপ দিয়া দিন এতিয়া নাচলিব, মাজুলীবাসীক লৈ ধেমালি খেলাৰ অধিকাৰ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ নাই। চৰকাৰে দিয়া প্ৰতিশ্ৰুতি অনুসৰি যদি দলঙৰ কাম সম্পূৰ্ণ নকৰে তেন্তে আহিব লগা সকলো পৰিস্থিতিৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ সাজু হৈ থাকিবলৈ সকীয়াই দিওঁ বুলি উল্লেখ কৰে। প্ৰতিবাদস্থলীত মাজুলী জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা সূৰ্য কুমাৰ ভূঞা উপস্থিত থাকি কয়, যোৰহাট মাজুলী সংযোগী দলং মাজুলীবাসীৰ আৱেগ। এই আৱেগক লৈ কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে হেতালি খেলাটো কোনো কাৰণতে সহ্য কৰা নহয়। ২০২১ বৰ্ষত অসমৰ মুখ্যমন্ত্ৰীয়ে মাজুলীত দলঙৰ প্ৰথম খুটাৰ আনুষ্ঠানিক উদ্বোধন কৰি মাজুলীত দিয়া প্ৰতিশ্ৰুতি এতিয়া অশাৰ প্ৰতিপন্ন হ'ব নে কি? যোৰহাট-মাজুলী সংযোগী দলঙক লৈ ৰাজনীতি হৈছে নে কি? মাজুলীবাসীক লৈ ধেমালি কৰা হৈছে নে কি যদি তেনে হৈছে আহিব লগা দিনত মাজুলীবাসী ৰাইজে যোগ্য প্ৰত্যুত্তৰ দিবৰ বাবে প্ৰস্তুত হৈ আছে বুলি মন্তব্য কৰে। উল্লেখযোগ্য যে যোৱা বৰ্ষৰ ৫ ছেপ্টেম্বৰতে দলংখনৰ উপঠিকা লাভ কৰা বিআৰচি কোম্পানীয়ে দলঙৰ নিৰ্মাণৰ কাম এৰি দিয়াৰ পাছতেই ছটা মাহে বন্ধ হৈ আছিল নিৰ্মাণৰ কাম। শেহতীয়াকৈ মূল ঠিকাদাৰী সংস্থা লক্ষ্ণৌৰ ইউ পি ষ্টেট ব্ৰিজ কৰ্প'ৰেচনক কেন্দ্ৰীয় পথ পৰিবহণ মন্ত্ৰী আৰু বিভাগৰ মাজত আলোচনা অনুসৰি দলংৰ দায়িত্বৰ পৰা অব্যাহতি দিয়া হৈছিল আৰু দলংখনৰ বাবে পুনৰ নিবিদা জৰুৰী হৈ পৰিছিল। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই দলং খনৰ পুনৰ নিবিদা কাম জানুৱাৰীত আৰম্ভ হ'ব আৰু এপ্ৰিল মাহৰ পৰাই নিৰ্মাণৰ কাম আৰম্ভ হ'ব বুলি কোৱাৰ পাছতো আজি পৰ্যন্ত নিবিদা প্ৰকাশ নোহোৱাত চিন্তিত হৈ পৰিছে মাজুলীবাসী। প্ৰতিবাদ স্থলীতেই জিলা ছাত্ৰ সন্থাৰ ভাৰপ্ৰাপ্ত সভাপতি প্ৰাঞ্জল শইকীয়া আৰু সাধাৰণ সম্পাদৰ দিপাংকৰ ৰাজখোৱাৰ স্বাক্ষৰ সম্বলিত স্মাৰক পত্ৰ কেন্দ্ৰীয় পথ পৰিবহন মন্ত্ৰী নীতিন গাডকাৰি আৰু অসম চৰকাৰৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মালৈ পৃথকে পৃথকে প্ৰতিবাদ স্থলীত উপস্থিত হোৱা মাজুলী জিলাৰ অতিৰিক্ত আয়ুক্ত ভৰত কোঁৱৰৰ হাতত অৰ্পণ কৰে। ছাত্ৰ সন্থাই স্পষ্টভাৱে দলং নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰৰ স্থিতি স্পষ্ট কৰিবলৈ আহ্বান জনায়। লগতে দলং নিৰ্মাণৰ কাম কেতিয়াৰ পৰা আৰম্ভ হ'ব কেতিয়া শেষ কৰিব দিন তাৰিখ ঘোষণা কৰিবলৈ দাবী জনায়। প্ৰতিবাদ স্থলীত উপস্থিত থাকে আছুৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক ৰংগৰস মহন্ত, জিলা ছাত্ৰ সন্থাৰ উপদেষ্টা অজিত হাজৰিকা, অসম উন্নতি সভাৰ কেন্দ্ৰীয় সম্পাদক দুলাল চন্দ্ৰ ভূঞা, মাজুলী জিলা উন্নতি সভাৰ সভাপতি ড° অৰূপ কুমাৰ বৰা, অসম সেনাৰ সহ আহ্বায়ক দীপক নেওগ, মাজুলী জিলা উন্নতি সভাৰ কৌশিক শইকীয়া, মাজুলী জিলা শিক্ষা কোষৰ সম্পাদক ৰঞ্জিত সেন, সাংবাদিক সন্থাৰ সভাপতি দিবাকৰ শইকীয়া, কোচ-ৰাজবংশী ছাত্ৰ সন্থাৰ সভাপতি আদিত্য দত্ত, সম্পাদক ক্ষীৰোদ বৰা, পেঞ্চনাৰ সন্থাৰ কাৰ্যকৰি সভাপতি সত্যনাথ বৰা, জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ অলিন হাজৰিকা, পবিত্ৰ বৰা, জ্যেষ্ঠ নাগৰিক সন্মিলনীৰ ৰেব বৰা, মাজুলী জিলা সাংবাদিক সন্থা আৰু মাজুলী জিলা আপকুৰ প্ৰতিনিধি উপস্থিত থাকে। উল্লেখ্য যে ২০১৬ চনত সৰ্বানন্দ সোনোৱাল কেন্দ্ৰীয় মন্ত্ৰী হৈ থকাৰ সময়তে আধাৰশিলা স্থাপন হোৱা দলংখনৰ নিৰ্মাণ কাৰ্য্য বহু লোকৰ জীৱনৰ বিনিময় আৰু ৰাইজৰ তীব্ৰ দাবীৰ পৰিপ্ৰেক্ষিতত ২০২১ বৰ্ষত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে আৰম্ভ কৰিছিল যদিও তাৰ মাজত সুদীৰ্ঘ দিন বিভিন্ন ঘটনা-পৰিঘটনাৰ মাজেৰে নিৰ্মাণ কাৰ্য্য কিছু আগবাঢ়িছিল যদিও মাত্ৰ ৩৩% কামৰ অগ্ৰগতিৰ মাজতে ২০২৪ বৰ্ষৰ ছেপ্টেম্বৰ মাহৰ পৰা দলংখনৰ নিৰ্মাণ কাৰ্য্য অনিৰ্দিষ্টকালৰ বাবে বন্ধ হৈ আছে। কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰণালয়ৰ দ্বাৰা প্ৰস্তাৱিত দলংখন ৬৫০.০৭ কোটি টকাৰে নিৰ্মাণৰ বাবে দায়িত্ব লাভ কৰা নিৰ্মাণকাৰী প্ৰতিষ্ঠান লক্ষ্ণৌৰ ইউ পি ষ্টেট ব্ৰিজ কৰ্প'ৰেচনে বি আৰ চি নামৰ অসমৰ অন্য এটা কোম্পানীক ছাব কণ্ট্ৰেক্ট হিচাপে কাম কৰিবলৈ দিছিল। কিন্তু উপ-ঠিকা লাভ কৰা কোম্পানী আৰু মূল ঠিকা লাভ কৰা দুইটা কোম্পানী মাজত হোৱা মনোমালিন্যৰ বাবেই কাম এৰিছিল উপ ঠিকা লাভ কৰা বি আৰ চি নামৰ কোম্পানীটোৱে। যোৱা ২০২৪ বৰ্ষৰ ৫ ছেপ্টেম্বৰৰ পৰা কাম বন্ধ হৈ আছে মাজুলীৰ আশাৰ দলংখন।

# পলাশবাৰীত বিদ্যালয়ৰ নতুন গৃহৰ আধাৰশিলা স্থাপন মুখ্যমন্ত্ৰীৰ

**ই-সংবাদ, মিৰ্জা, ৭ ফেব্ৰুৱাৰীঃ** পূৰ্বৰ পশ্চিম গুৱাহাটীৰ তথা সমষ্টি পুনৰ গঠনৰ পাছত নতুনকৈ জালুকবাৰী বিধানসভা সমষ্টিত অন্তৰ্ভুক্ত হোৱা আজাৰা ৰাজহ চক্ৰ এলেকাৰ আগছিয়াস্থিত পিএ শ্ৰী পলাশবাৰী আঞ্চলিক উচ্চ মাধ্যমিক বিদ্যালয়ত আজি পুৱাৰ ভাগতে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা উপস্থিত হৈ লোক নিৰ্মাণ বিভাগৰ গ্ৰাম্য আন্তঃগাৰ্থনি উন্নয়ন পুঁজিৰে প্ৰায় সাত কোটি টকা ব্যয় সাপেক্ষে নতুনকৈ নিৰ্মাণ হ'বলগীয়া গৃহৰ আধাৰশিলা স্থাপন কৰে। কম সময়ৰ বাবে উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীয়ে আধাৰশিলা স্থাপনৰ পিচতেই সাংবাদিকক সম্বোধন কৰে। বহু প্ৰত্যাশিত গুৱাহাটীৰ ৰিং ৰোডৰ কাম অহা দুমাহৰ ভিতৰত আৰম্ভ হ'ব বুলি কৈ ৰাজ্যত ৫০০ খন উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক ৭-১০ কোটি টকাৰে নতুনকৈ নিৰ্মাণৰ পৰিকল্পনা কৰা হৈছে জানিবলৈ দিয়ে। অসমৰ চৰকাৰী খণ্ডৰ বিদ্যালয়সমূহত নৱ জাগৰণ অনাৰ বাবে চৰকাৰে এই পদক্ষেপ লৈছে আৰু তাৰেই অংশ হিচাপে আজিৰ কাৰ্যসূচী বুলিও কয়। মুখ্যমন্ত্ৰীগৰাকীয়ে ৰাজ্যৰ সৰ্বত্ৰে উন্নয়ন হৈছে বুলি কয়। ইফালে অহা দুটা বছৰৰ ভিতৰত বিদ্যালয়ৰ নতুন গৃহ নিৰ্মাণৰ কাম শেষ হ'ব বুলি সদৰি কৰি সভা আহ্বান নকৰাকৈয়ে দিল্লী অভিমুখে যাত্ৰা কৰাৰ উদ্দেশ্যেৰে বৰঝাৰ বিমানবন্দৰ অভিমুখে মুখ্যমন্ত্ৰীগৰাকী ৰাওনা হয়। উল্লেখ্য যে কম সময়ৰ বাবে উপস্থিত হোৱা মুখ্যমন্ত্ৰীগৰাকীৰ আগমন উপলক্ষে পুৱা ৯ বজাৰ আগতেই বৃহত্তৰ অঞ্চলটোৰ কেবা শতাধিক লোক তেঁওক আদৰিবলৈ উপস্থিত আছিল যদিও সভাত ভাষণ নিদিয়াকৈ তেওঁ গুচি যোৱাত ৰাইজে কিছু অসন্তুষ্টি প্ৰকাশ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# খাম্পাই আজি যোগদান কৰিব

মুখপত্ৰ তথা বিটিচিৰ প্ৰাক্তন উপমুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰীয়ে ধাৰণা কৰা অনুসৰিয়ে ইউপিপিএল দলত যোগদান কৰিব। বিপিএফ দল ত্যাগ কৰাৰ পিছত খাম্পা বৰগয়াৰীয়ে ইউপিপিএল দলত যোগদান কৰিব বুলি ইতিপূৰ্বে চৰ্চিত হৈছিল আৰু কাইলৈ খাম্পা বৰগয়াৰীয়ে আনুষ্ঠানিকভাৱে চিৰাং জিলাৰ থাইকাঝোৰা খেল পথাৰত পাঁচ শতাধিক সমৰ্থকক লৈ ইউপিপিএল দলত যোগদান কৰিব। আজি কোকৰাঝাৰৰ নিজ বাসগৃহত আয়োজিত হোৱা এক সংবাদমেলত খাম্পা বৰগয়াৰীয়ে কয় যে কাইলৈ অৰ্থাৎ শনিবাৰে বিয়লি এক বজাত চিৰাং জিলাৰ থাইকাঝোৰা খেল পথাৰত তেওঁ আনুষ্ঠানিকভাৱে ইউপিপিএল দলত যোগদান কৰিব। বিটিচিৰ মুখ্য কাৰ্যবাহী তথা ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৰ উপস্থিতিত চিৰাং দুৱাৰ পৰিষদীয় সমষ্টিৰ বিপিএফৰ ১১ টা প্ৰাইমাৰী কমিটীৰ সভাপতি আৰু সম্পাদকসহ প্ৰায় ৫০০ সমৰ্থকক লগত লৈ ইউপিপিএল দলত যোগদান কৰিব। সংবাদমেলত খাম্পা বৰগয়াৰীয়ে কয় তেওঁ কাৰো হেঁচাত পৰি নহয়, স্বইচ্ছাৰে বিপিএফ দল ত্যাগ কৰি ইউপিপিএলত যোগদান কৰাৰ সিদ্ধান্ত লৈছে। বিপিএফ দলত যোগাত্মক সিদ্ধান্ত তথা যোগাত্মক চিন্তা ধাৰাৰ অভাৱ আছে বুলি মন্তব্য কৰি বিপিএফ আৰু ইউপিপিএলৰ একত্ৰিতকৰণৰ ক্ষেত্ৰতো বিপিএফ দলৰ ফালৰ পৰা উৎসাহজনক সঁহাৰি পোৱা হোৱা নাছিল বুলি মন্তব্য কৰে। বিটিচিৰ সৰ্বাংগীন উন্নয়নৰ বাবে ইউপিপিএল দলৰ নেতৃত্বৰ্গই যোগাত্মক চিন্তা ধাৰাৰে কাম কৰি আছে আৰু ইয়াতেই আকৃষ্ঠ হৈ ইউপিপিএল দলত যোগদানৰ সিদ্ধান্ত লোৱা বুলি সংবাদমেলত সদৰী কৰিছে খাম্পা বৰগয়াৰীয়ে। উল্লেখ্য যে বিপিএফ দলক মোক্ষম আঘাত হানি যোৱা ২ ফেব্ৰুৱাৰীত খাম্পা বৰগয়াৰীয়ে বিপিএফ দল ত্যাগ কৰিছিল। খাম্পা বৰগয়াৰী বিপিএফ দল ত্যাগ কৰাত চিৰাংত এতিয়া বিপিএফ দল দুভাগত বিভক্ত হৈছে। কাইলৈৰ যোগদান শিৰিৰত খাম্পা বৰগয়াৰীৰ সতে চিৰাং দুৱাৰ পৰিষদীয় সমষ্টিৰ বিপিএফৰ ১১ টা প্ৰাইমাৰী কমিটীৰ কিছুসংখ্যক সভাপতি আৰু সম্পাদকেও আনুষ্ঠানিকভাৱে ইউপিপিএলত যোগদান কৰিব। আনহাতে খাম্পা বৰগয়াৰীয়ে ইউপিপিএল দলত যোগদান কৰাত চিৰাং জিলাৰ কেবাগৰাকী শীৰ্ষস্থানীয় নেতাই নিজৰ ৰাজনৈতিক ভৱিষ্যতক লৈ সন্দিহান হৈ পৰিছে। তেওঁলোকৰ সমষ্টি খাম্পা বৰগয়াৰীয়ে দখল কৰিব নেকি তাকে লৈও সন্দিহান হৈ পৰিছে চিৰাং জিলাৰ শীৰ্ষস্থানীয় নেতাসকলে। প্ৰথমে বিটিচিৰ পৰিষদীয় নিৰ্বাচনত পৰাজয়বৰণ কৰা, তাৰপিছত কোকৰাঝাৰ লোকসভা সমষ্টিৰ নিৰ্বাচনত পৰাজয়বৰণ কৰাৰ পিছতে খাম্পা বৰগয়াৰীয়ে দল সলনি কৰাৰ পৰিকল্পনা কৰে। বিজেপি আৰু ইউপিপিএল দুয়োটা দলৰ সতে আলোচনা হোৱাৰ পিছত ইউপিপিএল দলত গুৰুত্বপূৰ্ণ বাব পোৱাৰ নিশ্চিয়তা পোৱাৰ পিছতে খাম্পা বৰগয়াৰীয়ে ইউপিপিএল দলত যোগদান কৰাৰ সিদ্ধান্ত লয় বুলি বিপিএফৰ একাংশ নেতাই সদৰি কৰিছে। বিপিএফৰ একাংশই সদৰি কৰা মতে খাম্পা বৰগয়াৰীয়ে লোকসভা নিৰ্বাচনত কংগ্ৰেছ দলৰ সতে মিত্ৰতা বিচাৰিছিল আৰু বিপিএফ দলে কংগ্ৰেছৰ সতে মিত্ৰতা নকৰাৰ বাবেই তেওঁৰ পৰাজয়বৰণ হ'ল বুলি বিশ্বাস কৰিছিল। লোকসভা নিৰ্বাচনৰ পিছতে খাম্পা বৰগয়াৰীয়ে দলীয় কামকাজ সীমিত কৰিছিল আৰু অৱশেষত বিপিএফ ত্যাগ কৰি ইউপিপিএল দললৈ ধাৱমান হ'ল।

# কামৰূপৰ আজ্ঞাঠুৰিত গৰু চুৰি কৰি ধৰা পৰিল বৰপেটাৰ পৰা লোকসভা নিৰ্বাচন খেলা আমজাদ আলী

**ই-সংবাদ, শুৱালকুছি, ৭ ফেব্ৰুৱাৰীঃ** গৰু চুৰি কৰিবলৈ আহি ৰাইজৰ হাতত ৰামপিটন খালে বিগত লোকসভা নিৰ্বাচনৰ প্ৰাৰ্থীয়ে। কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত আজ্ঞাঠুৰি গাঁৱত বৃহস্পতিবাৰে পুৱতি নিশা বিলাসী বাহন লৈ গৰু চুৰি কৰিবলৈ অহা চাৰিটা দুৰ্ধৰ্ষ গৰু চোৰক আটক কৰি উত্তম মাধ্যম শোধায় স্থানীয় ৰাইজে। ইয়াৰ পিছতে চোৰ কেইটাক গতাই দিয়া হয় আৰক্ষীৰ হাতত। আন্তঃৰাষ্ট্ৰীয় গৰু চোৰ চক্ৰৰ সদস্য এই দুৰ্ধৰ্ষ চাৰি চোৰৰ মাজতে আছিল ৰাজনীতিৰ সৈতে জড়িত হাউলীৰ বালিভিটাৰ নিৱাসী আমজাদ আলী (৪০)। আৰক্ষীৰ তদন্তত পোহৰলৈ অহা তথ্য অনুসৰি ২০২৪ৰ লোকসভা নিৰ্বাচনত ৩ নং বৰপেটা লোকসভা সমষ্টিৰ প্ৰাৰ্থী আছিল ধৃত গৰু চোৰ আমজাদ আলী। অষ্টম শ্ৰেণী উত্তীৰ্ণ আমজাদে নিৰ্বাচনত ৰিপাব্লিকান পাৰ্টি অৱ ইণ্ডিয়া (আৰপিআই আঠৱাল) দলৰ পৰা প্ৰাৰ্থিত্ব আগবঢ়াই পৰাস্ত হৈছিল। ধৃত চাৰি চোৰে বৃহস্পতিবাৰে পুৱতি নিশা কামৰূপৰ আজ্ঞাঠুৰিত ৪খন বিলাসী বাহনৰ সহায়ত গৰু চুৰি কৰিবলৈ আহোঁতে ৰাইজৰ ৰোষত পৰে। এই চক্ৰৰ অন্যতম সদস্য আমজাদ আলীৰ সৈতে ৰাইজে আটক কৰে আন তিনি দুৰ্ধৰ্ষ চোৰ ক্ৰমে ৰফিকুল ইছলাম, আকাশ আলী আৰু বৰপেটাৰ চুৰট জামালক। উল্লেখযোগ্য যে, কামৰূপৰ আজ্ঞাঠুৰি গাঁৱৰ চ'কৰ ওচৰৰ জাকিৰ আলী নামৰ এজন দুখীয়া কৃষকৰ গৰু এটা চুৰি কৰি এএছ০১ এফটি ৭৯৮১ নম্বৰৰ বিলাসী বাহনত তুলিবলৈ লওঁতেই আন এটা গৰু গাড়ীৰ পৰা ওলাই আহে। সেই সময়ত উক্ত পথেৰে যোৱা এগৰাকী ডাম্পাৰ চালকে এই দৃশ্য দেখি চিঞৰ-বাখৰ লগায়। ইয়াৰ পিছত গাড়ীখন পলায়নৰ চেষ্টা কৰে যদিও আজ্ঞাঠুৰি গনেশ মন্দিৰৰ ওচৰত আন এখন ডাম্পাৰে পথত পথালিকৈ ৰখাত গাড়ীখন পুনৰ হাজোৰ দিশলৈ পলাবলৈ চেষ্টা কৰে। কিন্তু ৰাইজে চাৰিওটা চোৰক কৰায়ত্ত কৰি উত্তম মাধ্যম শোধাই আৰক্ষীক চমজাই দিয়ে।

# মোদীৰ মৌনতাৰ বিৰুদ্ধে ৰাজ্যজুৰি কংগ্ৰেছৰ প্ৰতিবাদ

গুৱাহাটী, ৭ ফেব্ৰুৱাৰীঃ আমেৰিকাৰ পৰা ভাৰতীয় মানুহক নিৰ্মমভাৱে হাতে-ভৰিয়ে শিকলি বান্ধি মাৰ্কিন সেনাৰ কাৰ্গো বিমানত বিতাড়ন কৰা জঘন্য ঘটনাৰ বিৰুদ্ধে আজি প্ৰদেশ কংগ্ৰেছে ৰাজ্যজুৰি প্ৰতিবাদ সাব্যস্ত কৰে। বিশ্বগুৰি বুলি নিজকে ঘোষণা কৰা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সময়ে সময়ে ড'নাল্ড ট্ৰাম্প তেওঁৰ বন্ধু বুলি জাহিৰ কৰি আহিছে যদিও সেই ড'নাল্ড ট্ৰাম্পে পুনৰ শাসনভাৰ লৈয়ে আমেৰিকা যুক্তৰাষ্ট্ৰত থকা ভাৰতীয় নাগৰিকসকলক নিৰ্দয়ভাৱে খেদি পঠিওৱা কাৰ্যৰ তীব্ৰ বিৰোধিতা কৰিছে অসম প্ৰদেশ কংগ্ৰেছে কমিটীয়ে। সমগ্ৰ দেশত আজি এনে কাৰ্যৰ বিৰুদ্ধে কংগ্ৰেছে প্ৰতিবাদ সাব্যস্ত কৰে। সেই প্ৰতিবাদী কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি গুৱাহাটীৰ ৰাজীৱ ভৱনত দিনৰ ১১.৩০ বজাৰ পৰা বিজেপিৰ বৈদেশিক নীতি হায়ঃ হায়ঃ, ড'নাল্ড ট্ৰাম্প-মোদী ভাই ভাই, ভাৰতীয়ৰ আজি কিয় মান নাই আদি শ্ল'গান দি আমেৰিকা যুক্তৰাষ্ট্ৰত সংস্থাপন বিচাৰি যোৱা ভাৰতীয়ক অমানৱীয়ভাৱে বিতাড়িত কৰা ঘটনাৰ তীব্ৰ প্ৰতিবাদ জনায়। গুৱাহাটীৰ লগতে ৰাজ্যৰ আন আন প্ৰান্ততো আজি এনেদৰে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাই লখিমপুৰৰ প্ৰতিবাদী কাৰ্যসূচীত অংশ লয়। কংগ্ৰেছৰ নেতা-কৰ্মী ৰাজপথলৈ ওলাই আহি নৰেন্দ্ৰ মোদীয়ে অসমৰ পৰা বিদেশী বহিস্কাৰ কৰিব নোৱাৰাত মোদীক ধিক্কাৰ দিয়ে। আজি ৰাজীৱ ভৱনৰ সন্মুখত প্ৰতিবাদৰ সময়তে গুৱাহাটী আৰক্ষীয়ে প্ৰদেশ কংগ্ৰেছৰ কেইবাগৰাকী জ্যেষ্ঠ-কনিষ্ঠ নেতাক আটক কৰে। প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি জাকিৰ হুছেইন শিকদাৰ, মহিলা কংগ্ৰেছৰ সভানেত্ৰী মীৰা বৰঠাকুৰ, প্ৰাক্তন সাংসদ, আৰ. পি শৰ্মা, বিধায়িকা নন্দিতা দাস, বিধায়ক ৰেকবুদ্দিন আহমেদ, গুৱাহাটী মহানগৰ জিলা কংগ্ৰেছৰ সভাপতি গোপাল শৰ্মা আদিয়ে ৰাজীৱ ভৱনৰ কাৰ্যসূচীত অংশ লয়। জ্যেষ্ঠ নেতাসকলৰ উপস্থিতিত কেইবা শতাধিক কৰ্মী-সমৰ্থকে প্ৰতিবাদ জনায়। প্ৰতিবাদী কাৰ্যসূচীৰ পূৰ্বে বিদেশ নীতিত বিফল মোদী চৰকাৰৰ বিৰুদ্ধে এখন প্ৰতিবাদী সভা অনুষ্ঠিত হয়।

# কামৰূপৰ পছৰীয়া মিলনপুৰত চাৰিচকীয়া বাহনসহ ৬ দুৰ্ধৰ্ষ চোৰক আটক দদৰা আৰক্ষীৰ

**ই-সংবাদ, শুৱালকুছি, ৭ ফেব্ৰুৱাৰীঃ** কামৰূপৰ দদৰা আৰক্ষী চকীৰ অন্তৰ্গত পছৰীয়া মিলনপুৰত নিশা দদৰা আৰক্ষীয়ে তালাচী চলাই থকাৰ সময়তে এখন চাৰিচকীয়া বাহনত অহা ৬ দুৰ্ধৰ্ষ চোৰক গাঁওৰক্ষী বাহিনীৰ সহযোগত দদৰা আৰক্ষীয়ে আটক কৰিবলৈ সক্ষম হয়। আৰক্ষীৰ পৰা জানিব পৰা মতে, কামৰূপৰ পছৰীয়া মিলনপুৰত নিশা দদৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া ৰিজুমণি বাংথাইৰ নেতৃত্বত পছৰীয়া মিলপুৰ চ'কত মাজ নিশা তালাচী চলাই থকাৰ সময়তে এ এছ-০১ এফ এ-৬৮৭৬ নম্বৰৰ ছুইফট বাহনত অহা ৬ টা দুৰ্ধৰ্ষ চোৰক স্থানীয় গাঁওৰক্ষী বাহিনীৰ সহযোগত আটক কৰিবলৈ সক্ষম হয়। আটকধীন চোৰকেইটা হৈছে ক্ৰমে উচমৎ আলী(২৮), মুছা আলী(১৮), জহৰুদ্দিন আলী(৩০), বক্ৰিকুছি, মুকালমুৱা, ফাৰাজ আলী(২৪), ২ নং ভেলামাৰী, মুকালমুৱা, ৰবিয়াল আলী(৩১), কুৰিয়াহমাৰী, শিয়ালমাৰী, চাহবুল ইছলাম(২৪), বৰ্ণি, হাজো। আৰক্ষীয়ে দদৰা লাটৰ চৰকাৰী গাঁও প্ৰধান চন্দ্ৰধৰ দাস আৰু গাঁওৰক্ষী বাহিনীৰ উপস্থিতিত চলোৱা তালাচী অভিযানত চোৰকেইটাৰ পৰা চুৰি কাৰ্যত ব্যৱহৃত হোৱা দুখন চাৰিচকীয়া বাহনসহ এটা গেছৰ চিলিণ্ডাৰ, ৰেগুলেটৰ, লোৰ চোকা অস্ত্ৰ, হাতুৰী, চেলাৰ ৰেঞ্জ, তাঁৰ, এখন বেগ, স্ক্ৰু ড্ৰাইভাৰ, ছয় টা ম'বাইল ফোন, এট টেবলেট, এটা গেছ কাটাৰ আদি বহু চুৰিকাৰ্যত ব্যৱহৃত সামগ্ৰী আৰক্ষীয়ে উদ্ধাৰ কৰে। পিছত আটকধীন চোৰকেইটাক দদৰা আৰক্ষী চকীলৈ আনি আৰক্ষীয়ে জেৰা চলাই তদন্ত অব্যাহত ৰাখিছে। উল্লেখ্য যে, বৃহত্তৰ পুব বংশৰ অঞ্চলৰ দদৰা, পছৰীয়া, আজ্ঞাঠুৰি আদি বিভিন্ন অঞ্চলত সঘনাই গৰু চুৰি কাণ্ড সংঘটিত হৈ আহিছে। সেই সময়তে দদৰা আৰক্ষীয়ে নিশা গাঁওৰক্ষী বাহিনীৰ সহযোগত ৬ দুৰ্ধৰ্ষ চোৰক আটক কৰা কাৰ্যক সচেতন ৰাইজে ভূয়সী প্ৰশংসা কৰিছে।

# কলগাছিয়াৰ দাৰনদিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বিৰুদ্ধে ব্যাপক অনিয়মৰ অভিযোগ

**ই-সংবাদ, কলগাছিয়া, ৭ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ ৰূপসী শিক্ষা খণ্ডৰ অন্তৰ্গত কলগাছিয়াৰ ৭৯৫ নং দাৰনদিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক পীযুষ দাসৰ কৰ্ম-কাণ্ডই চকু কপালত তুলিছে স্থানীয় সমাজ সচেতন মহলৰ। জানিব পৰা মতে, বিদ্যালয়ৰ প্ৰধান শিক্ষকগৰাকীয়ে নিজৰ ইচ্ছা মতে বিদ্যালয়ত উপস্থিতি হয় যদিও বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক সঠিক মতে পাঠদান নকৰাৰ অভিযোগ উত্থাপন কৰে বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিৰ স্বয়ং সভাপতি, সদস্যা, সংশ্লিষ্ট চি আৰ চি চি আৰু বিদ্যালয়ত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰী অভিভাৱক-অভিভাৱিকাসকলে। উল্লেখ্য যে, শাসনাধিষ্ঠিত বৰ্তমানৰ শূন্য সহনশীল বিজেপি চৰকাৰখনক প্ৰধান শিক্ষকগৰাকীয়ে কোনো কেৰেপ নকৰাৰ আন এক অভিযোগ উত্থাপিত হৈছে। চৰকাৰৰ শিক্ষা বিভাগৰ সকলো নীতি-নিৰ্দেশনাক ভেঙুচালি কৰি আহিছে এইজন প্ৰধান শিক্ষকে। পুৱা সময়মতে বিদ্যালয়ত উপস্থিত নহয় প্ৰধান শিক্ষক পিযুষ দাস। কিন্তু আশ্চৰ্যজনকভাৱে অনলাইনত সঠিকভাৱে দেখুৱায় তেওঁৰ উপস্থিতি। এই বিষয়ে বৃহস্পতিবাৰে অভিযোগ উত্থাপন কৰে বিদ্যালয়খনৰ সংশ্লিষ্ট চি আৰ চি চি, ছাত্ৰ-ছাত্ৰী আৰু বিদ্যালয় পৰিচালনা আৰু উন্নয়ন সমিতিয়ে। আনহাতে, প্ৰাধান শিক্ষকে যিখিনি সময় বিদ্যালয়ত থাকে, কেৱল ম'বাইল লৈ সময় পাৰ কৰে বুলিও আন এক অভিযোগ উত্থাপিত হৈছে। এইখন প্ৰাথমিক বিদ্যালয়ত দুজন শিক্ষক আছে যদিও প্ৰধান শিক্ষকৰ বিৰুদ্ধে উত্থাপিত হৈছে একেৰাহে কেইবাটাও গুৰুতৰ অভিযোগ। সেই হেতুকে বিদ্যালয় পৰিচালনা সমিতিৰ লগতে ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক-অভিভাৱিকাসকলে বিভাগীয় ঊৰ্ধতম কৰ্তৃপক্ষক বিষয়টো সন্দৰ্ভত শীঘ্ৰে উচিত তদন্ত ক্ৰমে ইয়াৰ এক বিহিত ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে।

# ডিব্ৰুগড়ৰ দাৰুল উলুমৰ ৬ ছাত্ৰক 'হাফিজ' উপাধি

**ই-সংবাদ, ডিব্ৰুগড়, ৭ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড়ৰ আমোলাপট্টি মিৰ্জাবাগত থকা 'দাৰুল উলুম মাদ্ৰাছা'ত অন্যান্য বছৰৰ দৰে এইবছৰো মাদ্ৰাছাখনৰ পৰা ৬ গৰাকী ছাত্ৰক সন্মানীয় "কোৰাণে হাফিজ" উপাধি প্ৰদান কৰা হয়। এই উদ্দেশ্যে কালি মাদ্ৰাছাখনত 'জলছা-এ-দস্তাৰবন্দী'ৰ জৰিয়তে ৬ গৰাকী ছাত্ৰক "হাফিজ" উপাধি প্ৰদান কৰি একোখনকৈ প্ৰমাণ পত্ৰৰ লগতে প্ৰতীক হিচাপে 'বগা পাগুৰী' প্ৰদান কৰা হয়। মাদ্ৰাছাখনৰ শিক্ষক হাফিজ মোকছেদুল ইছলামৰ তত্ত্বাৱধানত শিক্ষা গ্ৰহণ কৰি হাফিজ উপাধি লাভ কৰা ছাত্ৰ সকল হৈছে হাফিজ চাবিৰ আনচাৰি (ডিব্ৰুগড়), হাফিজ মহম্মদ আৰিফউদ্দিন (মৰিগাঁও), হাফিজ ৰাচিব আলি(নগাঁও), হাফিজ ৰাব্বানি হুছেইন (ডিব্ৰুগড়), হাফিজ মহম্মদ আব্দুল্লা (নগাঁও) আৰু হাফিজ আবু চৈয়দ খুদৰী (মৰিগাঁও)। উল্লেখ্য যে এইসকল ছাত্ৰই ৩০টা পাৰা বা অধ্যায় থকা এই বৃহৎ পৱিত্ৰ কোৰাণখন সম্পূৰ্ণ মুখস্থ কৰোঁতে সময় লাগিছিল প্ৰায় ৩/৪ বছৰ আৰু তাৰ পিছতহে তেওঁলোকে সন্মানীয় 'হাফিজ' উপাধি লাভ কৰে। অনুষ্ঠানত উপস্থিত থাকি মাদ্ৰাছাখনৰ প্ৰধান তথা পৰিচালন সঞ্চালক আলহজ মৌলানা আইনান জুবেৰীয়ে কয় যে মাদ্ৰাছাখন বিভিন্ন সমস্যাৰ মাজেৰে অকল ৰাইজৰ দান-বৰঙনিৰে চলি আছে। তদুপৰি দুখীয়া ঘৰৰ ল'ৰাবোৰ দূৰ-দূৰণিৰ পৰা পঢ়িবলৈ আহে, তেওঁলোকৰ বিনামূলীয়াকৈ থকা-খোৱা, পঢ়া আদিৰ ব্যৱস্থা কৰিবলগীয়া হয়। প্ৰধানগৰাকীয়ে আৰু কয় যে মাদ্ৰাছাখন ২০১৬ চনতে স্থাপিত হোৱাৰ দিনৰে পৰা এতিয়ালৈকে মাদ্ৰাছাখনৰ পৰা ১৪ গৰাকী ছাত্ৰই সন্মানীয় "হাফিজ" উপাধি লাভ কৰিছে আৰু তেওঁলোক এতিয়া বিভিন্ন ঠাইত কৰ্মৰত হৈ আছে। এই অনুষ্ঠানত নালিয়াপুল মছজিদৰ পেছ ইমাম মোবাৰক হুছেইন, নতুন বজাৰ মছজিদৰ পেছ ইমাম মৌলানা আটহাৰ কাছিমি, দ্বিনী চৰ্চাৰ অন্যতম প্ৰচাৰক শ্বাহ আলমৰ লগতে বহুতো গণ্য মান্য বিশিষ্ট ব্যক্তি উপস্থিত থাকি 'হাফিজ'সকলৰ দায়িত্ব আৰু কৰ্তব্যৰ বিষয়ে বহুমূলীয়া ভাষণ আগবঢ়ায়। মাদ্ৰাছাখনিৰ দুগৰাকী সেৱক অনিচুল হক আৰু চাকিল আহমেদ জামালে অনুষ্ঠানটিৰ পৰিচালনাত বিশেষভাৱে সহযোগ আগবঢ়ায়। শেষত বিশ্ব শান্তিৰ বাবে দোৱা-প্ৰাৰ্থনা কৰে মৌলানা মোবাৰক হুছেইনে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## সমাজকৰ্মী ৰফিক উদ্দিনৰ মৃত্যুত নীলবাগানত শোক

**ই-সংবাদ, হোজাই, ৭ ফেব্ৰুৱাৰীঃ** হোজাই জিলাৰ নীলবাগানৰ সমীপৰ জয়ন্তীয়া বস্তি গাঁৱৰ বাসিন্দা তথা সমাজকৰ্মী ৰফিক উদ্দিন(৬৭)ৰ বৃহস্পতিবাৰে বিয়লি ৩:৩০ বজাত হোজাই হাম হাস্পতালত মৃত্যু হয়। তেওঁৰ মৃত্যুৰ খবৰ বিয়পি পৰাৰ লগে লগে সমগ্ৰ অঞ্চলজুৰি শোকৰ ছাঁ পৰে। তেওঁ এগৰাকী ভাল মনৰ, হাঁহিমুখীয়া ব্যক্তি আছিল। তেওঁৰ বিয়োগত এআইইউডিএফৰ হোজাইৰ জিলা সভাপতি হিলাল উদ্দিন আহমেদ, কংগ্ৰেছ নেতা নুৰ আহমেদ, সমাজকৰ্মী ইজহাৰ আলী, বিধায়ক চিৰাজুদ্দিন আজমলৰ সচিব নুৰুল হক বৰভুঞা, অসম ৰাজ্যিক সাংবাদিক সন্থাৰ হোজাই জিলাৰ সভাপতি কফিল উদ্দিন বৰভুঞা, নীলবাগানৰ যুৱ ব্যৱসায়ী লুতফুৰ ৰহমান বৰলস্কৰসহ বিভিন্ন ব্যক্তি আৰু দল-সংগঠনে গভীৰ শোক প্ৰকাশ কৰি শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ সমবেদনা জ্ঞাপন কৰিছে। আজি পুৱা ১০:৩০ বজাত মৰহুমৰ বাসভৱনৰ সন্মুখত সহস্ৰাধিক লোকৰ উপস্থিতিত তেওঁৰ জানাজাৰ নামাজ আদায় কৰা হয়।

## ছিপাঝাৰত বনৰীয়া ম'হৰ মৃত্যু, গৰুখুঁটি কৃষি প্ৰকল্পত গঁড়ৰ মুক্ত বিচৰণ



**ই-সংবাদ, ছিপাঝাৰ, ৭ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ কুৰুৱা বন সংমণ্ডলৰ অন্তৰ্গত নাৰিকলিত আজি এটা বনৰীয়া ম'হৰ মৃত্যুত অঞ্চলজুৰি চাঞ্চল্যৰ সৃষ্টি হৈছে। স্থানীয় ৰাইজে উল্লেখ কৰা অনুসৰি বিগত এঘাৰ বছৰ ধৰি অঞ্চলটোত বিচৰণ কৰি থকা গোণা ম'হটোৰ বৃহস্পতিবাৰে সন্ধিয়া মৃত্যু হয়। বিষাক্ত ঘাঁহ খোৱাৰ বাবে ম'হটোৰ মৃত্যু হোৱা বুলি কিছু লোকে সন্দেহ প্ৰকাশ কৰিছে। উল্লেখ্য যে, কৃষি প্ৰধান অঞ্চলটোত স'ততে পথাৰত বিষাক্ত কীটনাশক দ্ৰব্য ব্যৱহাৰ কৰে কৃষকসকলে। অৱশ্যে মৰণোত্তৰ পৰীক্ষাৰ পিছতহে ম'হটোৰ মৃত্যুৰ প্ৰকৃত কাৰণ পোহৰলৈ আহিব। ইপিনে, ছিপাঝাৰৰ গৰুখুঁটি কৃষি প্ৰকল্পত এটা গঁড়ৰ মুক্ত বিচৰণক লৈ ৰাইজ আতংকিত হৈ পৰিছে। মাকৈ খেতিৰ মাজত আশ্ৰয় লৈ থকা গঁড়টোৰ অৱস্থানক লৈ স্থানীয় ৰাইজে বন বিভাগ আৰু আৰক্ষী থানাত খবৰ দিয়াত আৰক্ষী আৰু বন বিভাগৰ লোক উপস্থিত হৈ গঁড়টোক সুকলমে খেদি পঠিওৱাৰ যো-জা চলায়।

# ৰঙিয়া ষ্টেচনত ৰে'ল আৰক্ষীৰ বৃহৎ সফলতা

# বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক বহিঃৰাজ্যৰ সৰবৰাহকাৰী

**ই-সংবাদ, ৰঙিয়া, ৭ ফেব্ৰুৱাৰীঃ** ৰঙিয়া ষ্টেচনত ৰে'ল আৰক্ষীয়ে যোৱা নিশা অভিযান চলাই বৃহৎ পৰিমাণৰ ড্ৰাগছসহ এজন বহিঃৰাজ্যৰ সৰবৰাহকাৰীক আকট কৰিবলৈ সক্ষম হয়। আটকাধীন সৰবৰাহকাৰী জন বিহাৰৰ বৈশালী জিলাৰ তুলসী সাহানী নামনি মুৱা লোকমান্য তিলক ৰে'ল গাড়ীখনত নিয়মীয়া তালাচী অভিযানত সন্দেহজনক ড্ৰাগছসহ লোকজনক আটক কৰে আৰক্ষীয়ে। বদৰপুৰৰ পৰাই লোকমান্য তিলক ৰে'লযোগে বিহাৰলৈ বুলি আহিছিল লোকজন। আটকাধীন লোকজনৰ পৰা দহটা চাবোনৰ বাকচত ১১২ গ্ৰাম সন্দেহযুক্ত ড্ৰাগছ জব্দ কৰে ৰে'ল আৰক্ষীয়ে। আনহাতে, জব্দ কৰা ড্ৰাগছখিনিৰ বজাৰ মূল্য ২২ লক্ষাধিক টকা বুলি নিশ্চিত কৰে আৰক্ষীয়ে।



ৰঙিয়াত বৃহৎ পৰিমাণৰ ড্ৰাগছসহ আটক বহিঃৰাজ্যৰ সৰবৰাহকাৰী, ফটোঃ ই-সংবাদ, ৰঙিয়া

# নৱাগত শিমলীতোলা মহাত্মা গান্ধী একাডেমীৰ বাৰ্ষিক অধিৱেশনৰ সামৰণি

**ই-সংবাদ, আলোপতি, ৭ ফেব্ৰুৱাৰীঃ** গোৱালপাৰা জিলাৰ পূব গোৱালপাৰা সমষ্টিৰ অন্তৰ্গত নৱাগত শিমলীতোলাৰ ব্যক্তিগত খণ্ডৰ শিক্ষানুষ্ঠান মহাত্মা গান্ধী একাডেমীৰ তৃতীয় বাৰ্ষিক অধিৱেশনৰ আজি সফল সামৰণি পৰে। যোৱা ৫ ফেব্ৰুৱাৰী পৰা তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত বিদ্যালয়খনৰ বাৰ্ষিক অধিৱেশন উপলক্ষে পতাকা উত্তোলন, সাংস্কৃতিক শোভাযাত্ৰা, সমাজসেৱা আৰু বৃক্ষৰোপণ আদিৰ লগতে কবিতা আবৃত্তি, আকস্মিক বক্তৃতা, তৰ্ক, স্মৃতি পৰীক্ষা, কুইজ, নৃত্য, সংগীত, ভেশচন আৰু বিভিন্ন খেল-ধেমালি প্ৰতিযোগিতা অনুষ্ঠিত হয়। অধিৱেশনখনিৰ আজি সামৰণিৰ দিনা আবেলি বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আলতাফ হুছেনৰ সভাপতিত্বত মুকলি আৰু বঁটা বিতৰণী সভা অনুষ্ঠিত হয়। বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত সমবেত সংগীতেৰে আৰম্ভ হোৱা সভাখনত গোৱালপাৰা পূব বিধানসভা সমষ্টিৰ বিধায়ক আবুল কালাম ৰশ্বিদ আলম, শিমলীতোলা আঞ্চলিক বজাৰ পৰিচালনা সমিতিৰ সভাপতি আলহাজ শ্বাহজাহান আলী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ছুলেমান আলী, অৱসৰপ্ৰাপ্ত শিক্ষক জাফৰ আলী আহমেদ, শিক্ষক আব্দুল আজিজ, শিমলীতোলা বজাৰ ব্যৱসায় সন্থাৰ সভাপতি আনোৱাৰ আলী, গেৰুৱা এম ই স্কুলৰ শিক্ষক আব্দুল গনি, গোৱালপাৰা জিলা আমছুৰ সাধাৰণ সম্পাদক শ্বাহিনুৰ আলম, প্ৰবক্তা হানিফ উদ্দিন আহমেদ, শিমলীতোলা আঞ্চলিক বজাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি ছোৰহাব আলী মণ্ডল, শিমলীতোলা আঞ্চলিক বজাৰ পৰিচালনা সমিতিৰ সম্পাদক ৰাজেশ ঘোষ, অৱসৰপ্ৰাপ্ত শিক্ষক নবিৰ হুছেইন ফকীৰ, শিমলীতোলা আঞ্চলিক বজাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সম্পাদক ৰফিকুল ইছলাম খান, অশ্বেৰ মণ্ডল, ৰহিজ উদ্দিন, আব্দুল মান্নান, জবেদা আহমেদ, বিদ্যালয়খনৰ অধ্যক্ষ আলী হুছেইনকে আদি কৰি বহুতো বিশিষ্ট ব্যক্তি উপস্থিত থাকে। সভাত বিধায়ক এ কে ৰশ্বিদ আলমৰ লগতে কেবাজন অতিথিয়ে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশ সন্দৰ্ভত অনুপ্ৰেৰণামূলক ভাষণ প্ৰদান কৰে। বিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক শ্বাহ আলম ৰাব্বানীয়ে উদ্দেশ্য ব্যাখ্যা কৰা সভাত অতিথিৰ পৰিচয় পৰ্ব অনুষ্ঠান পৰিচালনা কৰে ইমান মীৰে। উল্লেখ্য যে পূৰ্বে ঘোষণা কৰা বিদ্যালয়খনৰ পৰিচালনা সমিতিৰ সভাপতি আলতাফ হুছেইনে নিজাববীয়াকৈ শতকৰা ৮০ শতাংশ নম্বৰ লাভ কৰি মেট্ৰিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা ছাত্ৰ ৰাকিবুল ইছলামক সোণৰ আঙুঠি প্ৰদান কৰে। সভাৰ শেষত ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা পৰিৱেশিত বিভিন্ন গীত-নৃত্যৰে অনুষ্ঠানৰ সামৰণি পৰে।

# দখলা পাহাৰত দক্ষিণ কামৰূপৰ অন্যতম সাধুমেলা উৎসৱৰ আয়োজন

**ই-সংবাদ, মিৰ্জা, ৭ ফেব্ৰুৱাৰীঃ** পলাশবাৰী সমষ্টিৰ দখলাত দক্ষিণ কামৰূপৰ অন্যতম পৰম্পৰাগতভাৱে উদযাপিত হৈ অহা শ্ৰীশ্ৰী বিষ্ণু মন্দিৰ পৰিচালনা সমিতিৰ উদ্যোগত অহা ১২ ফেব্ৰুৱাৰী বুধবাৰে দিনজোৰা কাৰ্যসূচীৰে দখলা পাহাৰ স্থিত শ্ৰীশ্ৰী বিষ্ণু মন্দিৰ প্ৰাংগণত এইবেলিও আয়োজন কৰা হৈছে সাধুমেলা উৎসৱৰ। ঐতিহ্যমণ্ডিত এই উৎসৱ ১৯৬৫ চনৰ পৰা পালন কৰা হয়। স্থাপিতকালত এজাক হাতীৰে সাধুমেলাৰ সাংস্কৃতিক শোভাযাত্ৰা কৰা হৈছিল। এই উৎসৱৰ প্ৰতিষ্ঠাপক আছিল ক্ৰমে প্ৰয়াত বাঞ্চীৰাম বৈষ্ণৱ, অমৃত চন্দ্ৰ ঠাকুৰীয়া(আলহু মহাজন), সহযোগী ক্ৰমে খাটা মাহাৰাজ, ডাকু ৰাম তালুকদাৰ, ৰামেশ্বৰ তালুকদাৰ (সোণাৰি ), নাৰা ৰাম ঠাকুৰীয়া, কাজিৰাম তালুকদাৰ, হৰেন তালুকদাৰ। এই সাধুমেলা উৎসৱৰ সভাপতি ক্ৰমে বৈকুণ্ঠ ঠাকুৰীয়া, সাধাৰণ সম্পাদকদ্বয় কমলেশ্বৰ তালুকদাৰ, অভয়চৰণ ঠাকুৰীয়া, কাৰ্যকৰী সভাপতি যতীন চন্দ্ৰ দাস, উপ-সভাপতিদ্বয় ধীৰেণ ঠাকুৰীয়া, জগদীশ ঠাকুৰীয়া, সহঃ সম্পাদকত্ৰয় সঞ্জীৱ কুমাৰ তালুকদাৰ, ৰমেন দাস, অৰবিন্দ মজুমদাৰ, কোষাধ্যক্ষ প্ৰদীপ ঠাকুৰীয়া। উক্ত সাধুমেলা উৎসৱৰ কাৰ্যক্ৰমণিকা হিচাপে থাকিব পুৱা ৮.০০ বজাত ধৰ্মীয় পতাকা উত্তোলন, ৮.১৫ বজাত শ্ৰীশ্ৰী বিষ্ণু স্তুতি আৰু পুষ্পাঞ্জলি প্ৰদান, ৮.৩০ বজাত ভাগৱত স্থাপন, ভ্ৰমণ আৰু কীৰ্ত্তন, ৯.১৫ বজাত ধৰ্ম আলোচনা সভা, ৯.৩০ বজাত ১২ গৰাকী বৈষ্ণৱ সাধু ভকতৰ আসন গ্ৰহণ, ১০.০০ বজাত ভাগৱত পাঠ আৰু ব্যাখ্যা। এই সাধুমেলাত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া। দুপৰীয়া ২.০০ বজাত প্ৰসাদ আৰু ভোগ গ্ৰহণ, সন্ধিয়া ৫.০০ বজাত নাম প্ৰসংগ। উদ্যোগকৰ্তাসকলে উক্তদিনা এই সাধুমেলা উৎসৱত দক্ষিণ কামৰূপ ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি তথা সহায়-সহযোগিতা কামনা কৰিছে।

# উপৰহালীৰ ভাওৰা গোপাল গোঁসাইঘৰ, মণিকূট নিৰ্মাণৰ কাম পূৰ্ণগতিত

**ই-সংবাদ, মিৰ্জা, ৭ ফেব্ৰুৱাৰীঃ** বৃহত্তৰ দক্ষিণ কামৰূপ অঞ্চলৰ উপৰহালী ভাওৰা গোপাল-গোসাঁইঘৰৰ ঐতিহ্য বহু পুৰণি। ১৮৯৮ চনত এই গোঁসাইঘৰটোৰ প্ৰতিষ্ঠা হয়। পূৰ্বতে এই গোঁসাইঘৰটো টিনপাত-চালিৰে নিৰ্মিত আছিল। ঐতিহ্য অনুসৰি কিছুসংখ্যক ভকতে তাত পূজা-অৰ্চনা, ভাগৱত পাঠ কৰিছিল। সময়ৰ গতিত গোঁসাইঘৰটো প্ৰাকৃতিক কাৰণত ক্ষতিগ্ৰস্ত হোৱাত ১৫০ বছৰ গৰকা গোঁসাইঘৰটো পুনঃস্থাপনৰ পৰিকল্পনা হাতত লোৱা হয়। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বাধীন চৰকাৰৰ নেতৃত্বত আবণ্টিত চৰকাৰী ধনৰ পুঁজি তথা উপৰহালীৰ স্থানীয় ৰাইজৰ আৰ্থিক সহায়-সহযোগিতাৰ লগতে পলাশবাৰী সমষ্টিৰ বিধায়ক হেমাংগ ঠাকুৰীয়া সহযোগত মণিকূট-নামঘৰৰ নিৰ্মাণকাৰ্য পূৰ্ণগতিত চলি আছে। উপৰহালী ৰাইজ গয়ৰহৰ সভাপতি অজিত চন্দ্ৰ ঠাকুৰীয়াৰ সভাপতিত্বত এক কোটি পঞ্চাশ লাখ টকাৰ চৰকাৰী পুঁজি ব্যয়সাপেক্ষ মণিকূট-নামঘৰৰ নিৰ্মাণৰ কাম কোনো ত্ৰুটি নৰখাকৈ পূৰ্ণগতিত চলি আছে। মণিকূট-নামঘৰ নিৰ্মাণ কাৰ্যৰ পূৰ্বে ভূমিপূজন কৰিছিল মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সহধৰ্মিনী ৰিনিকি ভূঞা শৰ্মাই। উল্লিখিত উপৰহালী ৰাইজ গয়ৰহৰ সভাপতি অজিত চন্দ্ৰ ঠাকুৰীয়াই জনোৱা মতে, নৱনিৰ্মিত মণিকূটোৰ উচ্চতা চৌষষ্ঠি ফুট হ'ব। এই অঞ্চলৰ ভিতৰত সৰ্ববৃহৎ মণিকূট আৰু গোঁসাইঘৰটোৰ সা-সজ্জাৰ ক্ষেত্ৰত বিভিন্ন ধৰণৰ ভাস্কৰ্য, শিল্পকলাৰে সু-সজ্জিত কৰি তোলা হ'ব।

# আগমনিত নিষিদ্ধ ব্ৰয়লাৰভৰ্তি বাহন জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ৭ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনিৰ বেলগুৰি ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা আৰক্ষীয়ে পশ্চিমবংগৰ পৰা অবৈধভাৱে অসমত প্ৰৱেশ কৰা নিষিদ্ধ ব্ৰয়লাৰভৰ্তি বাহন এখন জব্দ কৰি পুনৰ ওভতাই পঠোৱা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। ৰাজ্যত বাৰ্ড ফ্লুৰ ভাইৰাছৰ সংক্ৰমণ ৰোধ কৰাৰ উদ্দেশ্যে পশুপালন বিভাগে বহিঃৰাজ্যৰ ব্ৰয়লাৰ অসমত আমদানিত নিষেধাজ্ঞা জাৰি কৰে। বাধা নিষেধ সত্ত্বেও নিশাৰ ভাগত মুকলিভাৱে পশ্চিমবংগৰ পৰা নিষিদ্ধ ব্ৰয়লাৰৰ আমদানি অব্যাহত আছে। প্ৰতি নিশাই আৰক্ষীৰ সন্মুখেৰে ৰাষ্ট্ৰীয় ঘাইপথেৰে বলেৰো পিকআপ ভেন যোগে নিষিদ্ধ ব্ৰয়লাৰ পশ্চিমবংগৰ পৰা অসমৰ বিভিন্ন স্থানলৈ সৰবৰাহ চলি আছে। দিছপুৰৰ আশিসধন্য এটা ছিণ্ডিকেট বাহিনীয়ে নিষিদ্ধ ব্ৰয়লাৰৰ অবৈধ আমদানি চলোৱাৰ অভিযোগ উত্থাপিত হৈছে। কিন্তু আৰক্ষীয়ে ৰক্ষণাবেক্ষণ দিয়া ব্ৰয়লাৰ কঢ়িওৱা বাহন যোৱা নিশা হঠাতে আৰক্ষীয়ে জব্দ কৰে। বাহনখন মুকলি কৰাৰ বাবে পুৱা কোকৰাঝাৰ আৰু বৰপেটাৰোডৰ একাংশ ব্ৰয়লাৰৰ ছিণ্ডিকেট বাহিনীয়ে ভিৰ কৰে। পিছত বাহনখন পশ্চিমবংগলৈ ঘূৰাই পঠোৱা ঘটনাই ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। কাৰণ ছিণ্ডিকেট চক্ৰৰ পূৰ্বে অবৈধভাৱে অসমত প্ৰৱেশ কৰা নিষিদ্ধ ব্ৰয়লাৰসমূহ মাটিত পুতি নষ্ট কৰা হৈছিল। কিন্তু আজি আৰক্ষীয়ে আটক কৰি ওভতাই পঠোৱা ঘটনাই ৰহস্যৰ সৃষ্টি কৰিছে

# গোলকগঞ্জত চোৰাং শাল কাঠভৰ্তি বাহন জব্দ

**ই-সংবাদ, গোলকগঞ্জ, ৭ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিচনদৈ দ্বিতীয় খণ্ড গাঁৱত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই চোৰাং শাল কাঠ কঢ়িওৱা এখন বলেৰো পিকআপ ভেন আটক কৰা ঘটনাই অঞ্চলটোত চাঞ্চল্যৰ সৃষ্টি কৰিছে। পিকআপ ভেনখনৰ নম্বৰ AS-17 C-3338। অভিযোগ মতে, একাংশ দুষ্কৃতিকাৰীয়ে বাসবাৰী, পৰ্বতঝোৰা আদি বনাঞ্চলৰ পৰা মূল্যৱান গছ কাটি বলেৰো পিকআপ ভেন আৰু অনুজ্ঞাপত্ৰহীন তিনিচকীয়া ইঞ্জিন চালিত বাহনেৰে প্ৰতি নিশাই ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথেৰে পশ্চিমবংগলৈ চালান দিয়ে। ছাগলীয়া বন গাণনিক বিষয়াৰ কাৰ্যালয়ৰ সন্মুখেৰে পশ্চিমবংগলৈ চালান হৈ আছে যদিও দেখিও নেদেখাৰ ভাও ধৰিছে ছাগলীয়া আৰু ধুবুৰী বন বিভাগে। বিভিন্ন অভিযোগৰ ভিত্তিত কালি নিশা গোলকগঞ্জ আৰক্ষী গোপন খবৰৰ ভিত্তিত বিচনদৈ দ্বিতীয় খণ্ড গাঁৱৰ পৰা কাঠৰ কুণ্ডা কঢ়িওৱা বাহনখন জব্দ কৰে।

# বকোৰ মন্দিৰাত আৰক্ষীৰ জালত পৰিল ড্ৰাগছ সৰবৰাহকাৰী

**ই-সংবাদ, বকো, ৭ ফেব্ৰুৱাৰীঃ** ড্ৰাগছৰ বিৰুদ্ধে অভিযান চলাই কামৰূপৰ বকোৰ মন্দিৰা আৰক্ষীয়ে বৃহৎ সফলতা লাভ কৰে। গোপন সূত্ৰৰ পম খেদি অভিযান চলাই যোৱানিশা হেৰ'ইনসহ গ্ৰেপ্তাৰ কৰে এজন ব্যৱসায়ীক। গ্ৰেপ্তাৰ হোৱা ড্ৰাগছ ব্যৱসায়ীজন আফচাৰ আলীৰ পুত্ৰ হাফিজুৰ ৰহমান(২৮)। ধৃত ব্যৱসায়ীজনৰ ঘৰ গোৱালপাৰা জিলাৰ ধূপধৰা আৰক্ষী থানাৰ অন্তৰ্গত ধানবৰী বৰটাৰীত। বৃহস্পতিবাৰৰ নিশা বকোৰ মন্দিৰা এন চি'ত ড্ৰাগছ বিক্ৰী কৰিবলৈ যোৱাৰ সময়তে মন্দিৰা আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় গোস্বামীৰ নেতৃত্বত যোৱা এটি আৰক্ষীৰ দলে ড্ৰাগছসহ হাতে-লোটে গ্ৰেপ্তাৰ কৰে ব্যৱসায়ীজনক। আৰক্ষীয়ে হাফিজুৰ ৰহমানৰ পৰা ১.২৭৬ গ্ৰাম ওজনৰ এটা হেৰ'ইনৰ পেকেট জব্দ কৰিবলৈ সক্ষম হয়। জানিব পৰা মতে, ইয়াৰ পূৰ্বেও ড্ৰাগছ সৰবৰাহ কৰি গ্ৰেপ্তাৰ হৈ জে'লৰ ভাত খাইছিল ধৃত হাফিজুৰে।

# ৰঙিয়াত কামৰূপ জিলা কংগ্ৰেছৰ প্ৰতিবাদ




**ই-সংবাদ, ৰঙিয়া, ৭ ফেব্ৰুৱাৰীঃ** আমেৰিকা যুক্তৰাষ্ট্ৰৰ পৰা অধিবাসী ভাৰতীয় নাগৰিকক বিতাৰণ কৰাৰ ক্ষেত্ৰত চৰম অপমানৰ অভিযোগ তুলি ৰঙিয়াত আজি কামৰূপ জিলা কংগ্ৰেছ কমিটীৰ উদ্যোগত তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰা হয়। দলটোৰ কামৰূপ গ্ৰাম্য জিলা সমিতিৰ সভাপতি কংকন দাসৰ নেতৃত্বত স্থানীয় ৰাজীৱ ভৱনৰ সন্মুখত ৰূপায়িত প্ৰতিবাদী কাৰ্যসূচীত বিৰোধী দলপতি দেৱব্ৰত শইকীয়াই অংশগ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰক কঠোৰ সমালোচনা কৰে। উক্ত ঘটনা সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি শইকীয়াই কয় যে ভাৰতীয় নাগৰিকসকলক আমেৰিকাই একো একোজন দুৰ্ধৰ্ষ অপৰাধীৰ নিচিনাকৈ আমাৰ দেশলৈ প্ৰত্যাৱৰ্তন কৰিছে। তেওঁলোকক যিখিনি সুবিধা দিব লাগে সেইখিনি দিয়া নাই। ভাৰত চৰকাৰে সেইটো সহ্য কৰাটো দেশৰ প্ৰতি চূড়ান্ত অপমান বুলি অভিহিত কৰে শইকীয়াই। আনহাতে, পঞ্চায়ত নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত সোধা প্ৰশ্নৰ উত্তৰত শইকীয়াই কয় যে আগন্তুক নিৰ্বাচনৰ বাবে কংগ্ৰেছ দল সম্পূৰ্ণ ৰূপে প্ৰস্তুত।

## গোলকগঞ্জত বৃহৎ পৰিমাণৰ ইউৰিয়া সাৰ জব্দ



**ই-সংবাদ, গোলকগঞ্জ, ৭ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ গোলকগঞ্জ থানাৰ অন্তৰ্গত বিভিন্ন স্থানত যোৱা নিশা আৰক্ষীয়ে অভিযান চলাই ১৯৬ বস্তা চোৰাং ইউৰিয়া সাৰ জব্দ কৰা ঘটনাই অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, কালি নিশা গোলকগঞ্জ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া দেৱজিৎ কলিতাৰ নেতৃত্বত আৰক্ষীৰ নিয়মীয়া টহলদাৰী দলে বিৰাট নগৰ চাৰিআলি হৰিৰহাট পথত সন্দেহবশতঃ ইউৰিয়া সাৰৰ বস্তা কঢ়িওৱা এখন ই-ৰিক্সা আটক কৰে। চালকে সাৰৰ চালানকে ধৰি কোনো নথি-পত্ৰ দেখুৱাব নোৱাৰাত আৰক্ষীয়ে ই-ৰিক্সাখন জব্দ কৰি থানালৈ আনে। ই-ৰিক্সাৰ চালকজনৰ স্বীকাৰোক্তিৰ ভিত্তিত গোলকগঞ্জ আৰক্ষীয়ে কালি দুপৰীয়া পশ্চিম ৰতিয়াদহ দ্বিতীয় খণ্ড গাঁৱৰ টাইবান্ধত থকা আকবৰ আলী ওৰফে চিক্ৰাৰ দোকানত উপস্থিত হয়। দোকানখনত চৰকাৰী ৰাজ সাহায্যযুক্ত সাৰ ৰখাৰ অনুজ্ঞাপত্ৰ বিচাৰি আৰক্ষী দোকানখনত উপস্থিত হয় যদিও খবৰ পাই চিক্ৰাই পলায়ন কৰে। আৰক্ষীয়ে নিশা আকবৰ আলী ওৰফে চিক্ৰাৰ ঘৰত অভিযান চলাই ৰাজ সাহায্যযুক্ত ৭৯ বস্তা ইউৰিয়া সাৰ জব্দ কৰাৰ লগতে পূব ৰতিয়াদহৰ নুৰ ইছলামৰ ঘৰত লুকুৱাই ৰখা ৭১ বস্তা আৰু চৰাইখোলাৰ আকবৰ আলীৰ পুত্ৰৰ দোকানৰ পৰা ৪৬ বস্তা ৰাজ সাহায্যযুক্ত ইউৰিয়া সাৰ জব্দ কৰে। অৱশ্যে আৰক্ষীয়ে এই সন্দৰ্ভত কাকো আটক কৰা নাই। আনহাতে, মূল অভিযুক্ত আকবৰ আলী ওৰফে চিক্ৰা এতিয়াও পলাতক অৱস্থাত আছে।

## মৰিগাঁৱৰ লাহৰিঘাট শিক্ষা খণ্ডৰ শিক্ষানুষ্ঠানত আনন্দৰ পৰিৱেশ

# মৈৰাবাৰীৰ বিভিন্ন শিক্ষানুষ্ঠানত তৃতীয় পৰ্যায়ৰ দ্বিতীয় দিনাৰ গুণোৎসৱ

**ই-সংবাদ, মৈৰাবাৰী, ৭ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ লাহৰিঘাট শিক্ষা খণ্ডৰ অধীনস্থ শিক্ষানুষ্ঠান ক্ৰমে মৈৰাবাৰী ৰিফিউজী প্ৰাথমিক বিদ্যালয়, মৈৰাবাৰী টি এম কে হাইস্কুল, আলিপুখুৰী এম ই স্কুল, বৰথল কছাৰীগাঁও ছোৱালী হাইস্কুলকে আদি কৰি অঞ্চলটোৰ কেবাখনো বিদ্যালয়ত আজি তৃতীয় পৰ্যায়ৰ গুণোৎসৱ অনুষ্ঠিত হৈ যায়। মৈৰাবাৰী টি এম কে হাইস্কুলত বহীঃমূল্যায়ক হিচাপে উপস্থিত থাকে মৈৰাবাৰী উন্নয়ন খণ্ডৰ খণ্ড উন্নয়ন বিষয়া কাশ্মিৰী বেগম আৰু ধিং মহাবিদ্যালয়ৰ অধ্যাপক হিমাদ্ৰি শেখৰ চক্ৰৱৰ্তী। আনহাতে, আলিপুখুৰী এম ই স্কুলত বহীঃমূল্যায়ক হিচাপে উপস্থিত থাকে মৈৰাবাৰী মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক মইনুল হক খান। উল্লেখ্য যে মৈৰাবাৰী 'টি এম কে হাইস্কুলত' এই বছৰ পোনপ্ৰথম বাৰৰ বাবে গুণোৎসৱ অনুষ্ঠিত হয়। অনুষ্ঠানটোত নিমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে অসম ৰাজ্যিক সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ উপাধ্যক্ষ ৰাজবীৰ সিং আৰু মৰিগাঁও জিলা সংখ্যালঘু উন্নয়ন ব'ৰ্ডৰ মহৰ আলী। আনহাতে, আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকে মৈৰাবাৰী মণ্ডল বিজেপিৰ প্ৰাক্তন সভানেত্ৰী আফিয়া বেগম, ভাৰতীয় জনতা পাৰ্টীৰ মৈৰাবাৰী মণ্ডল প্ৰতিনিধি শ্বাহ আলম চৰকাৰ, সমাজ সেৱক আবুল কালামকে আদি কৰি অঞ্চলটোৰ কেইবাজনো গণ্য মান্য ব্যক্তি। মৈৰাবাৰী ৰিফিউজী প্ৰাথমিক বিদ্যালয়ত বহীঃমূল্যায়ক হিচাপে উপস্থিত থাকে ধিং কে বি হাইস্কুলৰ সহকাৰী শিক্ষক নিৰূপম হাজৰিকা আৰু ধিং মহাবিদ্যালয়ৰ অধ্যাপক পুৰন্দ গগৈ। বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী তথা বিদ্যালয় কৰ্তৃপক্ষই বিগত কেইবা বছৰ ধৰি ধাৰাবাহিকভাৱে বিদ্যালয়খনে এ প্লাছ বা এ গ্ৰেড লাভ কৰাৰ সমান্তৰালকৈ এই বছৰো ভাল গ্ৰেড লাভ কৰিব বুলি আশাবাদী। ইপিনে, বৰথল কছাৰীগাঁও গাৰ্লছ হাইস্কুলতো সুকলমে তৃতীয় পৰ্যায়ৰ গুণোৎসৱৰ সামৰণি পৰে।

# বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ নতুন কমিটী গঠন

**ই-সংবাদ, শিমলীতোলা, ৭ ফেব্ৰুৱাৰীঃ** বৰপেটা জিলাৰ চেঙা সমষ্টিৰ অন্তৰ্গত বাঘমাৰা চৰৰ অৰাজনৈতিক সংগঠন বাঘমাৰা চৰ ছাত্ৰ সংগঠনৰ পুৰণা কমিটীৰ কাৰ্যকাল উকলি যোৱাত বৃহস্পতিবাৰে সাধাৰণ সভাৰ জৰিয়তে নতুন কমিটী গঠন কৰা হয়। পুৰণা কমিটীৰ সভাপতি জাকিৰ হুছাইন সৰকাৰৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাখনত সাহানুৰ ৰহমানক সভাপতি, ইমান আলী ফকিৰ আৰু জাহাংগীৰ হুছাইনক উপ-সভাপতি, ৰফিকুল ইছলামক সাধাৰণ সম্পাদক, নুৰজামাল হুছাইন আৰু হাচেন আলীক সহঃ সাধাৰণ সম্পাদক হিচাপে লৈ এখন শক্তিশালী কমিটি গঠন হৈ যায়। উল্লেখ্য যে বিগত কমিটীৰ বছৰীয়া হিচাপ-নিকাচ হৈ যোৱাৰ পিছত জুৰি কমিটীৰ দ্বাৰা নতুন কমিটী গঠন কৰা হয়। সভাত বিভিন্ন বিভিন্ন সমাজ উন্নয়নমূলক কাম-কাজৰ বিষয়ে আলোচনা কৰা হয় আৰু আগন্তুক দিনত কেনেদৰে সমাজৰ হকে নতুন কমিটীয়ে কাৰ্যপন্থা হাতত লৈ কাম কৰিব সেই বিষয়েও বিতংকৈ আলোচনা কৰা হয়। নতুন কমিটী গঠন প্ৰক্ৰিয়াত বাঘমাৰা চৰৰ ছাত্ৰ-ছাত্ৰীৰ লগতে সংগঠনৰ বৰ্তমান তথা প্ৰাক্তন সভাপতি-সম্পাদক সমন্বিতে বিষয়ববীয়াৰ লগতে ভালেসংখ্যক গণ্য মান্য ব্যক্তি উপস্থিত থাকে।

# শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশনত 'বুঢ়াৰ পো'

**ই-সংবাদ, বাহনা, ৭ ফেব্ৰুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ৯৪ সংখ্যক অধিৱেশন পশ্চিম যোৰহাটৰ মহবন্ধা এৰাতলি পথাৰৰ বৈষ্ণৱ পণ্ডিত সোণাৰাম চুতীয়া সমন্বয় ক্ষেত্ৰত আৰম্ভ হৈছে। আজি দ্বিতীয় দিনাও বিভিন্ন প্ৰান্তৰ অহা ৰাইজৰ উপস্থিতিয়ে উদুলি-মুদুলি পৰিৱেশৰ সৃষ্টি কৰিছে। অসমৰ ৫৫খন জিলা শাখাৰ ৪০০ প্ৰতিনিধি আৰু ১০ হাজাৰ সেৱক-সেৱিকা কেন্দ্ৰীয় সেৱা বাহিনীৰ শিবিৰ 'বুঢ়াৰ পো' আকৰ্ষণৰ কেন্দ্ৰ বিন্দু হৈ পৰিছে। ইয়াৰ উপৰি ঢেঁকী, তাঁতশাল, ধান খেৰৰ মেজি, গৰুৱে মৰণা মৰা, সত্ৰীয়া নৃত্য, নামঘৰ, চাহ বাগিচা আদি স্থাপন কৰি হুবহু ৰূপ দিয়াৰ কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱৰ সৃষ্টিৰাজিৰ প্ৰচাৰ আৰু প্ৰসাৰৰ লক্ষ্যৰে সাঁচিপতীয়া আৰ্হিত শংকৰী চিত্ৰ শৈলীৰ প্ৰদৰ্শনে ভক্ত বৈষ্ণৱসকলক আপ্লুত কৰিছে। ৰান্ধনি ঘৰত একেলগে ২০০ জন ৰান্ধনিয়ে ২০০টা চৌকাত ৫০হাজাৰ ভক্তৰ বাবে আহাৰ প্ৰস্তুত কৰিছে। প্ৰতিদিনে ২ লাখ ভক্তক আপ্যায়নৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। একেবাৰত



১০ হাজাৰ ভক্তক একেলগে আহাৰ গ্ৰহণ কৰোৱা বুলি জানিব পৰা গৈছে। আজিলৈকে ৮ লাখ ভক্তৰ বাবে খাদ্য মজুত ৰখা হৈছে। উল্লেখ্য যে এটা শিবিৰত ৪৫০ জন ভক্ত থাকিব পৰা ব্যৱস্থা গ্ৰহণ কৰা বুলি জানিবলৈ দিছে উদ্যোক্তাসকলে। দৈনিক ৯০ হাজাৰ ভক্তক শিবিৰত ৰখাৰ ব্যৱস্থা গ্ৰহণ কৰা হয় আৰু যোৰহাট জিলাৰ ১৬খন আঞ্চলিকৰ দুটাকৈ শিবিৰ নিৰ্মাণ কৰিছে। সুন্দৰকৈ শিবিৰ সজাই পৰাই তোলাৰ বাবে আয়োজকে পুৰস্কাৰো ঘোষণা কৰিছে।

## গীনিজ বিশ্ব অভিলেখৰ লক্ষ্যত উপনীত অসম সন্তান

# অলপো নোৰোৱাকৈ ৪৮ ঘন্টাজুৰি মেণ্ডলিন বাদন কুন্তল ৰাজ চক্ৰৱৰ্তীৰ

**ই-সংবাদ, বেবেজীয়া, ৭ ফেব্ৰুৱাৰীঃ** অসমৰ মেণ্ড'লিন বাদক আৰু অনুৰাগীৰ একত্ৰিত মঞ্চ 'ব্ৰহ্মপুত্ৰ মেণ্ড'লিনছ'ৰ সদস্য কুন্তল ৰাজ চক্ৰৱৰ্তীয়ে শেহতীয়াভাৱে একেৰাহে দীৰ্ঘ সময়ৰ বাবে মেণ্ড'লিন বাদন কৰি নতুন গীনিজ বিশ্ব অভিলেখ স্থাপনৰ বাবে স্থিৰ কৰা ৪৮ ঘন্টাৰ লক্ষ্য অতিক্ৰম কৰাত সফলতা অৰ্জন কৰিবলৈ সক্ষম হৈছে । জানিব পৰা মতে, 'ভাৰতীয় এচ'ছিয়েটেছ' আৰু 'ব্যতিক্ৰম' নামৰ সংস্থা দুটিৰ উদ্যোগত গুৱাহাটীৰ গীতানগৰ হাইস্কুল খেলপথাৰত যোৱা ৩১ জানুৱাৰীৰ সন্ধিয়া ৮ বজাত এই প্ৰতিযোগীতামূলক মেণ্ড'লিন বাদন আৰম্ভ হয়। বিশিষ্ট মেণ্ড'লিন বাদক কুন্তল ৰাজ চক্ৰৱৰ্তীয়ে এনেদৰে বিৰতিহীনভাৱে মেণ্ড'লিন বাদন কৰি দুই জানুৱাৰীৰ সন্ধিয়া ৮ বজাত নিৰ্দিষ্ট সময়সীমা অতিক্ৰম কৰে যদিও পিছত মাজনিশালৈকে অতিৰিক্ত সময়ৰ বাবেও মেণ্ড'লিন বাদন কৰি গীনিজ অভিলেখৰ বাবে তেওঁ কৃতকাৰ্যতা লাভত সফল হয়। উল্লেখ্য যে, ইয়াৰ পূৰ্বে ২০১৭ চনত চক্ৰৱৰ্তীয়ে গুৱাহাটীত একেৰাহে ২৬ ঘন্টা ৪১ মিনিট জুৰি মেণ্ড'লিন বাদনেৰে বিশ্ব অভিলেখ স্থাপন কৰিছিল। অৱশ্যে পৰৱৰ্ত্তী পৰ্যায়ত বিখ্যাত মেণ্ড'লিন বাদক ষ্টেফেন অলিভাৰে ২০২২ চনত আমেৰিকাৰ চাউথ কেৰ'লিনাৰ গ্ৰীনভিল চহৰত ২৭ ঘন্টা ৮ মিনিট ৩৩ চেকেণ্ড জুৰি যতিবিহীন ভাৱে মেণ্ড'লিন বজাই চক্ৰৱৰ্তীৰ পূৰ্বৰ অভিলেখ ভংগ কৰি বিশ্ব খিতাপ অৰ্জন কৰিছিল। কিন্তু ইয়াৰ পিছত চক্ৰৱৰ্তীয়ে পুনৰ আন এক প্ৰয়াসত একেৰাহে ৩৬ ঘন্টাৰ বাবে মেণ্ড'লিন বাদন কৰি ষ্টেফেন অলিভাৰৰ অভিলেখ অতিক্ৰম কৰে। ইফালে, এইক্ষেত্ৰত গীনিজ কৰ্তৃপক্ষৰ তৰফৰ পৰা স্বীকৃতিপত্ৰ আহিবলগীয়া হৈ থকা বৰ্ত্তমানৰ সময়ছোৱাতে কুন্তল ৰাজ চক্ৰৱৰ্তীয়ে অধিক মেণ্ড'লিন বাদন সময়(৪৮ ঘন্টা)ৰ লক্ষ্য স্থিৰ কৰি পুনৰ প্ৰতিযোগীতাত নামি কৃতকাৰ্যতা লাভ কৰে। সেয়ে অসমৰ সুসন্তান কুন্তল ৰাজ চক্ৰৱৰ্তীৰ এনে ঈৰ্ষণীয় সফলতাত স্বাভাবিকতেই উৎফুল্লিত হৈ পৰা সচেতন লোকসকলে এই ৪৮ ঘন্টীয়া মেণ্ড'লিন বাদনৰ বৃহৎ অভিলেখ এক সুদীৰ্ঘ কালৰ বাবে অটুত থাকিব বুলি আশা ব্যক্ত কৰাৰ লগতে তেওঁলৈ শুভেচ্ছা জনাইছে ।

# দশ বছৰ গৰকা ঐতিহাসিক শ্ৰীশ্ৰী পকামূৰা দিছিয়াল সত্ৰৰ নৱ নিৰ্মিত নামঘৰ প্ৰতিষ্ঠা

**ই-সংবাদ, বেবেজীয়া, ৭ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ পশ্চিম প্ৰান্তৰ সোণাই নদীৰ পাৰৰ মনোৰম প্ৰাকৃতিক পৰিবেশত অৱস্থিত ঐতিহাসিক শ্ৰীশ্ৰী পকামূৰা দিছিয়াল সত্ৰ। জানিব পৰা মতে, এই সত্ৰখনি প্ৰথমে উজনি অসমৰ শিৱসাগৰ জিলাৰ দিচাং নদীৰ পাৰত প্ৰতিষ্ঠা কৰা হৈছিল । কিন্তু মানৰ আক্ৰমণৰ সময়ত মানৰ অত্যাচাৰ সহিব নোৱাৰি ১৮২২ চনত মুকুন্দ দেৱ আতাই সত্ৰখন তাৰ পৰা উঠাই আনি সোণাই নদীৰ উত্তৰ পাৰত পুনৰ প্ৰতিষ্ঠা কৰিছিল । ইতিমধ্যে দশ বছৰ গৰকা ঐতিহাসিক এই সত্ৰখনৰ পূৰ্বৰ নামঘৰ আদি জহি-খহি যোৱাৰ হেতু শেহতীয়াভাৱে ইয়াক পুনৰাই নিৰ্মাণ কৰি তোলা হয় আৰু নৱ নিৰ্মিত মূল নামঘৰভাগত নতুনকৈ সিংহাসন প্ৰতিষ্ঠাৰে শুকুৰবাৰে ইয়াৰ শুভ উদ্বোধন কৰা হয় । এই মৰ্মে, ভকত-বৈষ্ণৱ, আইমাতৃসকলৰ উপস্থিতিৰে সত্ৰৰ চৌহদ উদুলি-মুদুলি হৈ পৰা দেখা যায় । কাৰ্যসূচী অনুসৰি পুৱাৰ ভাগত পল্লৱ কুমাৰ মহন্তই আঁত ধৰা এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত ধৰ্মধ্বজা উত্তোলন কৰে বটদ্ৰৱা নৰোৱা সত্ৰৰ ডেকা সত্ৰীয়া ত্ৰিকেন্দ্ৰ দেৱ গোস্বামীয়ে। ইয়াৰ পিছতে সত্ৰাধিকাৰ হেমচন্দ্ৰ মহন্তই শুভাৰম্ভ কৰা ভাগৱত যাত্ৰাত খগেন ডেকা, নবীন চন্দ্ৰ মেধি, নৰোৱা বালিসত্ৰৰ ডেকা সত্ৰীয়া ৰাজু গোস্বামীকে প্ৰমুখ্য কৰি সত্ৰৰ ভকত-বৈষ্ণৱ, আইমাতৃসকলে অংশ গ্ৰহণ কৰি স্থানীয় অঞ্চলজুৰি সুন্দৰ আধ্যাত্মিক পৰিবেশৰ সৃষ্টি কৰে ।

# পেঙেৰীত জনজাতিকৰণৰ দাবীত সদৌ মৰাণ ছাত্ৰ সন্থাৰ উত্তাল প্ৰতিবাদ

**ই-সংবাদ, মাৰ্ঘেৰিটা, ৭ ফেব্ৰুৱাৰীঃ** আজি সন্ধিয়া পেঙেৰীৰ ব্ৰহ্মাজানত জনজাতিকৰণৰ দাবীত সদৌ মৰাণ ছাত্ৰ সন্থাই উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। সদৌ মৰাণ ছাত্ৰ সন্থাৰ আহ্বানমৰ্মে আজি মাৰ্ঘেৰিটা-পেঙেৰীৰ আঞ্চলিক সমিতিৰ প্ৰতিবাদত উত্তাল হৈ পৰে পেঙেৰীৰ ব্ৰহ্মাজানৰ ৰাজপথ। মৰাণ জনগোষ্ঠীক জনজাতিকৰণ আৰু ষষ্ঠ অনুসূচীত স্বায়ত্ব শাসন লগতে অৰুণাচল প্ৰদেশত বসবাস কৰা মৰাণসকলক স্থায়ী বাসিন্দা প্ৰমাণ পত্ৰ প্ৰদানৰ দাবীত সংগঠনটোৱে সন্ধিয়া পেঙেৰীৰ ব্ৰহ্মাজানৰ ৰাজপথত এক' জোঁৰ সমদল"ৰ কাৰ্যসূচী বাহিৰ কৰে। মাৰ্ঘেৰিটা-পেঙেৰীৰ আঞ্চলিক সমিতিৰ অৰ্ধ শতাধিক সদস্যই সন্ধিয়া জোঁৰ সমদলেৰে পেঙেৰীৰ ব্ৰহ্মাজানত সাব্যস্ত কৰে উত্তাল প্ৰতিবাদ। "জোঁৰ সমদল" বাহিৰ কৰাক লৈ প্ৰতিবাদীকাৰীৰ সৈতে পেঙেৰী আৰক্ষীৰ তীব্ৰ বাকবিতণ্ডাও হয়।মৰাণ জনগোষ্ঠী অতি



শীঘ্ৰে জনজাতিকৰণৰ লগতে অন্য দাবীসমূহ মানি নললে জংগী আন্দোলন কৰাৰ হুংকাৰ প্ৰদান কৰিছে মৰাণ ছাত্ৰ সন্থাই।

# নগাঁও জিলা পুথিভৰাল প্ৰেক্ষাগৃহত এদিনীয়া এডভান্টেজ অসম ২.০ৰ কৰ্মশালা সম্পন্ন

**ই-সংবাদ, পুৰণিগুদাম, ৭ ফেব্ৰুৱাৰীঃ নগাঁও** জিলা প্ৰশাসনৰ সৌজন্যত নগাঁও,মৰিগাঁও আৰু হোজাই জিলাৰ উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ উদ্যোগত নগাঁৰৰ জিলা পুথিভঁৰালৰ প্ৰেক্ষাগৃহত আজি জিলাভিত্তিত এদিনীয়া এডভান্টেজ অসম ২.০: বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন, ২০২৫ এখন কৰ্মশালা অনুষ্ঠিত হৈ যায়।উক্ত কৰ্মশালাখনি শুভাৰম্ভণি কৰে নগাঁও জিলাৰ অভিভাৱক মন্ত্ৰী কৃষ্ণেন্দু পালে। জিলা আয়ুক্ত নৰেন্দ্ৰ কুমাৰ শ্বাহে আদৰণি ভাষণ প্ৰদান কৰা কৰ্মশালাখনিত উদ্দেশ্য বাখ্যা কৰে জিলা উদ্যোগ আৰু বাণিজ্যি কেন্দ্ৰৰ প্ৰধান পৰিচালক জয়ন্ত পাটোৱাৰীয়ে। মুখ্য অতিথি হিচাপে মন্ত্ৰীগৰাকীয়ে তেওঁৰ ভাষণত নগাঁও জিলাখনক মধ্য অসমৰ এখন শক্তিশালী উদ্যোগ কেন্দ্ৰ জিলা হিচাপে গঢ়ি তুলিবলৈ আহ্বান জনায়।অসমৰ সম্ভাৱনা সমূহক সম্পদলৈ ৰূপান্তৰ কৰি ৰাজ্যখনক দেশৰ এখন আগশাৰীৰ উন্নত ৰাজ্যত পৰিণত কৰাৰ বাবে অসম চৰকাৰে অহা ২৫ আৰু ২৬ ফেব্ৰুৱাৰীত গুৱাহাটীৰ খানাপাৰা অসম পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়ৰ খেলপথাৰত এডভান্টেজ অসম ২.০ : বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন ২০২৫ আয়োজন কৰিছে। উক্ত সন্মিলনত দেশৰ সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী উপস্থিত থকাৰ লগতে প্ৰায় তিনিশ গৰাকী শীৰ্ষস্থানীয় দেশী-বিদেশী উদ্যোগপতি আৰু তেওঁলোকৰ প্ৰতিনিধি উপস্থিত থাকিব।অসমক ভাৰতৰ এক অন্যতম শ্ৰেষ্ঠ বিনিয়োগ গন্তব্য স্থান ৰূপে গঢ়ি তোলাৰ ক্ষেত্ৰত সন্মানীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ এক উল্লেখনীয় পদক্ষেপ হ'ল এডভান্টেজ অসম ২.০: বিনিয়োগ আৰু আন্তঃগাঁথনি সন্মিলন। মন্ত্ৰীগৰাকীয়ে নগাঁও, মৰিগাঁও আৰু হোজাই জিলাৰ উপস্থিত থকা ক্ষুদ্ৰ উদ্যোগী সকলক এডভান্টেজ অসম ২.০ ৰ বাবে নিজৰ নিজৰ নাম পঞ্জীয়ন কৰি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰি তুলিবলৈ আহ্বান জনায়।বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি নগাঁও-বটদ্ৰৱা বিধানসভাৰ মাননীয় বিধায়ক ৰূপক শৰ্মাই তেওঁৰ ভাষণত উল্লেখ কৰে যে, এডভান্টেজ অসম ২.০ হৈছে আমাৰ উঠি অহা নৱপ্ৰজন্মক উদ্যোগৰ প্ৰতি উৎসাহিত কৰাৰ এক উল্লেখনীয় পদক্ষেপ। তেখেতে নৱপ্ৰজন্মক চৰকাৰী কৰ্মসংস্থাপনৰ প্ৰতি আগ্ৰহী নহৈ উদ্যোগ প্ৰতিষ্ঠাৰ ক্ষেত্ৰত আগভাগ ল'বলৈ আহ্বান জনায়।আজিৰ এই কৰ্মশালাত বহা বিধানসভা সমষ্টিৰ বিধায়ক শশীকান্ত দাস, চামগুৰি বিধানসভা সমষ্টিৰ বিধায়ক দিপ্লুৰঞ্জন শৰ্মা, অতিৰিক্ত আয়ুক্ত শৌভিক ভূএগ্ৰা, হোজাই আৰু মৰিগাঁৰৰ অতিৰিক্ত আয়ুক্তদ্বয়, নগাঁও জিলা উদ্যোগ আৰু বাণিজ্য কেন্দ্ৰৰ সম্প্ৰসাৰণ বিষয়াদ্বয় ক্ৰমে হাছান মেহমুদ, নৰেন বৰা, মৰিগাঁও জিলাৰ সম্প্ৰসাৰণ বিষয়াদ্বয় ক্ৰমে নিলোৎপল ডেকা, ৰাজেন্দ্ৰ কুমাৰ বাৰিক, নগাঁও, মৰিগাঁও আৰু হোজাই জিলাৰ উদ্যোগিক, ব্যৱসায়ী, উদ্যোগিক সংগঠন, ব্যৱসায়িক সংগঠন, আত্মসহায়ক গোটৰ সদস্য সকল আৰু মুখ্যমন্ত্ৰী আত্মনিৰ্ভৰ অসম অভিযান ২.০ৰ হিতাধিকাৰীসকল উপস্থিত থাকে। মন্ত্ৰী গৰাকীয়ে জিলাখনৰ সকলো বিভাগৰ মুৰব্বী বিষয়াসকলৰ লগত এক পৰ্যালোচনা বৈঠকত মিলিত হয়।

# গণশিল্পী ৰাজীৱ শদিয়ালৈ কাকপথাৰ বাসীৰ শ্ৰদ্ধাঞ্জলি

**ই-সংবাদ, কাকপথাৰ, ৭ ফেব্ৰুৱাৰীঃ** কাকপথাৰৰ শিল্পী, সাংস্কৃতিক সমাজৰ উদ্যোগত কাকপথাৰ ৰাজহুৱা পুথিভঁৰাল প্ৰাংগণত গণশিল্পী প্ৰয়াত ৰাজীৱ শদিয়াক শ্ৰদ্ধাঞ্জলি জনোৱাৰ উদ্দেশ্যে অলপতে এক ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰা হয়। এই ৰাজহুৱা শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত কাকপথাৰ অঞ্চলৰ প্ৰায় সকলো জাতীয়-জনগোষ্ঠীয় দল-সংগঠন, অনুষ্ঠান-প্ৰতিষ্ঠানৰ প্ৰতিনিধিৰ লগতে শিল্পীগৰাকীৰ অনুৰাগী বহু ব্যক্তিবিশেষে শিল্পীগৰাকীলৈ শ্ৰদ্ধাঞ্জলি জনায়। জাতি-মাটিৰ গীত গাই ৰাইজক উদ্বুদ্ধ কৰিবলৈ চেষ্টা কৰা জনতাৰ শিল্পীগৰাকীলৈ বহুজনে গীত আৰু কবিতাৰেও শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। এই শ্ৰদ্ধাঞ্জলি অনুষ্ঠানত অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ সহকাৰী সম্পাদক সুৰজিত মৰাণ, আন্তৰাষ্ট্ৰীয় খেলুৱৈ বীনা বৰকতকী, কাকপথাৰ প্ৰেছ ক্লাবৰ সভাপতি বিজয় দত্ত, পদ্মনাথ গোহাঞিবৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ প্ৰবক্তা পঞ্চানন হাজৰিকা, বিশিষ্ট লেখক বিপুল বৈভৱ বৰুৱা আদি কেইবজনো বক্তাই গণশিল্পী ৰাজীৱ শদিয়াৰ আদৰ্শ, চিন্তা-চেতনা, জীৱন-দৰ্শন আদিৰ ওপৰত বক্তব্য প্ৰদান কৰি ৰাজীৱ শদিয়াৰ গীতৰ কথাখিনিৰ গুৰুত্ব বুজি বাস্তৱ ৰূপ দিব পাৰিলেহে শিল্পীগৰাকীৰ প্ৰতি প্ৰকৃত শ্ৰদ্ধা জ্ঞাপন কৰা হ'ব বুলি বক্তাসকলে মন্তব্য কৰে। উল্লেখ্য যে ৯ ফেব্ৰুৱাৰীত গণশিল্পী প্ৰয়াত ৰাজীৱ শদিয়াৰ জন্মস্থান শদিয়াৰ টুপচিঙা গাঁৱত অনুষ্ঠিত কৰা ৰাজহুৱা আদ্যশ্ৰাদ্ধৰ সহায়ক হোৱাকৈ সাধ্যানুসাৰে বৰঙনি আগবঢ়াবলৈ শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ উদ্যোক্তাসকলে আহবান জনোৱাত বহু লোকে মুক্তহস্তে দান আগবঢ়ায়।

# ৮ মাহে শৰ্যাশায়ী জিতুললৈ মুখ্যমন্ত্ৰীক সহায়ৰ আহ্বান পিতৃ-মাতৃৰ

**ই-সংবাদ, দুমুনিচকী, ৭ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ পাথৰিঘাট ৰাজহ চক্ৰ অন্তৰ্গত হেঙালপাৰা গাঁৱৰ এটা দুৰ্ভগীয়া পৰিয়ালৰ কৰুণ কাহিনী! তিনিজনীয়া পৰিয়ালটোৰ একমাত্ৰ ল'ৰা জন আজি ছয় মাহে শৰ্যাশায়ী। হেৰুৱাই পেলাইছে স্মৃতিশক্তি, মুখৰ মাত। চকু দুটাৰ বাহিৰে দেহৰ কোনো অংগ লৰচৰ কৰিব নোৱাৰে। এক পথ দুৰ্ঘটনাই কাঢ়ি নিছে জিতুল নাথ নামৰ ২৬ বছৰীয়া স্নাতক ডিগ্ৰীধাৰী যুৱকজনৰ মুখৰ হাঁহি, জীৱনৰ ৰং। দিন হাজিৰা কৰি কোনো মতে পেটে-ভাটে খাই থকা পিতৃ-মাতৃৰ দিন নাযায়, ৰাতি নুপুৱায় অৱস্থা হৈ পৰিছে। গাঁওখনৰ সুৰেন নাথ আৰু সাবিত্ৰী নাথে পুত্ৰৰ উন্নত চিকিৎসাৰ বাবে একপ্ৰকাৰ দিশহাৰা হৈ পৰিছে। শৰ্যাশায়ী হৈ থকা পুত্ৰৰ চিকিৎসাকে ধৰি ঔষধ-পাতিৰ বাবে সমস্যাৰ সৃষ্টি হৈছে। নাই প্ৰয়োজনীয় ধন। উপায়ন্তৰ হৈ পৰিছে পিতৃ-মাতৃ। ইতিমধ্যে চিকিৎসাৰ নামত ব্যয় হৈছে পৰিয়ালটোৰ কেবা লক্ষ টকা। মগজুৰ তিনিটাকৈ জটিল অস্ত্ৰোপচাৰৰ পিছতো আৰোগ্য লাভ কৰা নাই জিতুলে। সম্প্ৰতি ঘৰতে থকা শৰ্যাশায়ী পুত্ৰক প্ৰয়োজন সহায়ৰ, উন্নত চিকিৎসাৰ। জুলীয়া আহাৰ, ঔষধ-পাতিৰ বাবে প্ৰয়োজন যথেষ্ট ধনৰ। দিশহাৰা দুৰ্ভগীয়া পৰিয়ালটোৰ এতিয়া শেষ ভৰষা মুখ্য মন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা। কৰযোৰে একমাত্ৰ পুত্ৰৰ উন্নত চিকিৎসাৰ বাবে মুখ্যমন্ত্ৰীৰ সহায়-ভিক্ষা বিচাৰিছে পিতৃ-মাতৃয়ে। দৰিদ্ৰ পিতৃ-মাতৃৰ আশা মুখ্যমন্ত্ৰীয়ে পুত্ৰৰ উন্নত চিকিৎসাৰ ব্যৱস্থা কৰি নতুনকৈ জীৱন দান দিব পৰিয়ালটিক। উল্লেখ্য যে, ২০২৪ ৰ ১২ জুনত ১৫ নং ৰাষ্ট্ৰীয় ঘাইপথৰ বেজেৰাৰ নিকটৱৰ্তী পলাহাত দুৰ্ঘটনাত পতিত হৈছিল জিতুল। ব্যক্তিগত কোম্পানীত কৰ্মৰত জিতুল নাথে বাইকেৰে কৰ্মস্থলী লৈ গৈ থকা অৱস্থাত তীব্ৰ বেগী এখন বাহনে সন্মুখৰ পৰা খুন্দিয়াই থৈ গৈছিল। প্ৰায় তিনি মাহ চিকিৎসালয়ৰ বিছনাত থকাৰ পিছত সম্প্ৰতি ঘৰতে শৰ্যাশায়ী হৈ আছে জিতুল। দুৰ্ঘটনাগ্ৰস্ত যুৱকজনক পিতৃৰ ষ্টেট বেংকৰ ছিপাঝাৰ শাখাত থকা Account No-40298225073 (IFSC SBINOO17221) নম্বৰত সহায়ৰ হাত আগবঢ়াবলৈ অনুৰোধ জনাইছে। সুহৃদসকলে পৰিয়ালটিৰ 9954354248 ফোন নম্বৰত যোগাযোগ কৰিব পাৰিব।

# দাৰুল উলুম খাৰুপেটীয়া মাদ্ৰাছাত জলছায়ে দস্তৰবন্দি, বিদায় সভা

**ই-সংবাদ, খাৰুপেটীয়া, ৭ ফেব্ৰুৱাৰীঃ** দৰং জিলাৰ খাৰুপেটীয়াৰ নিকৰৱৰ্তী বলোগড়া গাঁৱস্থিত দাৰুল উলুম খাৰুপেটীয়া মাদ্ৰাছা প্ৰাংগণত আজি ছাত্ৰসকলৰ জলছায়ে দস্তৰবন্দি আৰু বিদায় সভা এখন অনুষ্ঠিত হয়। খাৰুপেটীয়া কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যাপক আব্দুল কৰিমৰ সভাপতিত্বত অনুষ্ঠিত সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মাদ্ৰাছাখনৰ হেড মোৰ্দাৰিছ তথা দৰং জিলা জমিয়তৰ প্ৰাক্তন সভাপতি মৌলানা ওচিমান গনি কাচিমীয়ে। সভাত আলহাজ বিলাত আলী, মৌলানা আতাউৰ ৰহমান, হাফিজ ৰেজাউল কৰিম, মাদ্ৰাছাখনৰ সম্পাদক জুলফিক্কাৰ আলী আদি কেইবাজনো বিশিষ্ট ব্যক্তি আৰু উলামা উপস্থিত থাকি কোৰাণ আৰু হাদিছৰ বিষয়ে আলোচনা কৰাৰ উপৰি সমাজত প্ৰচলিত কু-সংস্কাৰ, মদ, ভাং, ড্ৰাগছ, চুৰি, ডকাইতি আদিৰ বিৰুদ্ধে বক্তব্য প্ৰদান কৰা পিছত দাৰুল উলুম খাৰুপেটীয়া মাদ্ৰাছাৰ পৰা ২০২৪-২৫ বৰ্ষৰ হাফিজ পৰীক্ষাত উত্তীৰ্ণ চাৰিজন ছাত্ৰ ক্ৰমে ছাইদ আহমেদ, ৰেজাউল হক, ইমতাজ আলী আৰু মস্তফা আহমেদক পাগুৰীৰে সম্বৰ্ধনা জনোৱাৰ লগতে আৰবী পাঞ্জন শাখাত উত্তীৰ্ণ বিদায়ী ছাত্ৰক সম্বৰ্ধনা জ্ঞাপন কৰে মাদ্ৰাছা কৰ্তৃপক্ষই।

# গহপুৰত ধন দাবীৰে অনৈতিক কামত লিপ্ত দুই যুৱকক আটক

**ই-সংবাদ, গহপুৰ, ৭ ফেব্ৰুৱাৰীঃ** বিশ্বনাথ জিলাৰ অপৰাধ অনুসন্ধান বিভাগৰ অতিৰিক্ত আৰক্ষী অধীক্ষক অমৃত কুমাৰ হোজাই এতিয়া অপৰাধীৰ বাবে হৈ পৰিছে মূৰৰ কামোৰণি স্বৰূপ। নিকা ভাবমূতিৰ এইজন আৰক্ষী বিষয়াই ধাৰাবাহিকভাৱে অবৈধ অৰুণচলী, সুৰা, ড্ৰাগছ, ডকাইতি, চুৰি গৰু, চোৰাং ৰ'ড, লুটপাটকে আদি কৰি অবৈধ কাৰ্যকলাপৰ সৈতে জড়িতসকলক হাতে-লোটে ধৰি আইনী ব্যৱস্থা গ্ৰহণ কৰি অহাৰ বাবে বিষয়াগৰাকী অপৰাধী চক্ৰ তথা মাফিয়াৰ মূৰৰ কামোৰণি হৈ পৰিছে। পুনৰ এইবাৰ এইজন আৰক্ষী বিষয়াৰ তৎপৰতাত হাতে-লোটে ধৰা পৰে গহপুৰ মহকুমাৰ পূব অংশত দীৰ্ঘদিনৰ পৰা চলাই অহা অপৰাধ চিণ্ডিকেট চক্ৰৰ মহানায়ক তপ্তজ্যোতি গগৈ। এই তপ্তজ্যোতি গগৈয়ে দীৰ্ঘদিনৰ পৰা সংঘটিত কৰিছিল বিভিন্ন অপৰাধমূলক কাৰ্য। ৰাইজৰ অভিযোগ অনুসৰি এই তপ্তজ্যোতি গগৈৰ নেতৃত্বতে ব্ৰয়লাৰ কঢ়িওৱা গাড়ী, মাছ কঢ়িওৱা গাড়ী, গৰু কঢ়িওৱা গাড়ী, ৰ'ড কঢ়িওৱা গাড়ী, কাঠ কঢ়িওৱা গাড়ী, ইটা কঢ়িওৱা গাড়ীকে আদি কৰি বিভিন্ন গাড়ীসমূহৰ পৰা ভয়-ভাবুকিৰে সংগ্ৰহ কৰি আহিছিল ধন। ইয়াৰ উপৰি বেংক তথা বিত্তীয় প্ৰতিষ্ঠানসমূহৰ পৰা মাহেকীয়া কিস্তীৰ বিনিময়ত অনা দুচকীয়া আৰু চাৰিচকীয়া বাহনৰ গৰাকীসকলৰ অনাদায় মাহেকীয়া কিস্তী সংগ্ৰহৰ নামত জোৰ-জুলম, ভয়-ভাবুকিৰে ধন সংগ্ৰহ কৰি এক প্ৰকাৰ ত্ৰাসৰ সৃষ্টি কৰি আহিছিল। কিন্তু অসমীয়াত এষাৰ কথা আছে 'এশ গৰু মাৰিলে বাঘৰো মৰণ'। মাফিয়া চক্ৰটোৰ মূল নায়কজনৰো তেনেকুৱাই হ'ল। দিনদুপৰতে এখন গাড়ীৰ পৰা গুণ্ডা কৰ সংগ্ৰহ কৰি থকা অৱস্থাতে হাতে-লোটে ধৰা পৰে অপৰাধ শাখাৰ আৰক্ষী অধীক্ষক গৰাকীৰ হাতত। বিষয়াগৰাকীয়ে ঘটনাটোত ব্যৱহৃত তপ্তজ্যোতি গগৈৰ বলেৰ' বাহনখনৰ লগতে আন এজন সহযোগীৰ সৈতে তপ্তক আটক কৰিবলৈ সক্ষম হয়।



কঠীয়াতলীত 'আজু'ৰ হোমেশ্বৰ হীৰা স্মাৰক বক্তৃতা অনুষ্ঠানৰ এটি মুহূৰ্ত, ফটোঃ ই-সংবাদ, কামপুৰ

# খেল মহাৰণৰ সমাপ্তি ৰাজ্যিক পৰ্যায়ৰ খেলৰ বাবে নিৰ্বাচিত বাক্সাৰ ২১৮ জনীয়া দল

**ই-সংবাদ, মুছলপুৰ, ৭ ফেব্ৰুৱাৰীঃ** বাক্সা জিলাৰ বাথৌফুৰি ক্ৰীড়া প্ৰকল্প চৌহদত দুদিনীয়াকৈ চলি থকা খেল মহাৰণ ২-০ ৰ আজি সামৰণি পৰে। যুৱ ক্ৰীড়া মন্ত্ৰালয়ৰ উদ্যোগত তথা বাক্সা জিলা প্ৰশাসনৰ সহযোগত ৪১নং বাক্সা বিধানসভা সমষ্টি আৰু ৪২নং মানাস বিধানসভা সমষ্টিৰ খেলুৱৈ সকলৰ মাজত সাতটা বিভাগত খেলসমূহ অনুষ্ঠিত হৈছিল। দুদিনীয়াকৈ অনুষ্ঠিত চূড়ান্ত খেলসমূহৰ পৰা ৰাজ্যিক পৰ্যায়ত অংশগ্ৰহণ কৰিবলগীয়া দলটো বাচনি কৰা হয়। ৰাজ্য চৰকাৰৰ হস্ততাঁত আৰু বস্ত্ৰ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিচি পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো, পাৰিষদ মন্টু বড়োৰ উপস্থিতিত ২১৮ জনীয়া দলটো নিৰ্বাচিত কৰা হয়। গ্ৰামাঞ্চলৰ সুপ্ত প্ৰতিভা সকলক ৰাজ্যিক প্ৰেক্ষাপটলৈ উলিয়াই অনাৰ বাবে ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এই পদক্ষেপক মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই প্ৰশংসা কৰি কয় যে ক্ৰীড়াই যুৱক-যুৱতীৰ শাৰীৰিক-মানসিক উৎকৰ্ষ সাধন কৰে। নিচাযুক্ত দ্ৰব্য সেৱনৰ পৰা বিৰত ৰাখিব পাৰি। বাক্সা জিলাৰ আয়ুক্ত গৌতম দাসে কয় যে বাক্সাৰ দুটা বিধানসভা সমষ্টিৰ পৰা ৰাজ্যিক পৰ্যায়ত ভলীবলত ৪৮ গৰাকী, কাবাদীত ৪৮ গৰাকী, দবাত ১০ গৰাকী, চাইকেল চালনাত ১২ গৰাকী, এথলেটিকচত ৪২ গৰাকী, ফুটবলত ৪৮ গৰাকী আৰু সাতোঁৰত ৪ গৰাকী মুঠ ২১৮ খেলুৱৈয়ে অংশগ্ৰহণ কৰিব।

# ফিফাই নিষিদ্ধ কৰিলে পাকিস্তান ফুটবলক

**কাৰাচী, ৭ ফেব্ৰুৱাৰীঃ** সংবিধান সংশোধনত ব্যৰ্থ হোৱা পাকিস্তান ফুটবল ফেডাৰেচনক নিলম্বন কৰিছে আন্তৰ্জাতিক সন্থা ফুটবল ফেডাৰেশ্যনে। ফিফাৰ মতে, পাকিস্তানৰ ফুটবল সংবিধান দেশখনত খেলৰ সুস্থ আৰু ন্যায্য পৰিচালনাৰ বাবে উপযুক্ত নহয়। ফিফাই কয় যে পিএফএফ কংগ্ৰেছে ইয়াৰ সংশোধন নকৰালৈকে পাকিস্তান ফুটবল নিলম্বিত ৰখা হ'ব। উল্লেখ্য যে, ২০১৭ চনৰ পিছত তৃতীয়বাৰৰ বাব নিলম্বিত হৈছে পিএফএফ। ২০১৯ চনৰ জুন মাহৰ পৰা পাকিস্তান ফুটবল ফেডাৰেচন ফিফাৰ নিযুক্ত সাধাৰণীকৰণ সমিতিৰ দ্বাৰা পৰিচালিত হৈ আছে যদিও নিৰ্বাচন আয়োজন আৰু সমান্তৰাল গোট ভংগ কৰাত ব্যৰ্থ হৈছে।



নাগপুৰত অনুষ্ঠিত ভাৰত-ইংলেণ্ডৰ প্ৰথম এদিনীয়াত অৰ্ধশতকীয় ইনিংছ ভাৰতৰ শুভমন গীলৰ

## উত্তৰাখণ্ড নেশ্যনেল গেমছে আনন্দ নমালে ডিমৌৰ চেঁচামুখত

# উশ্বু খেলত ৰূপৰ পদক অৰ্জন চেঁচামুখ ভেকুৰীচাপৰিৰ ক্ষুদ্ৰ পাংগিঙৰ

**ই-সংবাদ, শিৱসাগৰ, ৭ ফেব্ৰুৱাৰীঃ** শিৱসাগৰ জিলাৰ ডিমৌৰ চেঁচামুখ ভেকুৰীচাপৰিৰ এগৰাকী খেলুৱৈয়ে উত্তৰাখণ্ডত অনুষ্ঠিত হৈ থকা ৩৮ সংখ্যক নেশ্যনেল গেমছত ৰূপৰ পদক লাভ কৰি গৌৰৱ কঢ়িয়াই আনিছে। উশ্বু খেলত ৭৫ কিলো শাখাত ৰূপৰ পদক লাভ কৰে ক্ষুদ্ৰ পাংগিং নামৰ প্ৰতিভাৱান খেলুৱৈগৰাকীয়ে। শিৱসাগৰ নগৰৰ পৰা প্ৰায় ৪০ কিলোমিটাৰ নিলগৰ ভেকুলী চাপৰিৰ নিবাসী খেতিয়ক খগেন পাংগিং আৰু দীপালী পাংগিঙৰ জেষ্ঠ্যে সন্তান ক্ষুদ্ৰ পাংগিঙে এই সফলতাৰে গৌৰৱ কঢ়িয়াই অনাত উৎফুল্লিত হৈ পৰিছে শিৱসাগৰ জিলাবাসী। "পদক লাভ কৰি মই যথেষ্ট উৎসাহিত আৰু আনন্দিত হৈছো। আগলৈ যাতে সোণৰ পদক লাভ কৰিব পাৰোঁ তাৰ বাবে কষ্ট কৰি যাম। নেশ্যনেল গেমছৰ পিছত এছিয়ান গেমছো হ'ব। মই যাতে এছিয়ান গেমছত খেলি সোণৰ পদক লাভ কৰিবলৈ সক্ষম হওঁ তাৰ বাবে চেষ্টা কৰিম। সকলোৱে আশীৰ্বাদ লাগিব।" আজি এইদৰে মন্তব্য কৰে ক্ষুদ্ৰ পাংগিঙে। ইয়াৰ উপৰিও তেওঁক এই পৰ্যায়লৈ লৈ যোৱা ৰাষ্ট্ৰীয় পৰ্যায়ৰ উশ্বু প্ৰশিক্ষক প্লাৱন বৰা, ডিমৌ সমষ্টিৰ বিধায়ক সুশান্ত বৰগোঁহাই আৰু পিতৃ মাতৃৰ প্ৰতি বিশেষ কৃতজ্ঞতা প্ৰকাশ কৰিছে। উল্লেখ্য যে অতি ভিতৰুৱা গ্ৰামাঞ্চল ভেকুৰীচাপৰিতে ডাঙৰ হোৱা ক্ষুদ্ৰ পাংগিঙে দহ বছৰ আগেয়ে ডিমৌ ৰাইচাই গ্ৰাম্য ক্ৰীড়াংগনৰ উশ্বু প্ৰশিক্ষণ কেন্দ্ৰত নাম ভৰ্তি কৰি প্ৰশিক্ষণ গ্ৰহণ কৰা আহিছিল। প্ৰথমে কেইবাবছৰ ঘৰৰ পৰা চাইকেলেৰে অহা যোৱা কৰিছিল প্ৰশিক্ষণ কেন্দ্ৰলৈ। খেতিয়ক পিতৃ মাতৃয়ে অতি কষ্টৰে গঢ় দিছে ক্ষুদ্ৰ পাংগিঙক।

# ৭ সমষ্টি সামৰি নগাঁৱত পূৰ্ণগতিত চলিছে খেল মহাৰণ ২.০

**ই-সংবাদ ক্ৰীড়া সেৱা, নগাঁও, ৭ ফেব্ৰুৱাৰীঃ** অসম চৰকাৰৰ ক্ৰীড়া আৰু যুৱকল্যাণ বিভাগৰ উদ্যোগত তথা নগাঁও জিলা প্ৰশাসনৰ ব্যৱস্থাপনাত নগাঁও ক্ৰীড়া সংস্থাৰ নুৰুল আমিন ষ্টেডিয়ামত বৃহস্পতিবাৰৰ পৰা "খেল মহাৰণ-২.০"ৰ নগাঁও জিলা পৰ্যায়ৰ প্ৰতিযোগিতাৰ খেলসমূহ পূৰ্ণগতিত চলি আছে। জিলাখনৰ ধিং, ৰহা, কলিয়াবৰ, চামগুৰি, বঢ়মপুৰ, ৰূপহীহাট আৰু নগাঁও-বটদ্ৰৱা বিধানসভা সমষ্টিৰ পৰা প্ৰায় পোন্ধৰশ খেলুৱৈয়ে ভাগ লোৱা এই প্ৰতিযোগিতাৰ আজি দ্বিতীয় দিনাখন অনুষ্ঠিত ফুটবল ইভেণ্টৰ অনূৰ্ধ্ব-১৭ বছৰ বয়সৰ ল'ৰাৰ শাখাত চামগুৰি দল বিজয়ী হোৱাৰ বিপৰীতে নগাঁও-বটদ্ৰৱা দল ৰাণাৰ্ছ আপ হয়। ফুটবলৰ ১৭ বছৰ বয়সৰ উৰ্ধ্বৰ ল'ৰাৰ শাখাত নগাঁও-বটদ্ৰৱা দল চেম্পিয়ন হোৱাৰ বিপৰীতে বঢ়মপুৰ দলে ৰাণাৰ্ছ আপৰ সন্মান অৰ্জন কৰে। কাবাডী ইভেণ্টৰ অনূৰ্ধ্ব-১৬ বছৰ বয়সৰ ল'ৰাৰ শাখাত নগাঁও-বটদ্ৰৱা দলে চেম্পিয়নৰ খিতাপ আৰু বঢ়মপুৰ দল ৰাণাৰ্ছ আপ হোৱাৰ বিপৰীতে ছোৱালীৰ শাখাতো নগাঁও-বটদ্ৰৱা চেম্পিয়ন আৰু ধিং দলে ৰাণাৰ্ছ আপৰ সন্মান লাভ কৰে। নগাঁও জিলা ক্ৰীড়া বিষয়া প্ৰতিম বৰুৱাই লগতে জনোৱামতে, কাবাডীৰে অনূৰ্ধ্ব-২০ বছৰ বয়সৰ ল'ৰাৰ শাখাত বঢ়মপুৰ চেম্পিয়ন আৰু নগাঁও-বটদ্ৰৱা দল ৰাণাৰ্ছ আপ হোৱাৰ বিপৰীতে ছোৱালীৰ শাখাত নগাঁও-বটদ্ৰৱা দল চেম্পিয়ন আৰু কলিয়াবৰ দল ৰাণাৰ্ছ আপ হয়। ভলীবলৰ ১৭ বছৰ বয়সৰ উৰ্ধ্বৰ ল'ৰাৰ শাখাত ৰূপহীহাট চেম্পিয়ন আৰু নগাঁও-বটদ্ৰৱা দল ৰাণাৰ্ছ আপ হোৱাৰ বিপৰীতে ছোৱালীৰ শাখাত নগাঁও-বটদ্ৰৱা চেম্পিয়ন আৰু ৰহা দলে ৰাণাৰ্ছ আপৰ সন্মান লাভ কৰে। নগাঁও ক্ৰীড়া সংস্থাৰ ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত দবা ইভেণ্টৰ পুৰুষৰ শাখাত নগাঁও-বটদ্ৰৱাৰ ফাৰহান আহমেদ প্ৰথম, বঢ়মপুৰৰ কৰুণা বৰা আৰু উজ্জল বৰাই ক্ৰমে দ্বিতীয় আৰু তৃতীয়স্থান অধিকাৰ কৰাৰ বিপৰীতে মহিলাৰ শাখাত নগাঁও-বটদ্ৰৱাৰ চি চি গগৈ, লিয়াণা ইয়াচিন আৰু লতাশ্ৰী ব্ৰহ্মচাৰীয়ে ক্ৰমে প্ৰথম তিনিটাস্থান অধিকাৰ কৰে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি